# কে চি দাস কমার্চ কলেজ লিটাৰেৰি ফ'ৰাম


# দ্ৰষ্টা

নৱম সংখ্যা | ২০২৬ বৰ্ষ

সম্পাদক

দেৱাশিস বুঢাগোহাঁই

শংকৰজ্যোতি চৌধুৰী



বার্ষিক সাহিত্য আলোচনী

নৱম সংখ্যা ।। ২০২৬

কে চি দাস কমার্চ কলেজ লিটাৰেৰি ফ'ৰাম

# দ্রষ্টা

## DRASTA.....




সম্পাদক ঃ

দেৱাশিস বুঢ়াগোহাঁই

শংকৰজ্যোতি চৌধুৰী

**DRASTA:** A yearly magazine of K C Das Commerce College edited by Debasish Buragohain and Sankarjyoti Choudhury, published by K C Das Commerce College Literary Forum, published on 2026.

## সম্পাদনা সমিতি


| | |
|---|---|
| ড° হৃষীকেশ বৰুৱা, উপদেষ্টা | **Dr. Hrishikesh Baruah**, Advisor |
| দেৱাশিস বুঢ়াগোহাঁই, সম্পাদক | **Debasish Buragohain**, Editor |
| শংকৰজ্যোতি চৌধুৰী, সম্পাদক | **Sankarjyoti Choudhury**, Editor |

## কে চি দাস কমার্চ কলেজ লিটাৰেৰি ফ'ৰাম

| | |
|---|---|
| পূর্ণিমা সিং, সভাপতি | **Purnima Singh**, President |
| কল্পনা দত্ত ধৰ, সম্পাদক | **Kalpana Dutta Dhar**, Secretary |
| চিন্ময়ী দাস, কোষাধ্যক্ষ | **Chinmayi Das**, Treasurer |
| ড° স্বপ্না স্মৃতি মহন্ত, সদস্য | **Dr. Swapna Smriti Mahanta**, Member |
| দেৱাশিস বুঢ়াগোহাঁই, সদস্য | **Debasish Buragohain**, Member |
| ড° শ্রাৱণী ভদ্র, সদস্য | **Dr. Shrabani Bhadra**, Member |
| ড° প্রার্থনা বৰুৱা, সদস্য | **Dr. Prarthana Barua**, Member |
| অর্চনা বৰা, সদস্য | **Archana Bora**, Member |
| অঞ্জিতা বৰা, সদস্য | **Anjita Bora**, Member |
| শংকৰজ্যোতি চৌধুৰী, সদস্য | **Sankarjyoti Choudhury**, Member |
| সুদীপ্তা কর্মকাৰ, সদস্য | **Sudipta Karmakar**, Member |

বেটুপাত, অংগসজ্জা আৰু ডিটিপি ঃ **দেৱাশিস বুঢ়াগোহাঁই**
প্রকাশ ঃ **৭ নৱেম্বৰ, ২০২৬**

(© 2026, Drasta. All rights Ôreserved by K C Das Commerce College, Guwahati.
© (s) of the used images are reserved by the respective owner(s))


সোঁৱৰণত বুলি লিখো কেনেকৈ ?
অসমৰ হিয়াৰ আমঠু...
হাৰ্টথ্ৰ'ব...
অসমীয়া সংগীতৰ মহানায়ক...



# দ্রষ্টা

নৱম সংখ্যা ।। ২০২৬

# সূচীপত্র


— **অধ্যক্ষৰ একলম** ... ৬
— **সম্পাদকীয় ।। জুবিন জেনেৰেশ্যন** ... ৭
— **পুৰণি আলোচনীৰ পাত লুটিয়াই** ... ১২

**অসমীয়া শাখা**

■ **প্ৰবন্ধ**

অসমীয়া ভাষা- আত্ম অধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম ঃঃ ৰিয়ন ৰৰা ... ১৭
বৰ্তমান যুগৰ শিক্ষা ব্যৱস্থা আৰু ইয়াৰ প্ৰভাৱ ঃঃ ৰিকি বিশ্বাস ... ২৭

■ **গ্ৰন্থ সমালোচনা**

মাকাম- এক আলোচনা ঃঃ কিশোৰ ভূঞা ... ৩১
মোৰো এটা সপোন আছে ঃঃ হিমাদ্ৰী ডেকা ... ৩৪

■ **চুটিগল্প**

মোৰ নাম নীৰেন ৰৰা ঃঃ আকাংক্ষা তামুলী ... ৩৭
ব্যস্ততা ঃঃ আয়ুস দাস ... ৪৪

■ **কবিতা** ... ৪৭

শান্তনু কাকতি ।। চিন্ময় মহন্ত

বাংলা শাখা

■ **প্রবন্ধ**

অসমিয়া রোমান্টিককাব্যে রবীন্দ্রানুরণন ঃঃ ড° নীলমোহন রায় ... ৪৮

স্বামীজীর স্বপ্নের ভারত-নারী ঃঃ কল্পনা দত্ত ধর ... ৬১

■ **গল্প**

বিশ্বাস-এক ব্যবহারিক শব্দ ঃঃ মিনাকশ্রী সরকার ... ৬৫

■ **কবিতা** ... ৬৬

সুকন্যা ধর ।। পীযূষ কংস বণিক ।। সুখেন ধর ।। কাবেরী দাস

**English Section**

■ **Article**

The Evolution of Tejimola... | Kaniksha Debnath ... 69

The Poppy's Allure: Opium Symbolism... | Debarna Datta ... 77

Is Happiness Measurable? | Akash Deka ... 82

**हिन्दी शाखा**

■ **निबन्ध**

वैश्विक मानवता और शांति हासिल करने... | दीपक कुमार बरकाकाती ... 85

वर्तमान परिदृश्य में कबीर वाणी की प्रासंगिकता | पूर्णिमा सिंह ... 90

डिजिटल होता बचपन | उमराना खातून ... 93

विद्यार्थी जीवन का मौन संघर्ष | रौशन कुमार ... 95

नारी शक्ति – सृजन से संघर्ष तक | निशात सारिका लस्कर ... 97

■ **कविता** ... 99

चिन्मयी दास | राधिका पारीक | शिवम कुमार पंडित


**— Ex-Editors of *Drasta***



# অধ্যক্ষৰ একলম

বৰ্তমান সময়ত জ্ঞানৰ পৰিসৰ ক্ৰমাৎ বিভিন্ন বিশেষীকৃত ক্ষেত্ৰত বিভক্ত হৈ মূলতঃ পেছামুখী হৈ পৰিছে। কিন্তু জীৱনক সামগ্ৰিকভাৱে বুজিবলৈ হ'লে কোনো এটা বিষয়ৰ সীমাৰ মাজতে আবদ্ধ হৈ থাকিলেই নহয়। শিক্ষাই আমাক কেৱল জ্ঞান আহৰণ আৰু পেছাগত দক্ষতা অৰ্জন কৰিবলৈকে প্ৰস্তুত কৰিলেই নহ'ব; আমাৰ চৌপাশৰ জগতখনৰ প্ৰতি সংবেদনশীল হ'বলৈকো শিকাব লাগিব। এই ক্ষেত্ৰত সাহিত্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কিয়নো সাহিত্যই মানৱীয় অভিজ্ঞতাৰ এনে কিছুমান দিশৰ সৈতে আমাক পৰিচয় কৰাই দিয়ে, যিবোৰ বহু সময়ত গতানুগতিক শৈক্ষিক অধ্যয়নৰ পৰিসৰৰ বাহিৰত ৰৈ যায়।

আমাৰ চৌপাশৰ পৃথিৱীখন দ্ৰুত পৰিৱৰ্তনৰ মাজেৰে আগবাঢ়িছে। প্ৰযুক্তিৰ অগ্ৰগতিয়ে মানৱীয় যোগাযোগ আৰু সৃষ্টিশীলতাৰ পৰিসৰ বিস্তৃত কৰি তুলিছে। দূৰ-দূ�ৰণিৰ ঠাই আৰু বিভিন্ন অভিজ্ঞতাক আগতকৈ অধিক ওচৰ চপাই আনিছে। তথাপি, এই ক্ৰমবৰ্ধমান আন্তঃসংযোগৰ যুগতো পৰস্পৰৰ অভিজ্ঞতা বুজি পোৱা আৰু এজনে আনজনৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তা সমানে গুৰুত্বপূৰ্ণ হৈ আছে। সাহিত্যই আমাক ক্ষন্তেক ৰৈ চিন্তা কৰিবলৈ, আত্মবিশ্লেষণ কৰিবলৈ আৰু নিজৰ তাৎক্ষণিক অভিজ্ঞতাৰ পৰিসৰ অতিক্ৰম কৰি চাবলৈ সুযোগ দিয়ে। এনে অভিজ্ঞতাই মানৱতাৰ প্ৰতি আমাৰ বোধ অধিক গভীৰ কৰি তোলে আৰু উদাৰ তথা সহানুভূতিশীল মানসিকতা গঢ়ি তোলাত সহায় কৰে।

এই পৰিপ্ৰেক্ষিতত এখন সাহিত্য-আলোচনী কেৱল কবিতা, গল্প, প্ৰবন্ধ আৰু অন্যান্য সৃষ্টিশীল ৰচনাৰ সংকলন নহয়। ই এনে এখন মঞ্চ, য'ত কল্পনাই প্ৰকাশৰ বাট বিচাৰি পায়, ভাবৰ আদান-প্ৰদান ঘটে আৰু নৱপ্ৰজন্মই নিজৰ অনুভৱ আৰু চিন্তা প্ৰকাশ কৰাৰ আনন্দ আৱিষ্কাৰ কৰে। পঢ়া আৰু লিখাৰ অভ্যাসে শিক্ষাৰ্থীক আত্মপৰ্যালোচনা কৰিবলৈ, জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ পৰা শিক্ষা আহৰণ কৰিবলৈ আৰু জীৱনৰ জটিলতাসমূহৰ সৈতে চিন্তাশীলভাৱে সম্পৰ্ক স্থাপন কৰিবলৈ শিকায়। যিখন বাণিজ্য মহাবিদ্যালয়ত শৈক্ষিক চৰ্চা প্ৰায়ে পেছাগত জ্ঞান আৰু ব্যৱহাৰিক দক্ষতা আহৰণৰ দিশত কেন্দ্ৰীভূত হয়, তেনে এখন প্ৰতিষ্ঠানত সাহিত্য-চৰ্চাৰ এনে মঞ্চৰ গুৰুত্ব অপৰিসীম।

কে চি দাস কমাৰ্চ কলেজৰ বহুভাষিক সাহিত্য-আলোচনী *দ্ৰষ্টা*ৰ আন এটি সংখ্যা পাঠক-সমাজলৈ আগবঢ়াবলৈ পাই মই অত্যন্ত আনন্দিত হৈছোঁ। যোৱা সংখ্যাৰপৰা সম্পাদনা মণ্ডলীয়ে ছপা আৰু ডিজিটেল উভয় ৰূপতে আলোচনীখন প্ৰকাশ কৰাৰ লগতে বিভিন্ন পৃথকধৰ্মী শিতান অন্তৰ্ভুক্ত কৰাৰ যি সুস্থ পৰম্পৰাৰ আৰম্ভ কৰিছিল, সেয়া এই সংখ্যাতো বাহাল আছে। পঢ়ুৱৈসকললৈ আগ্ৰহ আৰু আন্তৰিকতাৰে *দ্ৰষ্টা*ৰ এই সংখ্যাটো আগবঢ়াই দিলোঁ।

**(ড° হৃষীকেশ বৰুৱা)**
অধ্যক্ষ




# জুবিন জেনেৰেশ্যন

'জেন্ জি' (Gen Z) শব্দটো সাম্প্রতিক সময়ত যিদৰে অসমৰ ঘৰে-সমাজে পৰিচিত হৈ পৰিছে, আগৰ কোনো প্ৰজন্মৰ ক্ষেত্ৰত এনে হোৱা নাছিল। অৱশ্যে 'প্ৰজন্ম' (Generation) সম্পৰ্কীয় এই পৰিভাষাসমূহৰ উৎপত্তি আৰু প্ৰয়োগৰ আঁৰত থকা সামাজিক প্ৰেক্ষাপটলৈ মন কৰিলে ইয়াৰ সীমাবদ্ধতাও স্পষ্ট হয়। The Lost Generation (প্ৰথম বিশ্বযুদ্ধত যুঁজা প্ৰজন্ম), The Silent Generation (দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ প্ৰজন্ম) আদি শব্দাৱলীৰ সৃষ্টি মূলতঃ পাশ্চাত্যৰ আৰ্থ-সামাজিক পৰিৱেশত। ভাৰতবৰ্ষৰ দৰে প্ৰাচ্যৰ এখন ভিন্ন আৰ্থ-সামাজিক গাঁথনিৰ দেশৰ জনগাঁথনিক এই সংজ্ঞাসমূহে সম্পূৰ্ণৰূপে সামৰি ল'ব নোৱাৰে। সেইবাবেই চীনৰ ১৯৮০-পৰৱৰ্তী ভৱিষ্যত প্ৰত্যাশী প্ৰজন্ম, ৰাছিয়াৰ প্ৰথম নন-ছোভিয়েট প্ৰজন্ম আদিৰ দৰে দেশসমূহত নিজস্ব সামাজিক বাস্তৱতাৰ আধাৰত প্ৰজন্মক সংজ্ঞায়িত কৰাৰ প্ৰয়াস দেখা যায়। অসমৰ ক্ষেত্ৰতো এনে এটা প্ৰশ্ন উত্থাপন কৰাৰ থল আছে। জন্মৱেপৰা ইণ্টাৰনেটৰ প্ৰসাৰতা লাভ কৰা প্ৰজন্ম হিচাপে যি জেন্ জিক চিহ্নিত কৰা হয়, সেই ১৯৯৭-পৰৱৰ্তী সময়ছোৱাত অসমৰ সামাজিক পৰিৱেশ আছিল সম্পূৰ্ণ পৃথক। অসম তেতিয়া গুপ্তহত্যাৰ কৰাল গ্ৰাসত। ২০০৭ চন পৰ্যন্ত লখিমপুৰৰ এখন সৰু ঠাইত অৱস্থিত আমাৰ ঘৰতে বিদ্যুৎ সংযোগ নাছিল; অসমৰ কিছুমান ঠাইত ২০১১-১২ চন পৰ্যন্তও একেই অৱস্থা আছিল। এনে পৰিস্থিতিত ডাঙৰ হোৱা প্ৰজন্মটোৰ জীৱন-বাস্তৱতাক সেই সময়ৰ আমেৰিকা,

মুম্বাই আনকি গুৱাহাটীৰ প্ৰজন্মৰ সৈতেও একে শাৰীত ৰাখিব পৰা নাযায়। অথচ এই ভিন্ন বাস্তৱতাৰ মাজতো আমাৰ প্ৰজন্মৰ সৈতে এটা নাম জন্মৱেপৰাই জড়িত হৈ আছে। সেয়া জুবিন গার্গ। ৰেডিঅ'ত, বেটেৰিৰে চলা ভিচিডিত, পথৰ কাষৰ চিডিৰ দোকানত-আমাৰ চৌদিশে জুবিন আছিল। ২০১০ চনৰ পাছত চিনেমাৰ সৈতে অধিক জড়িত হৈ পৰা জুবিনৰ সৰৱ উপস্থিতিক কিছু পৰিমাণে অগ্ৰাহ্য কৰা হৈছিল যদিও জুবিন আছিল। কায়িকভাৱে নোহোৱা হৈ যোৱাৰ পাছত তেওঁৰ উপস্থিতি অধিক শক্তিশালী ৰূপত অনুভূত হৈছে। গতিকে কাকতলীয় হ'লেও অসমৰ ১৯৯০-পৰৱৰ্তী প্ৰজন্মটোক জেন্ জি বুলি কোৱাতকৈ 'জেনে�ৰেশ্যন জুবিন' বুলি অভিহিত কৰাটোহে আমাৰ সামাজিক-সাংস্কৃতিক বাস্তৱতাৰ অধিক ওচৰৰ সংজ্ঞা হ'ব পাৰে।

জুবিনৰ আগমনৰ সৈতে এই প্ৰজন্মৰ সম্পৰ্ক কেৱল এজন গায়কৰ গীত শুনি ভাল পোৱা শ্ৰোতাৰ সম্পৰ্ক নাছিল। বিংশ শতিকাৰ অন্তিম দশকত অসমীয়া সংগীতৰ জগতখনত এটা নতুন শব্দ, নতুন ছন্দ আৰু নতুন সাংগীতিক অভিজ্ঞতাৰ সূচনা হৈছিল। সেই সময়ৰ স্মৃতি সুঁৰৰি সমুদ্ৰ কাজল শইকীয়াই লিখিছে-- "আজিৰ পৰা কুৰি বছৰৰো আগত, বিংশ শতিকা আহি যেতিয়া শেষ প্ৰান্তত উপনীত হৈছিলহি, তেনে সময়তে হঠাতে ১-২-৩-৪ (বিৱতি), ১-২-৩-৪ (বিৱতি)... এনে এক ছন্দেৰে বেছ গীটাৰৰ (Bass Guitar) শব্দ এটাৰে অসমৰ আকাশ বতাহ মুখৰিত হৈ উঠিল। এটা সম্পূৰ্ণ অচিনাকি prelude, পূৰ্বৰংগ। কিবা এটা যেন হ'বলৈ গৈ আছে, কিবা এটা যেন আহি আছে। সেই উৎকণ্ঠা আৰু কৌতুহল উদ্ৰেককাৰী বেছ গীটাৰৰ শব্দৰ আঁত ধৰিয়েই আহিল ইলেক্ট্ৰিক গীটাৰৰ নিসি- শব্দ উঠিল উচ্ছাংগলৈ। যেতিয়া ভাঁহি আহিল "বেদনাৰ জ্বলা জুই কেতিয়া নুমাবা (নুমুৱাবা) / মৰমৰ বৰষাৰে অনামিকা" বুলি যেতিয়াই বাজিল, এৰা-পথাৰত ক্ৰিকেট খেলি থকা ল'ৰাবোৰে দূৰণিৰ ক'ৰবাত সেই শব্দ শুনি ঢাপলি মেলিলে ক'ৰ পৰা আহিছে এই এক নতুন শব্দৰ উৎস বুলি। সেয়াই আছিল আৰম্ভণী।" এই আগমনৰ সময়তে যিসকল ল'ৰা-ছোৱালীয়ে জুবিনৰ গীতৰ সৈতে পৰিচিত হৈছিল, তেওঁলোকৰ বহুতেই পৰৱৰ্তী সময়তো তেওঁৰ সৈতে সম্পৰ্ক বিচ্ছিন্ন কৰা নাছিল। ভূপেন হাজৰিকাৰ আৱেশত থকা এটা প্ৰজন্মই 'ফাউল খেলা শিল্পী' বুলি জুবিনক প্ৰত্যাখ্যান কৰি আহিলেও এই নতুন প্ৰজন্মৰ এটা অংশই তেওঁক নিজৰ কৰি লৈছিল। সময়ৰ লগে লগে সেই সম্পৰ্কই এনে ৰূপ ল'লে যে জুবিন কেৱল জনপ্ৰিয় শিল্পী হৈ নাথাকিল, এটা পন্থ (Cult)লৈ পৰিণত হ'ল।

জুবিনৰ এই জনপ্ৰিয়তাৰ কাৰণ কেৱল তেওঁৰ কণ্ঠৰ মাধুৰ্যত বিচাৰিলে বিষয়টোৰ এটা গুৰুত্বপূৰ্ণ দিশ বাদ পৰি যাব। অতি মিঠা আৰু সুৰদী কণ্ঠৰ শিল্পীৰ আগমন জুবিনৰ ক্ষেত্ৰতেই প্ৰথম নহয়। তেওঁৰ সমসাময়িক কেকে, ছনু নিগম, শ্ৰেয়া ঘোষাল আদিৰ উদাহৰণ আমাৰ সন্মুখতে আছে। তেন্তে জুবিনৰ জনপ্ৰিয়তাই অসমৰ সমাজ জীৱনত এনে ব্যাপকতা লাভ কৰাৰ কাৰণ কি? এই প্ৰশ্নৰ উত্তৰ

বিচাৰিবলৈ হ'লে জুবিনৰ আগমনৰ সময়ছোৱাৰ সামাজিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটলৈ উভতি চাব লাগিব। ভূপেন হাজৰিকাৰ প্ৰভাৱ ক্ৰমশঃ ম্লান হৈ অহাৰ সময়তে অসমীয়া গীতৰ জগতখনত এক উদাসীনতাৰ পৰিৱেশ সৃষ্টি হৈছিল। চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ বিপৰীতে ব্যক্তিগত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰসাৰতা বাঢ়িবলৈ লৈছিল। আলফাৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে চলোৱা বিদ্ৰোহ দমনৰ অভিযানৰ ফলত অসমৰ সমাজ জীৱনত এক চেপা-গোমা পৰিৱেশে বিৰাজ কৰিছিল। একে সময়তে ভাৰতীয় অৰ্থনীতিৰ উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ ফলত অসমলৈ বিভিন্ন বিদেশী সোৱাদৰ প্ৰৱেশ ঘটিছিল। খাদ্যৰ পৰা আৰম্ভ কৰি দৃশ্য-শ্ৰাব্য সংস্কৃতিলৈকে এই পৰিৱৰ্তনৰ প্ৰভাৱ পৰিছিল। এনে এক সময়তে জুবিনে অসমীয়া গীতৰ জগতখনত নতুন ৰূপত প্ৰৱেশ কৰিলে। কেৱল হিন্দী-ইংৰাজী গীতৰ প্ৰতি আকৰ্ষিত হ'বলৈ আৰম্ভ কৰা প্ৰজন্মটোক অসমীয়া গীতৰ সৈতে পুনৰ সংযুক্ত কৰা, অসমীয়া সংগীতৰ উদাসীনতাক নতুন ৰূপত উজ্জীৱিত কৰা আৰু বিদেশী সাংস্কৃতিক প্ৰভাৱৰ মাজত থলুৱা সোৱাদৰ এটা গুৰুত্বপূৰ্ণ উৎস হৈ উঠা- এই সকলোবোৰ দিশ একেলগে বিবেচনা কৰিলেহে জুবিনৰ জনপ্ৰিয়তাৰ ব্যাপকতাক বুজিব পৰা যায়। অসমৰ সেই অন্ধকাৰ আৰু চেপা-গোমা সামাজিক পৰিৱেশৰ মাজত মানুহৰ সাংস্কৃতিক জীৱনলৈ কিছু সজীৱতা কঢ়িয়াই অনাৰ ক্ষেত্ৰতো জুবিনৰ ভূমিকা আছিল উল্লেখযোগ্য।

“
কেৱল হিন্দী-ইংৰাজী গীতৰ প্ৰতি আকৰ্ষিত হ'বলৈ আৰম্ভ কৰা প্ৰজন্মটোক অসমীয়া গীতৰ সৈতে পুনৰ সংযুক্ত কৰা, অসমীয়া সংগীতৰ উদাসীনতাক নতুন ৰূপত উজ্জীৱিত কৰা আৰু বিদেশী সাংস্কৃতিক প্ৰভাৱৰ মাজত থলুৱা সোৱাদৰ এটা গুৰুত্বপূৰ্ণ উৎস হৈ উঠা- এই সকলোবোৰ দিশ একেলগে বিবেচনা কৰিলেহে জুবিনৰ জনপ্ৰিয়তাৰ ব্যাপকতাক বুজিব পৰা যায়।
”

কিন্তু জুবিনৰ সাংগীতিক পৰিচয়ৰ সৈতে জড়িত আন এটা প্ৰশ্নও আছে। বিভিন্ন সময়ত তেওঁৰ বিৰুদ্ধে উত্থাপিত হোৱা অভিযোগসমূহৰ ভিতৰত এটা গুৰুত্বপূৰ্ণ অভিযোগ হ'ল যে সকলো ধৰণৰ গীত গাবলৈ গৈ তেওঁ নিজৰ স্বকীয়তা হেৰুৱাই পেলাইছিল। সমুদ্ৰ কাজল শইকীয়াৰ মতে-- “এটা শিল্প-ৰূপত জুবিন ওজা হৈ উঠক সেইটো অসমৰ ৰাইজে কোনোদিনেই বিচৰা নাছিল। সময়ে সময়ে অৱসৰৰ আমোদ প্ৰদান কৰি থাকিবলৈকে অসমৰ মানুহে জুবিনক বিচাৰিলে।” অৰিন্দম বৰকটকীয়েও এই প্ৰসংগত লিখিছে--- “যোৱা ত্ৰিশটা বছৰত জুবিন নোহোৱাকৈ কোনো অনুষ্ঠানৰ সম্পূৰ্ণ সফলতা নাহে বুলি স্বীকৃত হৈছিল।... আত্মপ্ৰতিষ্ঠাৰ এই যুঁজত জুবিন ব্যৱহৃত হোৱাটো এটা জাতীয় ট্ৰেজেডী বুলিয়েই ভাবোঁ।” আনহাতে, মৈত্ৰেয়ী পাটৰে প্ৰশ্ন কৰিছে-- “জুবিন নামৰ বিহু গায়ক এজন



পৰৱৰ্তী সময়ত ৰাইজে-বজাৰে কৰা দাবীৰ প্ৰতি সঁহাৰি জনাই তেওঁ বিপুল পৰিমাণৰ বিহুগীত গাবলৈ ধৰিলে। এই পৰিৱৰ্তনক কেৱল এগৰাকী শিল্পীৰ সাংগীতিক পৰীক্ষা-নিৰীক্ষাৰ ৰূপত চালেই নহ'ব, ইয়াৰ সৈতে পুঁজিবাদী বজাৰ সংস্কৃতিয়ে শিল্পক দ্ৰব্য হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱা প্ৰক্ৰিয়াটোৰো সম্পৰ্ক আছে।

জানো অসমক লাগিছিল? সেইজন গায়ক সৃষ্টি কৰোঁতে আমি বাৰু কিমানজন জুবিন গাৰ্গক কেইবাৰ হত্যা কৰিছিলোঁ।" এই বক্তব্যসমূহৰ মাজত শিল্পী হিচাপে জুবিনৰ নিজস্ব সাংগীতিক যাত্ৰা আৰু সমাজে তেওঁৰ পৰা কৰা প্ৰত্যাশাৰ মাজৰ সংঘাতটো পৰিলক্ষিত হয়। বৰগীত, বিহুগীত, লোকগীত আদি গাব নোৱাৰে বুলি জুবিনৰ বিষয়ে যি ধাৰণাৰ সৃষ্টি হৈছিল, সেই ধাৰণাক প্ৰত্যাহ্বান জনাবলৈকে হয়তো আৰম্ভণিতে তেওঁ এই গীতসমূহত কণ্ঠ নিগৰাইছিল। পৰৱৰ্তী সময়ত ৰাইজে-বজাৰে কৰা দাবীৰ প্ৰতি সঁহাৰি জনাই তেওঁ বিপুল পৰিমাণৰ বিহুগীত গাবলৈ ধৰিলে। এই পৰিৱৰ্তনক কেৱল এগৰাকী শিল্পীৰ সাংগীতিক পৰীক্ষা-নিৰীক্ষাৰ ৰূপত চালেই নহ'ব; ইয়াৰ সৈতে পুঁজিবাদী বজাৰ সংস্কৃতিয়ে শিল্পক দ্ৰব্য হিচাপে ব্যৱহাৰ কৰিবলৈ লোৱা প্ৰক্ৰিয়াটোৰো সম্পৰ্ক আছে। জনপ্ৰিয়তাৰ চাহিদাই যেতিয়া শিল্পীৰ সৃষ্টিৰ পৰিসৰ আৰু সাংগীতিক যাত্ৰাৰ দিশ নিৰ্ধাৰণ কৰিবলৈ ধৰে, তেতিয়া শিল্পীৰ স্বকীয়তা আৰু সমাজৰ প্ৰত্যাশাৰ মাজত সংঘাতৰ সৃষ্টি হোৱাটো অস্বাভাৱিক নহয়।

অৱশ্যে জুবিনৰ সাংগীতিক যাত্ৰাক কেৱল বজাৰৰ চাহিদা পূৰণৰ সৈতে একাকাৰ কৰিলেও তেওঁৰ জনপ্ৰিয়তাৰ সম্পূৰ্ণ ব্যাখ্যা পোৱা নাযায়। তেওঁ জ্যোতি-বিষ্ণু-পাৰ্বতী-ভূপেনৰ গীতসমূহত কণ্ঠ নিগৰাইছিল, বৰগীত আৰু লোকগীততো কণ্ঠৰ মাধুৰ্যৰে শ্ৰোতাক আকৰ্ষণ কৰিছিল। জুবিনে গোৱা বিহুগীত গাঁৱৰ হুঁচৰিতো গোৱা আৰম্ভ হ'ল। এইবোৰৰ ফলতে তেওঁৰ গীতৰ পৰিসৰ কোনোবা এক মাত্ৰাত সীমাবদ্ধ হৈ নাথাকি অসমৰ বিভিন্ন প্ৰান্তৰ মানুহৰ দৈনন্দিন সাংস্কৃতিক জীৱনৰো অংশ হৈ পৰিল। আৰম্ভণিতে সৃষ্টি হোৱা সাংগীতিক পৰিচয়ৰ পৰা আঁতৰি আহি বিভিন্ন ধাৰাৰ গীত গাবলৈ আৰম্ভ কৰাটো তেওঁৰ স্বকীয়তা হেৰুৱাৰ লক্ষণ আছিল নে অসমৰ সমাজ জীৱনৰ অধিক বিস্তৃত অংশৰ সৈতে সংযুক্ত হোৱাৰ প্ৰক্ৰিয়া

আছিল, সেই প্ৰশ্নৰ উত্তৰ সহজ নহয়। কিন্তু এইটো ক'ব পাৰি যে বিভিন্ন ধৰণৰ গীতৰ মাজেৰে জুবিনে অসমৰ বিভিন্ন স্তৰৰ মানুহৰ মাজত নিজৰ স্থান গঢ়ি তুলিছিল। তেওঁৰ জনপ্ৰিয়তা কোনো এটা নিৰ্দিষ্ট শ্ৰোতা-গোষ্ঠীৰ মাজতে সীমাবদ্ধ হৈ নাথাকিল। বৰং তেওঁ অসমৰ প্ৰায় প্ৰতিখন ঘৰৰে সন্তান হৈ পৰিল। সেইবাবেই জুবিনক লৈ মানুহৰ আৱেগ আৰু আকুলতা কেৱল এগৰাকী জনপ্ৰিয় গায়কৰ প্ৰতি থকা আকৰ্ষণতে সীমাবদ্ধ নহয়। ইয়াৰ মাজত নিজস্ব স্মৃতি, অভিজ্ঞতা আৰু সাংস্কৃতিক আত্মীয়তাও জড়িত হৈ আছে। সেই আৱেগৰেই যেন প্ৰকাশ ঘটিল অসমৰ মানুহৰ এই আহ্বানত-- এটাই জীৱন, এজনেই জুবিন!

জুবিন গাৰ্গৰ সৈতে অসমৰ মানুহৰ সম্পৰ্ক যে সকলোৰে ক্ষেত্ৰত একে নহয়, সেই কথাও মন কৰিবলগীয়া। কাৰোবাৰ বাবে তেওঁ 'অনামিকা', 'মায়া', 'পাখি'ৰ জুবিন; আন কাৰোবাৰ বাবে 'দীনবন্ধু' বা 'মন যায়'ৰ জুবিন। কিছুমানৰ বাবে তেওঁ 'জোনবাই' আৰু 'মৰমজান'ৰ জুবিন, আন কিছুমানৰ বাবে 'মিছন ছাইনা' বা 'কাঞ্চনজংঘা'ৰ জুবিন। বিহু মঞ্চত গীত পৰিৱেশন কৰা শিল্পীজনো বহু মানুহৰ বাবে জুবিনৰ এটা চিনাকি ৰূপ। ইয়াৰ বিপৰীতে বান সাহায্য, গছ বচোৱা আৰু কা-বিৰোধী আন্দোলনৰ সৈতে জড়িত জুবিন গাৰ্গহে বহু মানুহৰ অধিক প্ৰিয় জুবিন গাৰ্গ। এই পৃথক পৃথক পৰিচয়সমূহৰ আঁৰত থকা স্মৃতি আৰু অভিজ্ঞতাও পৃথক। অথচ এই সকলোবোৰ পৰিচয় একেটা নামতে মিলিত হৈছে। জুবিন গাৰ্গে নিজৰ জীৱন আৰু কৰ্মৰ মাজেৰে এই ভিন্ন পৰিচয়সমূহক সামৰি লৈছিল বাবেই হয়তো তেওঁ অসমৰ মানুহৰ মাজত এনে ব্যাপক গ্ৰহণযোগ্যতা লাভ কৰিলে। এতিয়া তেওঁ কায়িকভাৱে আমাৰ মাজত নথকাৰ পাছতো এই পৰিচয়সমূহৰ কোনো এটা হেৰাই নাযায়। প্ৰত্যেকেই নিজৰ অভিজ্ঞতা আৰু আৱেগৰ আধাৰত মানসপটত গঢ়ি লোৱা জুবিনৰ ৰূপটোক নিজ নিজ হৃদয়ত ধাৰণ কৰি ৰাখিব।

**প্ৰসংগসূত্ৰ ঃ**


বৰকটকী, অৰিন্দম। "গভীৰ মানৱীয় শিল্পীসত্তা"। শংকৰ লস্কৰ সম্পাদিত *প্ৰাণৰ জুবিন*। দৈনিক অসম প্ৰকাশন। ছেপ্টেম্বৰ, ২০২৬। পৃ. ৫৮-৬২।


পাটৰ, মৈত্ৰেয়ী। "জেনেৰেচন জুবিন প্ৰসংগ, প্ৰাসংগিকতা, প্ৰশ্ন"। শংকৰ লস্কৰ সম্পাদিত *প্ৰাণৰ জুবিন*। দৈনিক অসম প্ৰকাশন। ছেপ্টেম্বৰ, ২০২৬। পৃ. ৮৬-৯০।

শইকীয়া, সমুদ্ৰ কাজল। "জুবিন গাৰ্গৰ সন্ধানত।" https://assam.nenow.in/an-article-by-samudra-kajal-saikia/, last accessed 2026/10/26.


শংকৰ জ্যোতি চৌধুৰী

# পুৰণি আলোচনীৰ পাত লুটিয়াই...

(মহাবিদ্যালয়খনিয়ে এই বর্ষত ৪৩ বছৰ সম্পূর্ণ কৰিলে। এই মহাবিদ্যালয়খনৰ প্রতিষ্ঠা আৰু পৰৱর্তী সময়ৰ সমৃদ্ধিৰ সৈতে বহু জনা-অজানা মানুহৰ ত্যাগ-পৰিশ্রম নিহিত হৈ আছে। তাৰ উপৰি পুৰণি আলোচনীত প্রকাশিত বিভিন্ন লেখাবোৰ আজিও সমানেই প্রাসংগিক। এইসমূহ প্রসংগ সোমাই থকা পুৰণি আলোচনীৰ সৈতে নতুনৰ যোগসূত্র স্থাপন কৰাৰ উদ্দেশ্যেৰে এই শিতানটো আৰম্ভ কৰা হৈছে।)




*দ্রষ্টাৰ* এই সংখ্যাত প্রকাশিত লেখাটো
*কে চি দাস কমার্চ কলেজ আলোচনী-২০০৫-০৬ (দশম সংখ্যা)*ৰপৰা
সংগ্রহ কৰা হৈছে।

# কে. চি. দাস কমার্চ কলেজ আলোচনী

দশম সংখ্যা ঃ ২০০৫-২০০৬

K. C. DAS COMMERCE COLLEGE LIBRARY
Estd. 1983
Date .....

# K. C. DAS COMMERCE COLLEGE MAGAZINE

10TH ISSUE : 2005-2006

*Teacher-in-charge*
**Ms. Jayashree Pathak**

*Joint Editor*
**Jyoti Singhvi**
**Hamidur Rahman**

# অন্তৰংগ আলাপত অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত কনকসেন ডেকা

*অসমৰ সংবাদ জগতত দপ্‌দপাই থকা অসম সাহিত্য সভাৰ একেবাহে দুবাৰকৈ সভাপতিৰ আসন সালংকৃত কৰা কনকসেন ডেকা অসমৰ এটি নাম। 'নতুন পুৰুষে যুক্তিৰ আধাৰত নতুন সমাজ গঢ়ক' বাণীৰে খ্যাত মাননীয় ডেকাদেৱ ১৯৩৩ চনৰ ১৬ জুলাই তাৰিখে অবিভক্ত কামৰূপ জিলাৰ (বৰ্তমানৰ নলবাৰী জিলাৰ) বেলশৰ নামে ঠাইত জন্ম লাভ কৰে। পিতৃ ৺গৌৰীসেন ডেকা আৰু মাতৃ তৰাসেন ডেকা। প্ৰবল উৎসাহী, স্বাৱলম্বীতাপিপাসু শ্ৰীডেকা বেক-গিয়েৰ নথকা এখন যান। মুৰত মুগা টুপী পৰিহিত অসমীয়া পুৰুষজনৰ লগত কথা পাতিলে আজিও তেখেতক ডেকা বয়সীয়া যেন লাগে। এইজনা মহান পুৰুষৰ লগত আমি এক অন্তৰঙ্গ আলাপত মিলিত হৈছিলো। আমি আগবঢ়োৱা কেইটিমান প্ৰশ্নৰ তেখেতে সাৱলীল ভাষা-বিন্যাসেৰে যিদৰে সলসলীয়াকৈ উত্তৰ দি গৈছিল তাৰ লিখিত ৰূপ পাঠক ৰাইজৰ আগত দাঙি ধৰিলো—*



**?** *অসমত প্ৰচলিত শিক্ষাৰ পৰিবেশৰ ওপৰত আপোনাৰ মতামত কেনেকুৱা?*

ডেকা ঃ বৰ্তমান অসমৰ যিটো শিক্ষা ব্যৱস্থা এইটোৱে বৃটিছৰ শিক্ষা পদ্ধতিৰ ধাৰাৰে আগবাঢ়িছে। বৃটিছৰ উদ্দেশ্য আছিল যাতে এনে শিক্ষাৰ দ্বাৰা এচাম কেৰাণীগিৰি কৰা মানুহ ওলাই যিসকলৰ মগজুৰ স্বাভাৰিক তথা স্বাধীন বিকাশ নহয়। আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ পাছতো পূৰ্বৰ শিক্ষাৰ ধাৰাটোকেই অব্যাহত ৰাখিছে। তাৰ ফলস্বৰূপে মানৱ সম্পদৰ প্ৰচুৰ অপচয় ঘটিছে। প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীকে একেটা ধাৰাৰে শিক্ষাদান কৰা হয়। কিন্তু তেওঁলোকৰ প্ৰত্যেকৰে নিজস্ব প্ৰতিভাৰ ওপৰত গুৰুত্ব দিয়া নহয়। সেয়েহে ছাত্ৰৰ মাজত থকা বিভিন্ন প্ৰতিভাৰ অপচয় ঘটিছে আৰু এনে এটি ধাৰাৰে শিক্ষা ব্যৱস্থা আগবাঢ়িছে যিয়ে ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক নিৰ্মূল কৰি পেলাইছে। আমাক এনে শিক্ষাহে লাগে যি শিক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ প্ৰত্যেকৰে সুপ্ত প্ৰতিভাৰ যথোচিত বিকাশ হয়।

? *অসমত বাণিজ্য শিক্ষাৰ প্ৰসাৰক লৈ অনেক চিন্তা-চৰ্চা চলিছে। বাণিজ্য শিক্ষাৰ লগত অসমৰ ভবিষ্যৎ কিমানখিনি জড়িত বুলি আপুনি ভাবে?*

ডেকা ঃ মানুহ সভ্য হোৱাৰ লগে লগে মুদ্ৰাৰ ব্যৱহাৰ হৈছে আৰু তাৰ লগে লগে ব্যৱসায় বাণিজ্যবো সম্প্ৰসাৰণ ঘটিছে। গতিকে সভ্য সমাজৰ বাবে ব্যৱসায়-বাণিজ্য এক অপৰিহাৰ্য অংগ হৈ পৰিছে। এই ক্ষেত্ৰত অসম এতিয়াও বহুত পিছ পৰি আছে। ইয়াৰ কাৰণ অসমীয়া সমাজত জনজাতীয় চৰিত্ৰ। জনজাতীয় সমাজত সাধাৰণতে বিনিময় প্ৰথা চলে আৰু তাৰ ফলস্বৰূপে বজাৰ অৰ্থনীতিয়ে গা কৰি উঠাৰ সুযোগ নাপায়। মোগল ৰাজত্বৰ যিটো সময়ত অসমৰ বাহিৰত বজাৰ অৰ্থনীতিৰ ৰমৰমীয়া পৰিৱেশ গঢ়ি উঠিছিল সেই সময়ত অসমত বিনিময় প্ৰথাৰহে প্ৰচলন হৈছিল। মুদ্ৰাৰ প্ৰচলন কাচিৎহে হৈছিল, সিও আন দেশৰ সৈতে ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত। সেই হেতুকে ব্যৱসায় বাণিজ্যৰ ধাৰা অসমত বহুত পলমকৈ আৰম্ভ হয় আৰু আজিও অসমৰ মানুহে বজাৰ অৰ্থনীতিৰ তাৎপৰ্য্য হৃদয়ঙ্গম কৰিবলৈ সক্ষম হোৱা নাই। বজাৰ অৰ্থনীতিৰ অন্যতম বৈশিষ্ট্য হ'ল সঞ্চয়; কিয়নো সঞ্চয় অবিহনে মূলধন গঢ়ি উঠিব নোৱাৰে আৰু মূলধন নহ'লে ব্যৱসায়-বাণিজ্য-উদ্যোগ হ'ব নোৱাৰে। কিন্তু অসমীয়া মানুহৰ আজিও সঞ্চয়ৰ প্ৰতি অনুৰাগ গঢ়ি উঠা নাই। অসমীয়াৰ 'আকালো নাই, ভঁৰালো নাই' বুলি প্ৰায়েই কোৱা হয়। গতিকে সাম্প্ৰতিককালত ব্যৱসায়-বাণিজ্যৰ প্ৰাসঙ্গিকতা কিমান সেইটো জনসাধাৰণক অৱগত কৰাব লাগিব আৰু যুৱক-যুৱতীসকলক সেই ধাৰাৰে আগবঢ়াই নিয়াৰ চেষ্টা কৰিব লাগে। তদুপৰি বজাৰ অৰ্থনীতিৰ সতে সময়ৰ সদ্ব্যৱহাৰ আৰু কৰ্ম তৎপৰতাও জড়িত হৈ থাকে। সফল ব্যৱসায়ী এজনে সময়ৰ সদ্ব্যৱহাৰ কৰে আৰু তেওঁৰ কামৰ গতিও ক্ষিপ্ৰতৰ হোৱা দেখা যায়।

? *কলা, বিজ্ঞান শিক্ষাৰ স্নাতক হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীয়ে আকৌ আন শিক্ষা গ্ৰহণ কৰি জীৱিকা নিৰ্বাহ কৰিবলগীয়া হয়। অন্যথা ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত বগা-হাতীত পৰিণত হোৱা যেন লাগে। ইয়ে মানৱ সম্পদৰ কেনে ব্যৱহাৰক বুজায়?*

ডেকা ঃ ইয়াৰ ফলস্বৰূপে মানৱ সম্পদৰ প্ৰচুৰ অপচয় ঘটিছে।

? *অসমত দোপতদোপে বাটি অহা ইংৰাজী ভাষাৰ স্পৃহাই অসমীয়া ভাষাৰ ওপৰত ভাবুকিৰ সৃষ্টি কৰা বুলি এচামে ক'ব খোজে। এই দিশত অসম সাহিত্য সভাই কিবা পদক্ষেপ লৈছে নেকি?*

ডেকা ঃ অসম সাহিত্য সভাৰ চেষ্টাতেই ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত অসমীয়া ভাষা বাধ্যতামূলক হৈছে। সাম্প্ৰতিক পৰিস্থিতিত মাতৃভাষাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ প্ৰয়োজন হৈ পৰিছে। কিন্তু প্ৰাথমিক আৰু মাধ্যমিক স্তৰত মাতৃভাষা শিক্ষা যে অপৰিহাৰ্য সেই কথা বিশেষজ্ঞসকলেও মানি লৈছে। কিন্তু এচাম লোকৰ হীনমান্যতা হেতুকে মাতৃভাষা শিক্ষাৰ গুৰুত্ব নোপোৱাটো দুৰ্ভাগ্যজনক।

? *অসমীয়া ভাষা-সাহিত্যানুৰাগী সৃষ্টিৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ কৰণীয় কি?*

ডেকা ঃ অসম সাহিত্য সভাই লেখক সৃষ্টি কৰিব নোৱাৰে। কেৱল লেখকৰ বাবে অনুকূল পৰিৱেশ গঢ়ি তুলিব পাৰে। বহুতো ভুল-ত্ৰুটিৰ মাজেৰেও সাহিত্য সভাই সেই কাম কৰিবলৈ চেষ্টা কৰি আহিছে। অৱশ্যে এই ক্ষেত্ৰত কৰিবলগীয়া আৰু বহুতো আছে বুলি ভাবো। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে সাহিত্য সৃষ্টিও যিহেতু এবিধ কলা সেয়েহে সাহিত্য সৃষ্টিৰ বাবে নিজস্ব প্ৰতিভা আৰু প্ৰয়োজনীয় অনুশীলনী অপৰিহাৰ্য।

? *অসমৰ সাম্প্ৰতিক পৰিস্থিতিক আপুনি সমস্যা নে সমৃদ্ধি বুলি ভাবে?*

ডেকা ঃ সমস্যাসমূহ সমাধান কৰিবলৈ যদিহে আমি ভীতিগ্ৰস্ত হৈ পিছুৱাই যাও তেন্তে তাৰ পৰিণতি শোচনীয় হোৱাটোৱে স্বাভাৱিক। আনহাতে যদি সমস্যা পৰিবেষ্টিত পৰিৱেশক প্ৰত্যাহ্বান হিচাপে লৈ সমস্যাৰ মোকাবিলা কৰিবলৈ বিচাৰো তেন্তে তাৰ দ্বাৰা সমাজ আগবাঢ়ি যোৱা দেখা যায়। অসমৰ ৰাইজে এতিয়া কোনটো পন্থা গ্ৰহণ কৰে তাৰ ওপৰতেই আমাৰ উন্নতি বা অধোগতি নিৰ্ভৰ কৰিব।

? *অসমত খোপনি পুতি লোৱা উৎকোচ অপ-সভ্যতাই অসমৰ উন্নয়ন তথা মানৱ সম্পদৰ যথাযথ ব্যৱহাৰক বিকলাঙ্গ কৰি তুলিছে। এই অপ-সভ্যতা নুই কৰি মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰ কৰিবলৈ কি ব্যৱস্থা গ্ৰহণ কৰা উচিত?*

ডেকা ঃ ই এটা গুৰুতৰ অধ্যায়। ইয়াক নিৰ্মূল কৰিবলৈ ৰাইজৰ সজাগতা তথা জনমত গঠন হ'ব লাগিব। এই জনমতক কামে-কাজে বাস্তবায়িত কৰাটোৱে এই অপ-সভ্যতা নিৰ্মূল কৰাৰ একমাত্ৰ পথ। অন্যথা অসম ধ্বংস হৈ যাব।

? *অসমৰ সামগ্ৰীক উন্নতিৰ বাবে অসমৰ শাসকগোষ্ঠী কেনে হোৱা উচিত?*

ডেকা ঃ দক্ষ হোৱা উচিত।

? *কে. চি. দাস বাণিজ্য মহাবিদ্যালয়ৰ উন্নতিৰ বাবে আপোনাৰ পৰামৰ্শ?*

ডেকা ঃ মানৰ সভ্যতাৰ অগ্ৰগতিৰ চাবি-কাঠিয়েই হ'ল কৰ্ম। শ্ৰমৰ মাধ্যমতেই আজিৰ উন্নত অৱস্থা পাইছো। ব্যক্তিৰ জীৱনতেই হওক, পৰিয়ালৰ জীৱনতেই হওক অথবা সামাজিক জীৱনতেই হওক, কৰ্মৰ ওপৰতেই সকলো নিৰ্ভৰশীল। অসমত বহুবিধ খনিজ সম্পদ থকা স্বত্বেও আমি অনুন্নত হৈ আছো। এপদো খনিজ সম্পদ নথকাকৈয়ে পঞ্জাৱ অৰ্থনৈতিক উন্নয়নৰ শীৰ্ষত আছে একমাত্ৰ শ্ৰমৰ মাধ্যমত। গতিকে শ্ৰমৰ স্থান সকলোৰে ওপৰত। কে. চি. দাস বাণিজ্য মহাবিদ্যালয়ে আজিৰ উন্নত ৰূপ পাবলৈ সক্ষম হৈছে শিক্ষকসকলৰ কঠোৰ শ্ৰম আৰু সামাজিক দায়বদ্ধতাৰ হেতুকে। গতিকে ভৱিষ্যতে এই মহাবিদ্যালয়ে যাতে আৰু উন্নত পৰ্যায়লৈ শ্ৰম আৰু সামাজিক দায়বদ্ধতাৰ মাজেৰে আগবাঢ়ি যাব পাৰে তাকেই কামনা কৰিলো। শেষত মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা মহাবিদ্যালয় পৰিয়ালক শ্ৰদ্ধা আৰু মৰম যাচিলো।❑

---

*অন্তৰংগ আলাপত আঁত ধৰে মহাবিদ্যালয়ৰ গণিত-পৰিসংখ্যা বিজ্ঞান বিভাগৰ প্ৰবক্তা শ্ৰীবাপন কলিতাই।*

গাগিনী কিমান পানী?
এইবাৰ কিমান পানী?
আহিবনে আষাৰৰ আশাৰ ডাৰৰবোৰ
দিবলৈ পথাৰৰ আলসুৰা আঁচলত মৰম সানি?
গাগিনী কিমান পানী?
এইবাৰ কিমান পানী?
টিপ্ টিপ্ চকুলোৰে আকাশে কান্দিব জানো
গ'লি গ'লি মৰমত বৰাগী মাটিৰ দেখি শুকান বননি?
গাগিনী কিমান পানী?
এইবাৰ কিমান পানী?
ভাদৰ ভদীয়া ঢলে পানী সিঁচি যাব জানো
লখিমী সোমাবহি আঘোণৰ বাট চিনি চিনি?

—নৱকান্ত বৰুৱা

# অসমীয়া অসমীয়া

অ তি থি . লে খা

## অসমীয়া ভাষা ঃ আত্ম অধিকাৰ প্রতিষ্ঠাৰ সংগ্রাম

ৰিয়ন বৰা

অসম উত্তৰ-পূব ভাৰতৰ এখন উল্লেখযোগ্য ৰাজ্য। অসমীয়া ভাষা অসমৰ প্রধান ৰাজ্যিক ভাষা আৰু নব্য ভাৰতীয় আর্য ভাষাৰ অন্তর্গত অসমৰ মূল সংযোগী ভাষা অসমীয়াই সবলৰূপত আত্মপ্রতিষ্ঠা লাভ কৰাৰ ক্ষেত্রত বহুতো প্রত্যাহ্বানৰ সন্মুখীন হৈছিল। ১৯০৮ চনত অসমীয়া ভাষাটোৱে স্নাতক পর্যায়ত আৰু ১৯৩৮ চনত স্নাতকোত্তৰ পর্যায়ত কলিকতা বিশ্ববিদ্যালয়ত এটা বিষয় হিচাপে অন্তর্ভুক্ত হয়। ২০২৪ চনত ভাষাটোৰ ধ্রুপদী ভাষাৰ মর্যাদা লাভে যথেষ্ট পৰিমাণে ভাষাটো আগুৱাই লৈ যোৱাৰ পথ প্রশস্ত কৰিছে। কিন্তু অসমীয়া ভাষাটোৱে অনেক যুগৰ অনুকূল আৰু প্রতিকূল অৱস্থাৰ মাজেদিহে সাম্প্রতিক স্থিতি লাভ কৰিছে। বর্তমান অসমীয়া ভাষা-সাহিত্য হেজাৰ বছৰৰ ক্রম পৰিণতিৰ ফল। অসমত সংঘটিত হোৱা বিভিন্ন বিদ্রোহ, মহামাৰী, আধুনিক জগতখনৰ সৈতে সম্পর্ক নথকা অসমীয়া মানুহখিনিয়ে বহুতো সমস্যাৰ সন্মুখীন হৈছিল আৰু ইয়াৰ প্রভাৰ পৰিলক্ষিত


“
১৯০৮ চনত অসমীয়া ভাষাটোৱে স্নাতক পর্যায়ত আৰু ১৯৩৮ চনত স্নাতকোত্তৰ পর্যায়ত কলিকতা বিশ্ববিদ্যালয়ত এটা বিষয় হিচাপে অন্তর্ভুক্ত হয়। ২০২৪ চনত ভাষাটোৰ ধ্রুপদী ভাষাৰ মর্যাদা লাভে যথেষ্ট পৰিমাণে ভাষাটো আগুৱাই লৈ যোৱাৰ পথ প্রশস্ত কৰিছে।
”

হৈছিল ভাষাটোৰ ওপৰত। তেনে প্ৰেক্ষাপটত অসমীয়া ভাষাটোৱে কেনেধৰণৰ প্ৰত্যাহ্বানৰ মাজেৰে কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ত এটা বিষয় হিচাপে অন্তৰ্ভুক্ত হ'ল আৰু তাৰ নেপথ্যত বিভিন্ন ব্যক্তিত্বৰ সংগ্ৰামখিনি অধ্যয়ন কৰাৰ বিশেষ প্ৰাসঙ্গিকতা আছে।

অসমত অষ্টাদশ শতিকাতে আৰম্ভ হোৱা ৰাজনৈতিক অস্থিৰতাই ঊনবিংশ শতিকালৈকে অসমত অৰাজকতাৰ সৃষ্টি কৰিছিল। মোৱামৰীয়া বিদ্রোহৰ পৰা আৰম্ভ কৰি মানৰ অসম আক্ৰমণলৈকে অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱন ভয়ংকৰভাৱে ছেদেলি-ভেদেলি হৈ পৰিছিল। লগে লগে মানুহৰ জীৱনো দুৰ্বিসহ হৈ পৰিছিল। মোৱামৰীয়া বিদ্রোহৰ ফলস্বৰূপে অসমলৈ বৃটিছ অহাৰ দু�ৱাৰ মুকলি হ'ল, দেশখন অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্ত হ'ল, কানিৰ প্ৰচলন হোৱাৰ লগতে ৰাজনৈতিক অৱস্থাও শোচনীয় হৈ পৰিল। সেই শতিকাতে আকৌ মানৰ অসম আক্ৰমণ কল্পনাতীত আছিল। মানৰ তিনিটা আক্ৰমণত কেৱল অসমৰ ৰাজনৈতিক জীৱনেই ক্ষতিগ্ৰস্ত হোৱা নাছিল, অসমৰ অৰ্থনৈতিক, সামাজিক আৰু নৈতিক দিশৰ লগতে জনসংখ্যাৰো বিস্তৰ ক্ষতি সাধন হ'ল। দেশৰ সম্পত্তি লুণ্ঠন, বহুকেইখন গাঁও জ্বলাই দিয়া, নাৰীৰ সতীত্ব হানি, পুৰুষ মহিলা সকলোকে জীৱিত অৱস্থাতে পুৰি মৰা আদিৰে মানে দেশখন জনশূণ্য দেশলৈ পৰিণত কৰিছিল। অসমীয়া মানুহে তেনে পৰিপ্ৰেক্ষিতত ইংৰাজক গ্ৰহণ কৰাটোৱেই স্বাভাবিক আছিল। ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে বৃটিছে অসমৰ শাসনভাৰ গ্ৰহণ কৰে। যিয়ে অসমৰ সমাজ সংস্কৃতিৰ ব্যাপক পৰিৱৰ্তন সাধন কৰিলে। ব্ৰিটিছসকল অসমলৈ অহাৰ পাছত অসমত পাশ্চাত্যধাৰাৰ আধুনিক যুগৰ সূচনা হৈছিল। এই আধুনিক সময়ছোৱাত অসমীয়া ভাষাৰ আত্ম প্ৰতিষ্ঠাৰ সংগ্ৰামৰ কথা আলোচনা কৰোতে অসমীয়া ভাষাৰ শৈক্ষিক, সাহিত্যিক, ভাষিক, ৰাজনৈতিক তথা প্ৰশাসনিক ক্ষেত্ৰত আত্মপ্ৰতিষ্ঠাৰ বিষয়ে অধ্যয়ন কৰাটো অতিকৈ প্ৰয়োজন।

**ক্ৰান্তিকাল (১৮২৬ -১৮৩৬) ঃ**

১৮২৬ চনটো অসমৰ বাবে বৰ গুৰুত্বপূৰ্ণ। ১৮২৬ চনত স্বাক্ষৰিত ইয়াণ্ডাবু সন্ধিয়ে কেৱল ৰাজনৈতিকভাৱেই অসমত প্ৰভাৱ পেলোৱা নাছিল, ইয়াণ্ডাবু সন্ধি আছিল অসমৰ সমাজ সংস্কৃতিৰ ব্যাপক পৰিৱৰ্তনৰ কাৰক। বৃটিছ বাহিনীৰ ফালৰ পৰা 'ছাৰ আৰ্চিবল্ড কেম্পবেল' আৰু ব্ৰহ্মদেশৰ ফালৰপৰা 'মহা মিন লা কিয়' টিন'-এ এই সন্ধিত স্বাক্ষৰ কৰিছিল। উক্ত সন্ধিৰ জৰিয়তে বৃটিছে অসমৰ শাসনভাৰ গ্ৰহণ কৰে। সেই অনুসৰি নতুন ব্যৱস্থাটোৰ মাজেৰে সোমাই যোৱা অসমৰ প্ৰশাসনিক কামকাজ নিয়াৰিকৈ পৰিচালনা কৰিবলৈ বৃটিছে শিক্ষাব্যৱস্থাৰ উন্নীতকৰণৰ ওপৰত গুৰুত্ব দিছিল। এইক্ষেত্ৰত নৰ্থ ইষ্ট ফ্ৰন্টিয়াৰৰ গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট ডেভিড স্কটে প্ৰধানকৈ মানে বিধ্বস্ত কৰি যোৱা



অসমৰ উন্নতিৰ বাবে ইয়াৰ প্ৰশাসনীয় কামকাজ পৰিচালনা সুচাৰুৰূপে কৰিবলৈ আৰু বৃটিছ চৰকাৰৰ স্থিতি সবল ৰূপত প্ৰতিষ্ঠা কৰিবলৈ আনুষ্ঠানিক শিক্ষা প্ৰসাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। 'আধুনিক অসমীয়া সাহিত্যৰ পটভূমি' গ্ৰন্থত নগেন শইকীয়াই উল্লেখ কৰিছে— "তেওঁ অনুভৱ কৰিলে যে আৰম্ভণিতে ইংৰাজী শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰাতকৈ পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ উন্নতি কৰাটোহে ভাল হ'ব।"[১] ১৮২৬ চনত তেওঁ ১১খন স্কুল খুলিলে নামনিত পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ আৰ্হিত। নতুন ব্যৱস্থাটোত ৰাজহ আৰু বিচাৰ বিভাগত আহোম ৰাজ্যৰ কিছুমান বিষয়াক নিয়োগ কৰিছিল যদিও তেওঁলোক উক্ত ব্যৱস্থাটোৰ সৈতে সম্পূৰ্ণভাৱে অপৰিচিত হোৱাত স্কটে বংগদেশৰ পৰা কৰ্মচাৰীসকল অহাৰ বাট মুকলি কৰিলে। মৃত্যুৰ পূৰ্বতেই ডেভিড স্কটে গুৱাহাটীত এখন ইংৰাজী স্কুল প্ৰতিষ্ঠাৰ প্ৰস্তাৱ দাখিল কৰে। পৰৱৰ্তী কালত জেনকিন্সেও ইংৰাজী স্কুল এখন খোলাৰ পোষকতা কৰিছিল। ভাৰত চৰকাৰেও এইক্ষেত্ৰত সহায় কৰিছিল। ১৮৩৫ চনত গুৱাহাটীত স্কুলখন প্ৰতিষ্ঠা হয়। স্কুলখনৰ প্ৰথমজন হেডমাষ্টৰ আছিল মিঃ চিঙ্গাৰ আৰু তাৰ পৰৱৰ্তীজন ৰবিন্সন। গতিকে এই সময়ছোৱাত বৃটিছ শক্তিয়ে অসমৰ শাসনভাৰ গ্ৰহণ কৰি অসমৰ শৈক্ষিক জগতখনক নতুন মাত্ৰা দিলে।

**ভাষাৰ সংঘাতৰ কাল (১৮৩৬-১৮৭৩) ঃ**

১৮২৬ চনৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ শাসনভাৰ গ্ৰহণ কৰি পৰৱৰ্তী সময়ত বংগ প্ৰশাসনৰ আওঁতাত লৈ যায়। এই সময়ছোৱাত ১৮৩৬ চনৰ এপ্ৰিল মাহত অসমৰ চৰকাৰী কাৰ্যালয় আৰু ন্যায়ালয়ত পাৰ্চী ভাষাৰ সলনি বাংলা ভাষাৰ প্ৰৱৰ্তন হৈছিল। লগে লগে বিদ্যালয়সমূহৰ শিক্ষাৰ মাধ্যম হিচাপে

১৮৩৬ চনৰ এপ্ৰিল মাহত অসমৰ চৰকাৰী কাৰ্যালয় আৰু ন্যায়ালয়ত পাৰ্চী ভাষাৰ সলনি বাংলা ভাষাৰ প্ৰৱৰ্তন হৈছিল। লগে লগে বিদ্যালয়সমূহৰ শিক্ষাৰ মাধ্যম হিচাপে বঙালী ভাষাৰ প্ৰচলন হৈছিল।

বঙালী ভাষাৰ প্ৰচলন হৈছিল। ৰবিন্সন অহাৰ পূৰ্বতে বাংলা ভাষাক অসমৰ চৰকাৰী ভাষা হিচাপে ঘোষণা কৰা হৈছিল। ইয়াৰ মূলতে থকা ব্যক্তিজন জেনকিন্স। অৰবিন্দ ৰাজখোৱাই 'ইয়াণ্ডাবু সন্ধি আৰু ভাষাৰ বিপর্যয়' (গৰীয়সী, জুন ২০২৫) শীৰ্ষক প্ৰবন্ধত লিখিছে— "বংগৰ শাসনত দীৰ্ঘকাল ধৰি ব্যৱহৃত পাৰ্চী ভাষাটো ক্ৰমাৎ জটিলতাৰ কাৰক হৈ উঠিছিল। তাৰ ঠাইত বাংলা আৰু প্ৰয়োজনমতে হিন্দুস্থানী ভাষা ব্যৱহাৰৰ উপযোগিতা সম্পৰ্কে আলোচিতও হৈছিল। হেৰম্বকান্ত বৰপূজাৰীয়ে আগবঢ়োৱা তথ্য অনুসৰি ১৮৩০ চনতে বাংলা ভাষা ব্যৱহাৰৰ উপযোগিতাৰ প্ৰশ্নটো উত্থাপিত হৈছিল। আনকি কিছু পৰ্যায়লৈকে বৈধতাও লাভ কৰিছিল। পাৰ্চী ভাষাত কাম কৰা কৰ্মচাৰী অনুপস্থিত থাকিলে কাৰ্যালয়ত কোনো বিকল্প নথকাটো ইয়াৰ অন্যতম কাৰণ আছিল। অৱশেষত ১৮৩৭ চনৰ ২০ নৱেম্বৰত পাৰ্চীৰ ঠাইত বাংলা প্ৰৱৰ্তনৰ বাবে আইন প্ৰণয়ন কৰা হ'ল।"[২]

অসমীয়া ভাষাৰ ঠাইত বাংলা ভাষা প্ৰৱৰ্তনৰ আটাইতকৈ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল ৰবিন্সনে। তেওঁৰ প্ৰথমখন ব্যাকৰণ 'A Grammar of the Assamese Language' ১৮৩৯ চনত প্ৰকাশ কৰে যদিও তেওঁৰ অসমীয়া ভাষাটোৰ প্ৰতি অলপো আস্থা নাছিল। তেওঁ 'এ

# অসমীয়া অসমীয়া

দৰাচলতে অসমত বাংলা ভাষাৰ প্ৰৱৰ্তন কিয় হ'ল সেই সম্পৰ্কে সঠিককৈ ক'তো উল্লেখ নাই। নগেন শইকীয়াই 'আধুনিক অসমীয়া সাহিত্যৰ পটভূমি' গ্ৰন্থত উল্লেখ কৰিছে— "অসমৰ কাছাৰী আৰু স্কুলসমূহত কিয় অসমীয়াৰ ঠাইত বাংলাৰ প্ৰচলন হ'ল সেইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন।


ডেচক্রিপটিভ একাউণ্ট অভ্ আছাম' নামৰ গ্ৰন্থখনত অসমীয়া মানুহৰ বিষয়ে বহুধৰণৰ ঋণাত্মক মন্তব্যও কৰিছিল। তেওঁৰ মতে অসমীয়া এটা উপভাষাহে। ৰবিন্সনৰ দৰেই জেনকিন্সেও অসমীয়া ভাষা আৰু বাংলা ভাষাৰ পাৰ্থক্য বিচাৰি নাপাই অসমীয়া ভাষা সম্পৰ্কে আটাইতকৈ ক্ষতিকাৰক সিদ্ধান্ত গ্ৰহণ কৰিছিল। যাৰ ফলস্বৰূপে অসমত অসমীয়া ভাষাৰ ঠাইত বাংলা ভাষাৰ প্ৰৱৰ্তন হৈছিল। দৰাচলতে অসমত বাংলা ভাষাৰ প্ৰৱৰ্তন কিয় হ'ল সেই সম্পৰ্কে সঠিককৈ ক'তো উল্লেখ নাই। নগেন শইকীয়াই 'আধুনিক অসমীয়া সাহিত্যৰ পটভূমি' গ্ৰন্থত উল্লেখ কৰিছে— "অসমৰ কাছাৰী আৰু স্কুলসমূহত কিয় অসমীয়াৰ ঠাইত বাংলাৰ প্ৰচলন হ'ল সেইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন। এইচ কে বৰপূজাৰীয়ে লক্ষ্য কৰিছে, "The general belief that the Amlahs were mainly instrumental in the introduction of Bengali in the schools and courts in Assam, is incorrect, unhistorical and not based on positive evidenceÊ, rather it was the authorities at the Fort William who introduced Bengali for their administrative convenience."[৩]

অসমৰ সকলো চৰকাৰী কাৰ্যালয় তথা বিদ্যালয়ত অসমীয়াৰ পৰিৱৰ্তে বাংলাভাষাৰ প্ৰৱৰ্তন হোৱাৰ ক্ষেত্ৰত বহুকেইজন সচেতন তথা অসমীয়া ভাষাটোৰ প্ৰতি দায়িত্বশীল লেখকে বিৰোধিতা কৰিছিল। আনহাতে এনে কিছুমান ব্যক্তি আছিল যিয়ে বাংলা ভাষাটো আদৰি লৈছিল। তেনে এজন ব্যক্তি হলিৰাম ঢেকিয়াল ফুকন। তেওঁ বাংলা ভাষাত এখন অসমৰ বুৰঞ্জী (১৮২৯) লিখি প্ৰকাশো কৰিছিল। উক্ত বুৰঞ্জীখনত অসমৰ লোকপৰম্পৰাৰ লগতে বৈষ্ণৱ সংস্কৃতিকো বুৰঞ্জীখনত সমালোচনাৰ কৰিছে। তেওঁৰ উপৰিও মণিৰাম দেৱানেও 'বুৰঞ্জী বিবেক ৰত্ন' গ্ৰন্থখন অশুদ্ধ বাংলাত লিখিছিল। তেওঁৰ দৃষ্টিভংগী স্বাভাৱিকতেই ফুকনতকৈ বেলেগ আছিল।

ভাষাৰ সংঘাতৰ কালছোৱাত ভাষাটোৰ পুনৰুদ্ধাৰৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে ভূমিকা গ্ৰহণ কৰিছিল মিছনেৰীসকলে। অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত মিছনেৰীসকলৰ ভূমিকা অভূতপূৰ্ব। উল্লেখযোগ্য যে মিছনেৰীসকলৰ দুটা দলৰ অসমলৈ আগমন হৈছিল। ইয়াৰে প্ৰথমটো বৃটিছ খ্ৰীষ্টান মিছনেৰী আৰু দ্বিতীয়টো আমেৰিকান বেপ্টিষ্ট মিছনেৰী। খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ বাবে বংগদেশলৈ অহা বৃটিছ খ্ৰীষ্টান মিছনেৰীসকলে বাইবেলখন অনুবাদ কৰিছিল। অসমতো ১৮১৩ চনত উইলিয়াম কেৰিয়ে

শ্ৰীৰামপুৰ মিছন প্ৰেছৰ পৰা আত্মাৰাম শৰ্মাৰ সহযোগী বাইবেলখন 'ধৰ্মপুস্তক' নামেৰে অনুবাদ কৰিছিল। যিখন অসমীয়া ভাষাৰ প্ৰথমখন ছপাপুথি। দৰাচলতে উইলিয়াম কেৰি অসমলৈ অহা নাছিল তেওঁৰ পৰিৱৰ্তে অসমলৈ আহিছিল জেমছ ৰে' নামৰ মিছনেৰীজন। যিগৰাকী ব্যক্তিয়ে অসমত প্ৰথমখন আধুনিক স্কুল স্থাপনৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়ায়। অসমীয়া ভাষাৰ উদ্ধাৰৰ ক্ষেত্ৰত আটাইতকৈ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল আমেৰিকাৰ পৰা অহা বেপ্টিষ্ট মিছনেৰীসকলে। এইক্ষেত্ৰত নাম ল'ব লাগিব ১৮৩৬ চনত ছপাশালসহ অসমলৈ অহা নাথান ব্ৰাউনৰ। অৰবিন্দ ৰাজখোৱাই 'ইয়াণ্ডাবু সন্ধি আৰু ভাষাৰ বিপর্যয়' (গৰীয়সী, জুন ২০২৫) শীৰ্ষক প্ৰবন্ধত লিখিছে— " জেনকিন্স প্ৰশাসনে অসমত খুলিবলৈ লোৱা ২১খন গ্ৰাম্য বিদ্যালয়ৰ ভাষিক মাধ্যম বাংলা কৰিবলৈ লোৱা সিদ্ধান্তৰ মুকলি প্ৰতিবাদ কৰিছিল নাথান ব্ৰাউনে।"[৪] ভাষাবিদ নাথান ব্ৰাউনে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। তেওঁ ১৮৪৮ চনত 'Grammatically notices of the Assamese Language' নামৰ কিতাপখন প্ৰকাশ কৰি অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কেইটামান উল্লেখযোগ্য যুক্তি আগবঢ়াইছে। নগেন শইকীয়াই 'আধুনিক অসমীয়া সাহিত্যৰ পটভূমি' গ্ৰন্থত উল্লেখ কৰিছে— "তেওঁ অসমীয়া ভাষাৰ বৈশিষ্টপূৰ্ণ চৰিত্ৰসমূহ আঙুলিয়াই দিছিল আৰু যুক্তি দৰ্শাইছিল যে অসমীয়াক বাংলাৰ উপভাষা বোলাটো হাঁহি উঠা কথা কাৰণ মোগল আক্ৰমণৰ আগতে অসমৰ বাংলাভাষীৰ লগত কোনো সংস্পৰ্শ নাছিল কিন্তু তাৰ বহু বছৰৰ আগতেই অসমীয়া ভাষা পূৰ্ণ প্ৰতিষ্ঠিত আছিল।"[৫]

উল্লেখযোগ্য যে ভাষাৰ সংঘাতৰ কালছোৱাতে শিৰসাগৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰথমখন অসমীয়া আলোচনী অৰুণোদই ১৮৪৬ চনত প্ৰকাশ পায়। কাকতখন ১৮৮০ খৃষ্টাব্দলৈকে প্ৰকাশ হৈছিল আৰু কাকতখনৰ সম্পাদনা কৰিছিল নাথান ব্ৰাউন, এ.এইচ. ডেনফোৰ্থ, এচ.এম. হুইটিং আদিয়ে। যদিও খ্ৰীষ্টধৰ্মৰ প্ৰসাৰৰ বাবে কাকতখন উলিওৱা হৈছিল তথাপিও ধৰ্ম, প্ৰকৃতি সম্পৰ্কীয়, বুৰঞ্জী, সমসাময়িক ঘটনা, বিভিন্ন বিজ্ঞানসম্মত কথা ইত্যাদি কাকতখনত প্ৰকাশ পাইছিল। কাকতখনে বঙলা ভাষাৰ প্ৰচলনৰ বিৰোধিতা কৰি অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়ায়। ভাষাৰ সংঘাতৰ কালছোৱাত অসমীয়া ভাষাৰ উদ্ধাৰ কৰাত বিশেষ বৰঙণি আগবঢ়োৱা অন্য এজন ব্যক্তি। মাইলছ ব্ৰন্সনে তেওঁৰ ১৪,০০০ শব্দৰে সমৃদ্ধ অসমীয়া-ইংৰাজী অভিধানখন ১৮৬৭ চনত ছপা কৰিছিল। তেওঁৰ অভিধানখনেই প্ৰথম প্ৰকাশিত অভিধান। তেওঁৰ উপৰিও এ.কে.গার্নি, নিধিৰাম ফাৰৰেল, শ্ৰীমতী কাট্টাৰ আদিয়ে এই সময়ৰ সাহিত্যলৈ বৰঙণি যোগাই গৈছে।



ভাষাবিদ নাথান ব্ৰাউনে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। তেওঁ ১৮৪৮ চনত 'Grammatically notices of the Assamese Language' নামৰ কিতাপখন প্ৰকাশ কৰি অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কেইটামান উল্লেখযোগ্য যুক্তি আগবঢ়াইছে।

**আনন্দৰাম ঢেকিয়াল ফুকন আৰু অসমীয়া ভাষাৰ প্ৰথমখন দস্তাবেজ ঃ**

অসমীয়া ভাষাৰ আত্মপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত সবল ভূমিকা গ্ৰহণ কৰা আধুনিক যুগৰ অসমীয়া ভাষাৰ অন্যতম এজন লেখক আনন্দৰাম ঢেকিয়াল ফুকন। তেওঁ অসমীয়া ভাষাৰ প্ৰথমখন দস্তাবেজ প্ৰস্তুত কৰাৰ লগতে "অসমীয়া ল'ৰাৰ মিত্ৰ", "বালকোপদেশ", "ভূগোল বৃত্তান্ত" শীৰ্ষক গ্ৰন্থকেইখন ৰচনা কৰে। অসমীয়া প্ৰথমজন পাঠপুথি প্ৰণেতা হিচাপে তেওঁকেই জনা যায়। উল্লেখযোগ্য যে নাথান ব্ৰাউনে অসমীয়া ভাষা সাহিত্যৰ চৰ্চাৰ লগতে অসমীয়া ভাষাটোৰ উদ্ধাৰৰ বাবে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছিল, তেওঁ তাৰেই প্ৰভাৱত অসমীয়া ভাষাটোৰ মাত দিয়াৰ প্ৰেৰণা লাভ কৰিছিল। দুটা খণ্ডৰ প্ৰায় চাৰিশ পিঠিয়া 'অসমীয়া ল'ৰাৰ মিত্ৰ' গ্ৰন্থখনে অসমীয়া পাঠ্যপুথি পঠনৰ অভ্যাস গঢ়ি তোলাত বিশেষভাৱে সহায় কৰিছিল।

অসমৰ শাসনব্যৱস্থাৰ সকলো দিশৰ অনুসন্ধান কৰিবলৈ মফাট মিলচ ১৮৫৩ চনত অসমলৈ আহিছিল। সেই সময়ছোৱাত আনন্দৰাম ঢেকিয়াল ফুকনে অসমৰ শাসন সম্পৰ্কীয় টোকা প্ৰস্তুত কৰি চৰকাৰৰ শিক্ষা-নীতিৰ সমালোচনা কৰাৰ লগতে অসমীয়া ভাষা শিক্ষাৰ মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰাৰ হকে মত আগবঢ়ায়। নগেন শইকীয়াৰ মতে— "ফুকনে দেখুৱালে যে বাংলা এটা বেলেগ প্ৰদেশৰ ভাষা আৰু সেইটো ছাত্ৰৰ কথা ক'বই নালাগে শিক্ষকেও ভালকৈ বুজি নাপায়।"[৬] ইয়াৰোপৰি আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া যে স্বতন্ত্ৰ ভাষা, সেইটো প্ৰতিপন্ন কৰিবলৈ আৰু বাংলা ভাষাৰ সৈতে অসমীয়া ভাষাৰ বৈসাদৃশ্যবোৰ স্পষ্টকৈ দাঙি ধৰাৰ হেতু A native ছদ্মনামেৰে লিখিছিল— "A few remarks on assamese language and



on vernacular education in assam." (১৮৫৫)। উক্ত পুস্তিকাখনেই আছিল অসমীয়া ভাষাৰ স্বীকৃত প্ৰদান কৰা প্ৰথমখন দস্তাবেজ। পুস্তিকাখনত ফুকনে ৬২খন পদপুথি আৰু ৪০খন নাটৰ কথা উল্লেখ কৰিছে। উল্লেখযোগ্য যে দস্তাবেজখনত অসমীয়া-বাংলা বিভিন্ন শব্দৰ মাজত থকা অমিল শব্দখিনি স্পষ্টকৈ দাঙি ধৰিছে। অসমীয়া ভাষাৰ সুনিৰ্দিষ্ট সাহিত্যৰ নিদৰ্শন দাঙি ধৰিবলৈ উল্লেখযোগ্য ইতিহাসবিষয়ক তথা অন্যান্য কিতাপৰ তালিকাও প্ৰস্তুত কৰিছে। যেনে- হিন্দু ধৰ্মীয় পুথি, ইতিহাস, নাটক, অভিধান ইত্যাদি। এই দিশবোৰৰ উপৰিও ঢেকিয়াল ফুকনে বিভিন্ন স্কুলীয়া বিষয়ৰ পাঠ্যপুথি, অৰুণোদই, নিউ টেষ্টামেন্ট আৰু গ্ৰামাটিকেল নটিছো পুস্তিকাখনত অন্তৰ্ভুক্ত কৰিছে। এই দস্তাবেজখনে অসমীয়া মানুহৰ ভাষাটোৰ গুৰুত্ব উপলব্ধি সহায় কৰাৰ লগতে অসমীয়া ভাষাৰ আত্মপ্ৰতিষ্ঠাৰ বাটো মুকলি কৰিলে।

অসমীয়া ভাষাই লাহে লাহে আত্মপ্ৰতিষ্ঠাৰ বাবে পৰ্যাপ্ত দিশৰে সমৃদ্ধ হ'ল। ১৮৭২ চনত মাইলছ ব্ৰন্সনৰ সভাপতিত্বত এখন ভাষাৰক্ষাৰ সমিতি গঠন হ'ল। সমিতিখনে ১৮৭২

আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰেই অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ ক্ষেত্ৰত অভূতপূৰ্ব বৰঙণি আগবঢ়াই— হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই। হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যিক জীৱন আৰম্ভ হয় অৰুনোদইৰ পাতত। ১৮৫৯ তেওঁৰ "অসমীয়া ভাষাৰ ব্যাকৰণ" নামৰ এখন পুথি প্ৰকাশ পায়।



চনত ১৩৪ গৰাকী ব্যক্তিৰ স্বাক্ষৰেৰে বংগৰ গভর্ণৰ জেনেৰেললৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। স্মাৰক পত্ৰখনত অসমীয়া ভাষা যে অসমৰ স্বতন্ত্ৰ ভাষা সেই সম্পৰ্কে তথ্য প্ৰদান কৰা হ'ল। অৱশেষত ১৮৭২ চনত কলিকতা উচ্চন্যায়ালয়ে ন্যায়ালয় আৰু ৰাজহৰ শিতানত অসমীয়া ভাষাৰ ব্যৱহাৰৰ জাননী জাৰি কৰিলে। ১৮৭৩ চনৰ ১৯ এপ্ৰিলত অসমৰ সকলো বিদ্যালয়ৰ ভাষাই যে অসমীয়া হ'ব লাগিব সেই প্ৰস্তাৱ লোৱা হ'ল। এনেকৈ অসমীয়া ভাষাটোৱে ১৮৭৩ চনত অসমৰ সকলো চৰকাৰী বিদ্যালয় তথা কৰ্ট-কাছাৰীত পুনৰ প্ৰতিষ্ঠা লাভ কৰিলে।

**বিভিন্ন ব্যক্তিৰ অৱদান ঃ**

অসমীয়া ভাষাৰ আত্মপ্ৰতিষ্ঠাৰ বাবে তথা অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধিৰ বাবে সেইসময়ছোৱাত অগ্ৰণী ভূমিকা লৈছিল সেইসময়ৰ কেইজনমান উল্লেখযোগ্য ব্যক্তিয়ে। পাঠ্যপুথিৰ পাঠ্যপুথিৰ অভাৱ দূৰীকৰণৰ লগতে বিভিন্ন নৈতিকজ্ঞানেৰে সমৃদ্ধ পুথিসমূহ প্ৰণয়ন কৰি তেওঁলোকে ভাষাটোৰ সমৃদ্ধিৰ বাট মুকলি কৰিছিল। ইয়াৰোপৰি পুৰণি সাঁচিপতীয়া পুথি উদ্ধাৰ কৰাৰ লগতে বহুতো বুৰঞ্জীমূলক তথ্যও সংগ্ৰহ কৰিছিল। অসমীয়া ভাষাৰ আত্মপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত তেওঁলোকৰ দ্বাৰা ৰচিত তথা সম্পাদিত পুথিসমূহে ভাষাটোৰ মর্যাদা বঢ়োৱাৰ ক্ষেত্ৰত সহায় কৰিছিল। তেনে কেইজনমান ব্যক্তি— আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ গোস্বামী, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, পানীন্দ্ৰনাথ গগৈ, অম্বিকানাথ বৰা ইত্যাদি। এওঁলোকৰ উপৰিও খ্ৰীষ্টীয়ান লেখক যেনে নাথান ব্ৰাউন, মাইলছ ব্ৰন্সন, এ.কে.গার্নি, নিধিৰাম ফাৰৰেল ইত্যাদিৰ অৱদান গুৰুত্বপূৰ্ণ।

আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰেই অসমীয়া সাহিত্যৰ সমৃদ্ধিৰ ক্ষেত্ৰত অভূতপূৰ্ব বৰঙণি আগবঢ়াই— হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই। হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যিক জীৱন আৰম্ভ হয় অৰুনোদইৰ পাতত। ১৮৫৯ তেওঁৰ "অসমীয়া ভাষাৰ ব্যাকৰণ" নামৰ এখন পুথি প্ৰকাশ পায়। ইয়াৰোপৰি আদিপাঠ, অসমিয়া ল'ৰাৰ ব্যাকৰণ, পঢ়াশালীয় অভিধান তেওঁৰ উল্লেখযোগ্য ৰচনা। ১৯০০ চনত তেওঁৰ কীর্তিস্তম্ভ হেমকোষ ছপা হৈ ওলায়। তেওঁৰ উপৰিও গুণাভিৰাম বৰুৱাৰ ৰামনৰমী, আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত, অসম বুৰঞ্জী অসমীয়া ভাষা সাহিত্যৰ অমূল্য সম্পদ। সেইসময়ছোৱাত হেমচন্দ্ৰ গোস্বামীয়ে 'পুৰণি অসম বুৰঞ্জী' আৰু ভট্টদেৱৰ 'কথাগীতা' সম্পাদনা কৰি প্ৰকাশ কৰে। ইয়াৰোপৰি আশুতোষ মুখার্জীৰ উৎসাহত তেওঁ "অসমীয়া সাহিত্যৰ চানেকি" সম্পাদনা কৰিছিল।

১৩৩৪খন সাঁচিপতীয়া পুথি অধ্যায়ান কৰি ২৩৩খন পুথিৰ বিষয়বস্তুৰ আভাস দিয়া এখিন বর্ণনামূলক তালিকা 'A Descriptive Catalogue of Assamese Manuscripts' নামেৰে অসম চৰকাৰে ১৯২৭ চনত প্রকাশ কৰে। এওঁলোকৰ উপৰিও পাঠ্যপুথি প্রণয়ন কৰাৰ ক্ষেত্রত দুজন ব্যক্তিৰ নাম ল'ব লাগিব— পদ্মনাথ গোহাঞিবৰুৱা আৰু পানীন্দ্রনাথ গগৈ। পানীন্দ্রনাথ গগৈয়ে ল'ৰাশিক্ষা (তিনিছোৱা), অসমীয়া ল'ৰাৰ ভূগোল প্রকাশ কৰাৰ উপৰিও ১৮৯৯ চনত "সাহিত্য সংগ্রহ" নামৰ পাঠ্যপুথিখন সম্পাদনা কৰি উলিয়ায়। পদ্মনাথ গোহাঞিবৰুৱাৰ অন্যতম পাঠ্যপুথি— ভূগোল দর্পন, আসামৰ বুৰঞ্জী, মহাৰাণী ইত্যাদি। এওঁলোকৰ উপৰিও অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্রত অৱদান আগবঢ়োৱা উল্লেখযোগ্য এগৰাকী লেখক আৰু শিক্ষাবিদ অম্বিকানাথ বৰা। কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্রেণীৰ প্রথমগৰাকী অসমীয়া বিষয়ৰ অধ্যাপক অম্বিকানাথ বৰা। তেওঁ কলিকতা বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ মহলাত অসমীয়া বিষয়টো প্রতিষ্ঠা কৰাত অভূতপূর্ব বৰঙণি আগবঢ়ায়। ইয়াৰোপৰি 'ৰুক্মিণী হৰণ' নাটখন সম্পাদনা কৰি প্রকাশ কৰাটো তেওঁ আগভাগ লয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পাঠ্যপুথি প্রস্তুতিতো তেওঁ ভূমিকা গ্রহণ কৰিছিল। খ্রীষ্টীয়ান লেখকসকলৰ ভিতৰত ব্রাউন, ব্রন্সন আৰু ফাৰৰেলৰ আদিৰ অসমীয়া ভাষাটোৰ ক্ষেত্রত অৱদান উল্লেখযোগ্য । তেওঁলোকৰ উপৰিও শ্রীমতী কাট্টাৰ, শ্রীমতী গার্নি, ডেনফর্থ, ৰার্ড আদিৰ ভূমিকা অনন্য।

**জোনাকী স্তৰ আৰু সমৃদ্ধিৰ কাল ঃ**

অসমীয়া সাহিত্যত ৰোমান্তিকতাবাদৰ সূচনা হয় জোনাকীৰ জৰিয়তে। জোনাকী আছিল অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মুখপত্র। চন্দ্রকুমাৰ আগৰৱালাৰ সম্পাদনাত ১৮৮৯ চনত জোনাকী আলোচনীখন প্রকাশ কৰা হয়। আলোচনীখনৰ প্রাচ্য আৰু পাশ্চাত্য ভাৱধাৰাৰ মাজত সংযোগসেতু গঢ়িলে। এই আলোচনীখন ১৮৮৯ চনত ওলাই ছবছৰৰ পাছত বন্ধ হৈ গৈছিল। ১৯০১ চনৰ পৰা পুনৰ আলোচনীখন কেইবছৰমান চলে।

অসমীয়া ভাষাৰ সংঘাতৰ কালছোৱাত ভাষাটোৰ লগতে সাহিত্যও যথেষ্ট পৰিমাণে পিছু�ৱাই গৈছিল। এই সময়ছোৱাত জোনাকী আলোচনীখনে অসমীয়া ভাষা আৰু সাহিত্যৰ সমৃদ্ধিৰ ক্ষেত্রত নতুন এখন মঞ্চ দিলে। ৰমন্যাসবাদী বিভিন্ন গীতিকবিতা, পাশ্চাত্য ভাবাদর্শৰে সমৃদ্ধ চুটিগল্প, উপন্যাস, বিভিন্ন Tragedy, comedy আদি আদর্শৰ নাটক সৃষ্টি হ'ল। ইয়াৰোপৰি জোনাকীয়ে বহুতো লেখক— লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা, সত্যনাথ বৰা, কনকলাল বৰুৱা আদিৰ জন্ম দিছিল। সাহিত্যত সংস্কাৰকামী সমাজৰ দৃশ্যও এই সময়ছোৱাত ফুটি উঠিল। মুঠতে ভাষা সাহিত্যক নতুন ভাবাবেগেৰে সমৃদ্ধ কৰিছিল জোনাকীয়ে আৰু তাৰ যোগেদি অসমীয়া ভাষাটোৰ আটাইক্ষেত্রত অভূতপূর্ব সঁহাৰি আগবঢ়াইছিল।

**কলিকতা বিশ্ববিদ্যালয় ঃ স্নাতক আৰু স্নাতকোত্তৰ পর্যায়ত অসমীয়া ভাষা ঃ**

অসমীয়া বিষয়টো সাম্প্রতিক এটা বিষয় হিচাপে শিক্ষানুষ্ঠানত অধ্যয়ন কৰাটো এটা স্বাভাৱিক কথা। প্রতিখন শিক্ষানুষ্ঠানত সাম্প্রতিক স্নাতক আৰু স্নাতকোত্তৰ পর্যায়ত এটা বিষয় হিচাপে অসমীয়া বিষয়টো অন্তর্ভুক্ত আছে। কিন্তু

অসমীয়া বিষয়টো এটা নির্দিষ্ট বিষয় হিচাপে স্বীকৃতি পোৱাৰ আগতে বিভিন্ন প্রত্যাহ্বানৰ সন্মুখীন হৈছে। এইক্ষেত্রত বহুজন ব্যক্তিৰ অৱদান আছে। স্নাতক আৰু স্নাতকোত্তৰ মহলাত অসমীয়া বিষয়টো প্রথমে অন্তর্ভুক্ত হৈছিল ভাৰতৰ প্রথম বিশ্ববিদ্যালয়- কলিকতা বিশ্ববিদ্যালয়ত। কলিকতা বিশ্ববিদ্যালয় স্থাপন হৈছিল ১৮৫৭ চনত। স্থাপনৰ কিছু বছৰলৈ বাঙালী ভাষাটো বাধ্যতামূলক বিষয় আছিল যদিও ১৮৬৮ চনত বাঙালী ভাষাটো বাধ্যতামূলক বিষয় হিচাপে লোৱা ব্যৱস্থাটো উঠাই দিয়া হয়। তেনে পৰিপ্রেক্ষিতত আশুতোষ মুখার্জীৰ সবল প্রচেষ্টাত বাঙালী ভাষাটো পৰৱর্তী সময়ত পুনৰ প্রতিষ্ঠা কৰা হ'ল। অসমীয়া বিষয়টো কলিকতা বিশ্ববিদ্যালয়ত ১৯০৮ চনৰ পৰা বি.এ. পর্যায়ত অন্তর্ভুক্ত কৰা হয়। "জাতীয় ঐতিহ্য আৰু সাহিত্য" গ্রন্থখনত উল্লেখ আছে— "এই সম্পর্কে পদ্মনাথ গোহাঞিবৰুৱাই ১৯০৮ চনত লিখিছিল। 'পূর্বে আমাৰ সকলো বিলাক মজলীয়া খাপৰ স্কুলত বঙলা ভাষা চলিছিল, আৰু ইংৰাজী স্কুল বিলাকতো বঙলা ভাষাৰ মাজেদি গৈহে অসমীয়া ল'ৰাই ইংৰাজী শিকিব পৰিছিল। ইয়াৰপৰা যে আমাৰ ল'ৰাৰ শিক্ষাত কিমান ব্যাঘাত ঘটিছিল তাক কৈ শেষ কৰিব নোৱাৰি। কলিকতা ইউনিভাৰচিটিয়েতো অসমীয়া ভাষা এটা বেলেগ ভাষা বুলিয়েই স্বীকাৰ কৰা নাছিল। সেই সভাই (অর্থাৎ তেজপুৰ অসমীয়া ভাষা উন্নতি সাধিনী সভা) জন্ম লোৱাৰ পিচত অর্থাৎ ইং ১৮৯৮ চনৰপৰা মাননীয় চীফ কমিচনাৰ চাৰ হেনৰি কটন চাহাব বাহাদুৰৰ অনুগ্রহত আসামৰ মজলীয়া স্কুলবিলাকত অসমীয়া ভাষাৰ পাঠ্য নির্দিষ্ট হয়। এতিয়া গোৱালপাৰা জিলাৰ বাহিৰে আসামৰ সকলো মজলীয়া স্কুলত অসমীয়া ভাষা চলা হৈছে, আৰু হাইস্কুলতো অসমীয়া ল'ৰাই অসমীয়া ভাষাৰ সহায়েৰে ইংৰাজী শিকিব পৰা

"
কলিকতা ইউনিভাৰচিটিয়েতো অসমীয়া ভাষা এটা বেলেগ ভাষা বুলিয়েই স্বীকাৰ কৰা নাছিল। সেই সভাই (অর্থাৎ তেজপুৰ অসমীয়া ভাষা উন্নতি সাধিনী সভা) জন্ম লোৱাৰ পিচত অর্থাৎ ইং ১৮৯৮ চনৰপৰা মাননীয় চীফ কমিচনাৰ চাৰ হেনৰি কটন চাহাব বাহাদুৰৰ অনুগ্রহত আসামৰ মজলীয়া স্কুলবিলাকত অসমীয়া ভাষাৰ পাঠ্য নির্দিষ্ট হয়।


হৈছে। পূর্বে বঙ্গ আৰু আসামৰ দুৱলীয়া লাট মাননীয় চাৰ বেমফিল্ড ফুলাৰ বাহাদুৰ চীফ কমিচনাৰ থাকোতে অসমীয়া মানুহৰ প্রতি তেওঁৰ মৰমৰ চিন স্বৰূপে আমাৰ ভাষাক কলিকতা ইউনিভাৰচিটিৰ দ্বাৰাই বেলেগ ভাষা বুলি গ্রহণ কৰালে। এতিয়া তেওঁৰ অনুগ্রহতে এন্ট্রেন্স, এফ.এ, বি.এ পৰীক্ষাতো অসমীয়া ভাষাই ঠাই পালে। এই নিমিত্তে তেওঁৰ ওচৰত অসমীয়া জাতি চিৰকাল কৃতজ্ঞ থাকিব।"[৭]

কলিকতা বিশ্ববিদ্যালয়ত এম.এ. শ্রেণীৰ প্রৱর্তন কৰাৰ পৰিকল্পনা প্রস্তুত কৰে আশুতোষ মুখার্জীয়ে। ১৯০৬-১৯১৪ চনলৈকে তেওঁ বিশ্ববিদ্যালয়ৰ উপাচার্য পদত কার্যনির্বাহ কৰে। ইয়াৰোপৰি ১৮৮৯ চনৰপৰা ১৯২৪ চনলৈকে চিনেট সভাৰ সদস্যৰ লগতে ১৯১৭ চনত তেওঁ স্নাতকোত্তৰ শিক্ষা সংসদৰ অধ্যক্ষ হিচাপে নির্বাচিত হয়। দেশীয় ভাষাত তেওঁ কলিকতা বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্রেণী আৰম্ভ কৰাৰ পদক্ষেপ লৈছিল যদিও সেইসময়ত

পাঠ্যপুথিৰ অভাৱ এটা ডাঙৰ সমস্যা হৈ দেখা দিছিল। সেই সময়ছোৱাত ১৯১৭ চনত ভাৰতৰ শৈক্ষিক ব্যৱস্থাৰ সমীক্ষাৰ বাবে গঠন হোৱা চেডলাৰ কমিছনত তেওঁ স্থান লাভ কৰে। ফলস্বৰূপে অসমীয়া পাঠ্যপুথি প্ৰণয়ন তেওঁ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰোপৰি হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, অম্বিকানাথ বৰা, সত্যনাথ বৰা ইত্যাদিয়ে বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ৰ পৰীক্ষাৰ কামতো জড়িত আছিল। আশুতোষ মুখার্জীৰ মৃত্যুৰ পাছত ১৯৩৪ চনৰ ৮ আগষ্টত শ্যামাপ্ৰসাদ মুখার্জীয়ে প্ৰথমটো কার্যকালৰ বাবে উপাচার্যৰ দায়িত্ব গ্ৰহণ কৰে। তেওঁৰ দ্বিতীয়টো কার্যকালতে (১৯৩৬) চিনেটে অসমীয়াত পূৰ্ণাংগ স্নাতকোত্তৰ শ্ৰেণী আৰম্ভৰ কথা সিদ্ধান্ত গ্ৰহণ কৰে। এই ক্ষেত্ৰত শৰৎচন্দ্ৰ গোস্বামীও জড়িত আছিল। তৎস্বত্ত্বেও অসমীয়াৰ পূৰ্ণাংগ শ্ৰেণী আৰম্ভ নোহোৱাত শৰৎচন্দ্ৰ গোস্বামীয়ে নৈমকুমাৰ মিশ্ৰৰ সৈতে আলোচনা কৰি এই সন্দৰ্ভত বিশ্ববিদ্যালয়লৈ তৎকালে সিদ্ধান্ত গ্ৰহণৰ হেতু এখন চিঠি প্ৰেৰণ কৰে। পৰৱৰ্তী পর্যায়ত বিভিন্ন পর্যায়ৰ মাজেৰে ১৯৩৮ চনৰ ১৪ ফেব্ৰুৱাৰীত এম.এ.ত অসমীয়াক মুখ্য বিষয় হিচাপে স্বীকৃতি দিয়া হয়। ১৯৩৮ চনৰ ২৯ এপ্ৰিলত চিনেট সভাই Indian vernacular বিভাগৰ নামটো Modern Indian languageলৈ পৰিৱৰ্তন কৰে। চিণ্ডিকেটে অসমীয়া ভাষাৰ এম.এ.ৰ বিষয়টোত অনুমোদন জনোৱাৰ লগে লগে পূৰ্ণ পর্যায়ত অসমীয়া ভাষাত এম.এ. পঢ়াৰ ব্যৱস্থা হ'ল।

**উপসংহাৰ ঃ**


অসমীয়া ভাষা হৈছে ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচী স্বীকৃত অসমৰ ৰাজ্যিক ভাষা। উক্ত ভাষাৰ দশম-দ্বাদশ শতিকাতে জন্ম হৈছিল। কিন্তু অষ্টাদশ শতিকাৰ পাছত সৃষ্টি হোৱা ৰাজনৈতিক অস্থিৰতাই ভাষাটোৰ ওপৰতো বৰ বেয়াকৈ প্ৰভাৱ পেলাইছিল। ১৮৩৬ চনত হোৱা অসমীয়া ভাষাৰ কর্তনে আকৌ ভাষাটোৰ গতি বেয়াকৈ ৰুদ্ধ কৰিছিল। তেনেদৰে ভাষাটোৱে বিভিন্ন পর্যায়ৰ মাজেৰে আজিৰ স্থিতি লাভ কৰিলে। ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাই অসমীয়া ভাষা সাহিত্যৰ প্ৰসাৰ আৰু সমৃদ্ধিৰ এখন মঞ্চ প্ৰদান কৰিলে। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰপৰা আৰম্ভ কৰি ভাষাটোৰ উৎকর্ষৰ বাবে অহেতুক কর্ম কৰা প্ৰতিজন লোকৰ অৱদান এই ক্ষেত্ৰত চিৰস্মৰণীয় হৈ ৰ'ব। ২০২৪ চনত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মর্যাদা লাভ কৰাত অসমীয়া ভাষাটোৱে সবলৰূপত আত্মপ্ৰতিষ্ঠা লাভ কৰে বুলি ক'ব পাৰি। ভাষাটোৰ সম্পর্কে প্ৰতিজন লোকেই যদি সচেতন দৃষ্টিভংগী গ্ৰহণ কৰে তেন্তে ভাষাটোৰ যথেষ্ট উত্তৰণ হ'ব।

**প্ৰসংগসূত্ৰ ঃ**


[১]শইকীয়া, নগেন ঃ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি (পৃষ্ঠা নং-৯১), পূৰ্বাঞ্চল প্ৰকাশ।
[২]ৰাজখোৱা, অৰবিন্দ ঃ প্ৰবন্ধ- ইয়াণ্ডাবু সন্ধি আৰু ভাষাৰ বিপর্যয় (গৰীয়সী, জুন ২০২৫, পৃষ্ঠা-১৬)।
[৩]শইকীয়া, নগেন ঃ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি (পৃষ্ঠা নং-১০৪-০৫), পূৰ্বাঞ্চল প্ৰকাশ।
[৪]ৰাজখোৱা, অৰবিন্দ ঃ প্ৰবন্ধ- ইয়াণ্ডাবু সন্ধি আৰু ভাষাৰ বিপর্যয় (গৰীয়সী, জুন ২০২৫, পৃষ্ঠা-১৮)।
[৫]শইকীয়া, নগেন ঃ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি (পৃষ্ঠা নং-১৪৫), পূৰ্বাঞ্চল প্ৰকাশ।
[৬]শইকীয়া, নগেন ঃ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি (পৃষ্ঠা নং-১৪৭), পূৰ্বাঞ্চল প্ৰকাশ।
[৭]ৰাজখোৱা, অৰবিন্দ ঃ জাতীয় ঐতিহ্য আৰু সাহিত্য (পৃষ্ঠা নং-১৬-১৭), অসম পাবলিচিং কোম্পানী।



*(লেখক নর্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ।)*



© www.dreamstime.com

# বর্তমান যুগৰ শিক্ষা ব্যৱস্থা আৰু ইয়াৰ প্ৰভাৱ

ৰিকি বিশ্বাস

১. ভূমিকা ঃ

শিক্ষা হৈছে মানুহৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ। শিক্ষা কেৱল কিতাপ পঢ়া বা পৰীক্ষাত ভাল নম্বৰ লাভ কৰাৰ মাধ্যম নহয়; ই মানুহৰ জ্ঞান, বুদ্ধি, চিন্তাশক্তি, নৈতিকতা আৰু ব্যক্তিত্বৰ বিকাশ ঘটায়। এজন শিক্ষিত ব্যক্তিয়ে নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে সচেতন হোৱাৰ লগতে সমাজ আৰু দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। সেয়েহে এখন দেশৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক উন্নয়নৰ মূল ভেটি হিচাপে শিক্ষাক গণ্য কৰা হয়।

বৰ্তমান যুগ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগ। এই যুগত শিক্ষা ব্যৱস্থাতো বহু পৰিৱৰ্তন আহিছে। আগৰ সময়ত শিক্ষা মূলতঃ বিদ্যালয়, শিক্ষক, কিতাপ আৰু ব্লেকবোৰ্ডক কেন্দ্ৰ কৰি চলিছিল। কিন্তু বৰ্তমান সময়ত কম্পিউটাৰ, ইণ্টাৰনেট, অনলাইন শিক্ষা, শিক্ষামূলক এপ আদি শিক্ষাৰ গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে। ছাত্ৰ-ছাত্ৰীয়ে এতিয়া কেৱল শ্ৰেণীকোঠাৰ পৰা নহয়, ঘৰতে থাকিও বিভিন্ন উৎসৰ পৰা জ্ঞান আহৰণ কৰিব পাৰে। বৰ্তমান শিক্ষা ব্যৱস্থাই শিক্ষাৰ ক্ষেত্ৰত বহুতো নতুন

সুযোগ সৃষ্টি কৰিছে যদিও ইয়াত কিছুমান নেতিবাচক প্ৰভাৱো দেখা যায়। অত্যাধিক প্ৰতিযোগিতা, মোবাইল আৰু ইণ্টাৰনেটৰ অপব্যৱহাৰ, মুখস্থ নিৰ্ভৰ শিক্ষা আদি সমস্যাই ছাত্ৰ-ছাত্ৰীৰ ওপৰত বিভিন্ন ধৰণে প্ৰভাৱ পেলাব পাৰে। সেয়েহে বৰ্তমান শিক্ষা ব্যৱস্থাৰ সুবিধা আৰু অসুবিধা বুজি ইয়াক অধিক উন্নত কৰি তোলাটো অতি প্ৰয়োজনীয়।

২. বৰ্তমান যুগৰ শিক্ষা ব্যৱস্থাৰ ধাৰণা ঃ

বৰ্তমান যুগৰ শিক্ষা ব্যৱস্থা হৈছে এনে এক শিক্ষা পদ্ধতি য'ত পৰম্পৰাগত শিক্ষাৰ লগতে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হয়। ইয়াত শিক্ষাৰ উদ্দেশ্য কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱা নহয়, ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতা, সমস্যা সমাধানৰ ক্ষমতা, যোগাযোগ দক্ষতা, যুক্তিসংগত চিন্তা আৰু ব্যৱহাৰিক জ্ঞান বৃদ্ধি কৰাও ইয়াৰ অন্যতম উদ্দেশ্য।

বৰ্তমান শিক্ষা ব্যৱস্থাত শিক্ষকক কেৱল জ্ঞান প্ৰদানকাৰী হিচাপে নহয়, এজন পথপ্ৰদৰ্শক হিচাপেও দেখা হয়। ছাত্ৰ-ছাত্ৰীয়ে নিজে অনুসন্ধান কৰি, প্ৰশ্ন কৰি আৰু বিভিন্ন কাৰ্যকলাপৰ জৰিয়তে জ্ঞান আহৰণ কৰাৰ সুযোগ লাভ কৰে। শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ ব্যৱহাৰে জ্ঞান আহৰণৰ পৰিসৰ বহল কৰিছে। অনলাইন ক্লাছ, ডিজিটেল কিতাপ, অনলাইন পৰীক্ষা আৰু শিক্ষামূলক ৱেবছাইটৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ৰ বিষয়ে সহজে জানিব পাৰে।

৩. বৰ্তমান শিক্ষা ব্যৱস্থাৰ বৈশিষ্ট্য ঃ

বৰ্তমান যুগৰ শিক্ষা ব্যৱস্থাৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল —

(ক) প্ৰযুক্তিৰ ব্যৱহাৰ ঃ

বৰ্তমান শিক্ষা ব্যৱস্থাত কম্পিউটাৰ, প্ৰজেক্টৰ, স্মাৰ্টফোন, টেবলেট আৰু ইণ্টাৰনেটৰ ব্যৱহাৰ বৃদ্ধি পাইছে। স্মাৰ্ট ক্লাচৰ জৰিয়তে কঠিন বিষয়সমূহ ছবি, ভিডিঅ' আৰু এনিমেচনৰ সহায়ত সহজে বুজিব পাৰি।

(খ) অনলাইন শিক্ষা ঃ

ইণ্টাৰনেটৰ বিকাশৰ ফলত অনলাইন শিক্ষাৰ সুযোগ বৃদ্ধি পাইছে। ছাত্ৰ-ছাত্ৰীয়ে ঘৰত থাকিও অনলাইন ক্লাছ, ভিডিঅ' পাঠ আৰু ডিজিটেল শিক্ষাসামগ্ৰীৰ সহায়ত অধ্যয়ন কৰিব পাৰে।

(গ) ছাত্ৰকেন্দ্ৰিক শিক্ষা ঃ

আধুনিক শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ, সামৰ্থ আৰু প্ৰয়োজনীয়তাক গুৰুত্ব দিয়া হয়। প্ৰশ্নোত্তৰ, আলোচনা, প্ৰকল্প, দলীয় কাম আৰু বিভিন্ন কাৰ্যকলাপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ বৃদ্ধি কৰা হয়।

(ঘ) ব্যৱহাৰিক জ্ঞানৰ ওপৰত গুৰুত্ব ঃ

বৰ্তমান সময়ত কেৱল তাত্ত্বিক জ্ঞানেই যথেষ্ট নহয়। শিক্ষাৰ্থীয়ে বাস্তৱ জীৱনত জ্ঞান কেনেকৈ প্ৰয়োগ কৰিব পাৰিব, সেই বিষয়ে গুৰুত্ব দিয়া হয়।

(ঙ) দক্ষতা বিকাশ ঃ

শিক্ষাৰ্থীৰ যোগাযোগ দক্ষতা, নেতৃত্বৰ গুণ, সমস্যা সমাধানৰ ক্ষমতা, সৃষ্টিশীলতা আৰু দলীয়ভাৱে কাম কৰাৰ ক্ষমতা বিকাশৰ ওপৰত গুৰুত্ব দিয়া হয়।

(চ) প্ৰতিযোগিতামূলক শিক্ষা ঃ

বৰ্তমান যুগত শিক্ষাক্ষেত্ৰত প্ৰতিযোগিতা বৃদ্ধি পাইছে। বিদ্যালয়ৰ পৰীক্ষাৰ পৰা আৰম্ভ কৰি বিভিন্ন প্ৰৱেশিকা পৰীক্ষা, বৃত্তি পৰীক্ষা আৰু প্ৰতিযোগিতামূলক পৰীক্ষালৈকে শিক্ষাৰ্থীয়ে প্ৰতিযোগিতাৰ সন্মুখীন হয়।

৪. বৰ্তমান শিক্ষা ব্যৱস্থাৰ ইতিবাচক প্ৰভাৱ ঃ

বৰ্তমান শিক্ষা ব্যৱস্থাই সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰত বহুতো ইতিবাচক প্ৰভাৱ

পেলাইছে।

(ক) জ্ঞানৰ পৰিসৰ বৃদ্ধি আৰু প্ৰযুক্তিগত দক্ষতা বৃদ্ধি ঃ

ইণ্টাৰনেট আৰু ডিজিটেল মাধ্যমৰ বাবে শিক্ষার্থীয়ে আগৰ তুলনাত অধিক তথ্য সহজে লাভ কৰিব পাৰে। এখন কিতাপ বা এজন শিক্ষকৰ ওপৰত নিৰ্ভৰ নকৰি বিভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰিব পাৰে। শিক্ষার্থীয়ে কম্পিউটাৰ, ইণ্টাৰনেট আৰু অনলাইন প্লেটফৰ্ম ব্যৱহাৰ কৰিবলৈ শিকে। এই দক্ষতাসমূহে ভৱিষ্যত শিক্ষা আৰু কৰ্মজীৱনত সহায় কৰে।

(খ) শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি ঃ

ছবি, ভিডিঅ', এনিমেচন ব্যৱহাৰে পাঠ্য বিষয়ৰ অধিক আকৰ্ষণীয় কৰি তুলিব পাৰে। ফলত ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি পাব পাৰে। প্ৰকল্প, দলীয় কাম আৰু বিভিন্ন সৃষ্টিশীল কাৰ্যকলাপৰ জৰিয়তে শিক্ষার্থীয়ে নিজৰ প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰে।

(গ) আত্মনিৰ্ভৰশীলতা ঃ

অনলাইন শিক্ষাৰ সুবিধাৰ বাবে শিক্ষার্থীয়ে নিজে তথ্য বিচাৰি উলিয়াব আৰু নিজৰ সমস্যাৰ সমাধান বিচাৰিব শিকে। ইয়াৰ ফলত আত্মনিৰ্ভৰশীলতা বৃদ্ধি পায়।

(ঘ) বিশ্বৰ সৈতে সংযোগ ঃ

ডিজিটেল শিক্ষাৰ জৰিয়তে এখন দেশৰ শিক্ষার্থীয়ে আন দেশৰ শিক্ষা, সংস্কৃতি, বিজ্ঞান আৰু প্ৰযুক্তিৰ বিষয়ে জানিব পাৰে। ইয়াৰ ফলত বিশ্ব সম্পৰ্কে শিক্ষার্থীৰ ধাৰণা বহল হয়।

৫. বৰ্তমান শিক্ষা ব্যৱস্থাৰ নেতিবাচক প্ৰভাৱ ঃ

(ক) অত্যাধিক প্ৰতিযোগিতা ঃ ভাল কলেজ, ভাল বিষয় বা ভাল চাকৰি লাভৰ বাবে শিক্ষার্থীৰ মাজত প্ৰতিযোগিতা বৃদ্ধি পাইছে। সুস্থ প্ৰতিযোগিতাই উৎসাহিত কৰিব পাৰে, কিন্তু অত্যাধিক প্ৰতিযোগিতাই মানসিক চাপ সৃষ্টি



কৰিব পাৰে।

(খ) মুখস্থ-নিৰ্ভৰ শিক্ষা ঃ

কিছুমান ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে বিষয়টো ভালদৰে বুজাৰ পৰিৱৰ্তে পৰীক্ষাত লিখিবলৈ উত্তৰ মুখস্থ কৰে। এনে পদ্ধতিয়ে ব্যৱহাৰিক জ্ঞান আৰু সৃষ্টিশীল চিন্তাৰ বিকাশত বাধা দিব পাৰে।

(গ) মোবাইল আৰু ইণ্টাৰনেটৰ অপব্যৱহাৰ ঃ

শিক্ষাৰ বাবে মোবাইল আৰু ইণ্টাৰনেট অতি উপযোগী। কিন্তু ইয়াৰ অত্যাধিক বা অনুপযুক্ত ব্যৱহাৰে শিক্ষার্থীৰ অধ্যয়নত মনোযোগ কমাব পাৰে। বিনোদনমূলক বিষয়ত অত্যাধিক সময় ব্যয় কৰিলেও শিক্ষাৰ ক্ষতি হব পাৰে।

৬. ছাত্ৰ-ছাত্ৰীৰ ওপৰত শিক্ষা ব্যৱস্থাৰ প্ৰভাৱ ঃ

বৰ্তমান শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ জীৱনত গভীৰ প্ৰভাৱ পেলাইছে। শিক্ষার্থীয়ে নতুন নতুন জ্ঞান লাভ কৰাৰ লগতে যোগাযোগ, প্ৰযুক্তি আৰু সমস্যা সমাধানৰ দক্ষতা আহৰণ কৰিছে। বিদ্যালয়ৰ বিভিন্ন কৰ্মকলাপ, প্ৰকল্প আৰু দলীয় কামে নেতৃত্বৰ গুণ আৰু সহযোগিতাৰ মনোভাব গঢ়ি তুলিব পাৰে। আনহাতে অত্যাধিক পৰীক্ষাৰ চাপ আৰু প্ৰতিযোগিতাই শিক্ষার্থীৰ ওপৰত মানসিক চাপ সৃষ্টি কৰিব পাৰে। সেয়েহে শিক্ষার্থীৰ সফলতাৰ মাপকাঠি কেৱল নম্বৰ বা পৰীক্ষাৰ ফলাফল হোৱা উচিত নহয়। জ্ঞান,

দক্ষতা, নৈতিকতা, সৃষ্টিশীলতা আৰু সামাজিক দায়িত্বৰ ওপৰতো গুৰুত্ব দিয়া উচিত।

৭. সমাজৰ ওপৰত শিক্ষা ব্যৱস্থাৰ প্ৰভাৱ ঃ

শিক্ষা এখন সমাজৰ পৰিৱৰ্তনৰ অন্যতম শক্তিশালী মাধ্যম। শিক্ষিত লোকসকলে সামাজিক পৰিৱেশ, স্বাস্থ্য, অধিকাৰ, আইন আৰু নিজৰ দায়িত্বৰ বিষয়ে অধিক সচেতন হব পাৰে। শিক্ষাৰ প্ৰসাৰে কুসংস্কাৰ আৰু অজ্ঞানতা হ্ৰাস কৰাত সহায় কৰিব পাৰে। লগতে শিক্ষিত যুৱসমাজে নতুন ব্যৱসায়, বিজ্ঞান, প্ৰযুক্তি আৰু বিভিন্ন কৰ্মসংস্থাপনৰ ক্ষেত্ৰত অৱদান আগবঢ়াব পাৰে। শিক্ষাৰ জৰিয়তে সামাজিক ক্ষমতা আৰু সুযোগৰ ক্ষেত্ৰতো উন্নতি সাধন কৰিব পাৰি। বিশেষকৈ ছোৱালী আৰু পিছপৰা শ্ৰেণীৰ শিক্ষাৰ সুযোগ বৃদ্ধি পালে সমাজৰ সামগ্ৰিক উন্নয়ন সম্ভৱ হয়।

৮. অৰ্থনীতিৰ ওপৰত প্ৰভাৱ ঃ

শিক্ষা এখন দেশৰ অৰ্থনৈতিক উন্নয়নৰ মূল ভিত্তিসমূহৰ ভিতৰত অন্যতম। উন্নত শিক্ষা ব্যৱস্থাই দক্ষ মানৱ সম্পদ সৃষ্টি কৰে। দক্ষ কৰ্মচাৰী, শিক্ষক, চিকিৎসক, অভিযন্তা, বিজ্ঞানী, উদ্যোগী আৰু অন্যান্য পেছাদাৰী ব্যক্তিয়ে দেশৰ উৎপাদনশীলতা বৃদ্ধি কৰাত সহায় কৰে। বৰ্তমান সময়ত তথ্য প্ৰযুক্তি, ডিজিটেল সেৱা, অনলাইন ব্যৱসায় আৰু নতুন শিক্ষিত যুৱসমাজৰ প্ৰয়োজন বৃদ্ধি পাইছে। সেয়ে আধুনিক শিক্ষা ব্যৱস্থাই অৰ্থনৈতিক বিষয়ৰ বাবেই প্ৰয়োজনীয় দক্ষতা সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

৯. নৈতিক আৰু সামাজিক মূল্যবোধৰ ওপৰত প্ৰভাৱ ঃ


শিক্ষাৰ উদ্দেশ্য কেৱল চাকৰি লাভ কৰা নহয়। এজন শিক্ষাৰ্থীক এজন ভাল মানুহ আৰু দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাও শিক্ষাৰ অন্যতম উদ্দেশ্য। শিক্ষাৰ জৰিয়তে সত্যবাদিতা, শৃংখলা, সহযোগিতা, সহনশীলতা, দায়িত্ববোধ আৰু আনক সন্মান কৰাৰ দৰে মূল্যবোধ গঢ়ি তুলিব পাৰে। কিন্তু যদি শিক্ষাত কেৱল নম্বৰ আৰু চাকৰিক অধিক গুৰুত্ব দিয়া হয়, তেন্তে নৈতিক শিক্ষাৰ গুৰুত্ব কমি যাব। সেয়েহে আধুনিক শিক্ষাৰ সৈতে নৈতিক আৰু মানৱীয় মূল্যবোধৰ শিক্ষাও সমান গুৰুত্বপূৰ্ণ।

১০. শিক্ষক আৰু অভিভাৱকৰ ভূমিকা ঃ

বৰ্তমান শিক্ষা ব্যৱস্থাত শিক্ষক আৰু অভিভাৱকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শিক্ষকসকলে কেৱল পাঠ্যপুথিৰ বিষয় শিকোৱাৰ লগতে শিক্ষাৰ্থীক সঠিক দিশ দেখুৱাব লাগে। অভিভাৱকে সন্তানৰ ওপৰত কেৱল নম্বৰৰ বাবে চাপ নিদি তেওঁলোকৰ আগ্ৰহ আৰু সামৰ্থ বুজিবলৈ চেষ্টা কৰিব লাগে। শিক্ষাৰ্থীৰ সফলতা কেৱল পৰীক্ষাৰ ফলাফলৰ ওপৰত নিৰ্ভৰ নকৰে। তেওঁলোকৰ ব্যক্তিত্ব, আচৰণ, সৃষ্টিশীলতা আৰু দক্ষতাও গুৰুত্বপূৰ্ণ।

শিক্ষক, অভিভাৱক আৰু শিক্ষাৰ্থীৰ মাজত সস্থ যোগাযোগ থাকিলে শিক্ষা ব্যৱস্থা অধিক ফলপ্ৰসূ হব পাৰে।

*(লেখক মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ছাত্ৰ।)*




# মাকাম এটি আলোচনা


## কিশোৰ ভূঞা

শেহতীয়াকৈ যিকেইখন অসমীয়া গ্রন্থ পঢ়ি ভাল লাগিল, তাৰ ভিতৰত এখন উল্লেখযোগ্য গ্রন্থ হ'ল "মাকাম"। ৰীতা চৌধুৰীৰ বহুপঠিত উপন্যাস 'মাকাম'। মাকামত বিধৃত হৈছে দুখন প্রতিবেশী ৰাষ্ট্রৰ যুঁজত বিপন্ন হোৱা এচাম মানুহৰ সঁচা কাহিনী। ১৯৬২ চনত সংঘটিত হোৱা ভাৰত-চীনৰ যুঁজত ভাৰতত থকা, বিশেষকৈ অসমৰ চিনামূলীয় তথা চৈনিক লোকে কেনে জীয়াতু ভুগিবলগীয়া হৈছিল সেয়াই উপন্যাসখনৰ মূল সমল। তাৰে বর্ণনা কৰিবলৈ গৈ চৌধুৰীয়ে দাঙি ধৰিছে অসমলৈ অহা চীনা প্রব্রজনৰো ইতিহাস। এই উপন্যাস বুৰঞ্জীনির্ভৰ— গ্রন্থখনৰ শেহলৈ থকা 'লেখকৰ একাষাৰ'ত কোৱা হৈছে "অসমৰ চাহ শিল্প আৰু তাৰ সৈতে জৰিত প্রব্রজনৰ ইতিহাসৰ সৈতে সাঙোৰ খাই থকা চীনা সমাজৰ সেই অলিখিত ইতিহাসক উপন্যাসৰ ৰূপত তুলি ধৰাৰ লক্ষ্য সন্মুখত লৈ কাম আৰম্ভ

কৰিছিলোঁ।” স্বাভাৱিকতে উপন্যাসখনত বিধৃত হৈছে ঊনবিংশ শতিকাৰ প্ৰথমার্ধৰ পৰা অসমীয়া সমাজ জীৱনৰ এছোৱা সময় , অৰ্থাৎ কলে�ৱৰৰ লগে লগে উপন্যাসখনৰ পৰিসৰো বিস্তৃত।

হংকঙৰ এটা দুপৰীয়াৰ পৰা আৰম্ভ যাত্ৰা। বহু দীঘলীয়া সেই যাত্ৰা। দক্ষিণ চীনৰ দুৰ্ভিক্ষপীড়িত এখন গাঁৱৰ পৰা কেণ্টন বন্দৰ, তাৰ পৰা কলিকতা। কলিকতাৰ পৰা অসমলৈ যাত্ৰা কৰোঁতেই হো হানহতে হেৰুৱাইছিল জীৱনৰ সকলো। পাব লগা একো নাছিল দাস হৈ বিক্ৰী হোৱা হো হানহতৰ দলটো। কিন্তু দিবলগীয়া বহুত আছিল। সেয়াও এক অন্য ইতিহাস। ৱৰ্বাৰ্ট ব্ৰুছে লগ কৰিছিল চিংফো ৰজা বিচাগামক। মুকলি হৈছিল নতুন এক অধ্যায়। অসমত চাহৰ আৱিষ্কাৰে মুকলি কৰা অন্য এক অধ্যায়। ইংৰাজ বনিকৰ অসমৰ প্ৰতি লোভৰ চকু খুলি দিয়াৰ অধ্যায়। অৰ্থনীতিক আৰু ৰাজনীতিৰ বাতাবৰণ সলনি কৰি দিয়াৰ অধ্যায়। সেই অধ্যায়ৰে একোটি অংশ হো হানহত। হো হানহততে বংশধৰ মাকুম চহৰৰ বিভিন্ন আলি-গলিত। চীনাপট্টি সেই মানুহৰে গাঁও। চীনাপট্টি যাত্ৰাৰ শেষ নহয়। বৰং চীনাপট্টিৰ পৰা আকৌ আৰম্ভ হৈছে অন্য এক যাত্ৰা। এই যাত্ৰাৰ শেষ কত?

যুদ্ধই বহুবাৰ সলনি কৰি দিছে পৃথিৱীৰ ভূগোল, বিভিন্ন দেশৰ মানচিত্ৰ। ১৯৬২ চনৰ যুদ্ধ বুলিলে হয়তো অসমবাসীক সোঁৱৰাই দিব নালাগে চীনৰ সৈতে হোৱা ভাৰতৰ যুদ্ধৰ কথা। কিন্তু এই কথা হয়তো অসমবাসীৰ বহুতেই নাজানে যে সেই যুদ্ধই উজনি অসমৰ এখন চহৰৰ এমুঠি মানুহৰ জীৱনৰ গতি সলনি কৰি দিছিল। উভালি পৰিছিল তেওঁলোকে অসমৰ মাটিত ৰোপণ কৰা চাহগছৰ দৰে তেওঁলোকৰ জীৱনসত্বাও। সেয়া লুকাই পৰা এক প্ৰাচীন সত্য। আন্ধাৰত পোত খাই থকা অপ্ৰিয় সত্য। সেই সত্যকে খুঁচৰি খুঁচৰি উলিয়াই আনিছে ৰীতা-চৌধুৰীয়ায়ে। ইতিহাসৰ কবৰ খান্দি অবাক





কৰিছে আমাৰ দৰে পঢুৱৈক। কাৰণ আমি অজ্ঞ, অনাগ্ৰহী সেই প্ৰাচীন সত্যৰ প্ৰতি।

অসমত চাহ আৱিষ্কাৰ হোৱাৰ লগে-লগে ভাৰতৰ আন আন ঠাইৰ লগতে চীনৰ পৰাও যথেষ্ট সংখ্যক শ্ৰমিকৰ আগমন ঘটিছিল। তেওঁলোকক মূলতঃ প্ৰলোভন দেখুৱাই বা দাবী ধমকিৰে লৈ অনা হৈছিল। কিন্তু পৰিস্থিতিৰ তাড়নাত তেওঁলোকে মূলতঃ আৰু কোনোদিনে তেওঁলোকৰ ঠাইলৈ উভতি যাব নোৱাৰিলে। লাহে লাহে তেওঁলোক অসমৰ স্থানীয় লোক হৈ পৰিল, লীন গ'ল অসমৰ বায়ু-পানী আৰু মাটিৰ সৈতে, বিয়া-বাৰু কৰাই ইয়াত সৃষ্টি হ'ল তেওঁলোকৰ এখন সমাজ, চীনামূলীয় সমাজ। কেইবাটাও প্ৰজন্মৰ পাছত তেওঁলোকলৈ সন্দেহৰ আঙুলি টোওৱা হ'ল, আৰম্ভ হ'ল ঘৃণা আৰু অবিশ্বাসৰ ছায়াযুদ্ধ। চীনে ভাৰত আক্ৰমণ কৰাৰ পাছত হঠাৎ এই মানুহখিনি যেন শত্ৰু হৈ পৰিল, তেওঁলোক ৰাজনৈতিক পাশাখেলৰ গুটিত পৰিণত হ'ল আৰু এদিন তেওঁলোক ছেদেলি-ভেদেলি হৈ পৰিল। স্বদেশতে তেওঁলোক হৈ পৰিল বিদেশী, শৰণাৰ্থী শত্ৰুদেশৰ এজেণ্ট আৰু এদিন মাতৃভূমি ভাৰতৰ পৰা তেওঁলোক হৈ পৰিল পৃথক, বিতাৰিত।

মাকুমত মাত্ৰ দুঘণ্টামানৰ ভিতৰতে

চীনাপট্টিৰ সকলো পৰিয়ালৰ পৰা মানুহ উঠাই আনি ৰখা হ'ল এটা গোহালিত। কোনোবাটো পৰিয়ালৰ মাতৃ-পুত্ৰ যদি বিবেচিত হৈছে শত্ৰু হিচাপে, আন কোনোবাটো পৰিয়ালৰ পিতৃ-বোৱাৰী চিহ্নিত হ'ল সন্দেহভাজনৰূপে। মানৱতা ধূলিসাৎ হ'ল, প্ৰতিটো পৰিয়ালকে ভাঙি-ছিঙি পেলোৱা হ'ল কোনো অবুজ নীতিৰ আধাৰত, চীনাপট্টিৰ অনেক ঘৰ 'চীজ' কৰি ওলোমাই দিয়া হ'ল এনিমি প্ৰপার্টিৰ ফলক, আৰু উঠাই অনা মানুহখিনিক শাৰী শাৰী ট্ৰাকেৰে নি তুলি দিয়া হ'ল এখন ৰে'লত— কোনো কোনো ষ্টেশ্যনত এনেদৰে চীনা লোকক তুলি নিয়াৰ বাহিৰে যিখন ষ্ট্ৰেইন আৰু ক'তো ৰখোৱা হোৱা নাই, পোহৰ-পানীৰ ব্যৱস্থা নথকা সেই ৰে'লতে সন্তান জন্ম দিয়ে কোনো প্ৰসূতিয়ে অৱশেষত এনেদৰেই তেওঁলোকক লৈ যোৱা হয় ৰাজস্থানৰ দেওলি জে'ললৈ। দেওলি জে'লতো তেওঁলোকৰ জীৱন সুখকৰ নাছিল— আনকি চীনলৈ পঠিয়াই দিয়াৰ পিছতো ভুগিছিল যমৰ যন্ত্ৰনা। দেওলি জে'ল আৰু চীনত পোৱা দুৰ্ভোগৰ বিৱৰণ আছে উপন্যাসখনৰ তৃতীয় খণ্ডত। ভাৰতত থাকোঁতে যিসকলক গণ্য কৰা হৈছিল চীনৰ স্পাই হিচাপে চীনত সেইসকলৰে কোনো কোনোজনক আকৌ




শাস্তি বিহা হ'ল ভাৰতৰ হৈ চোৰাংচোৱাগিৰি কৰাৰ অপৰাধতঙ্গ বিশ্বজুৰি সেয়েইতো শিপাহীন মানুহৰ অৱস্থা— ফুটবলৰ দৰে জীৱন। এয়াই মূল কাহিনী "মাকাম"ৰ।

মাকামত অসমত আন আন জনজাতিৰ দৰে সহজ সৰল, জটিলতাৰ আও ভাও নোপোৱা, শ্ৰমেই জীৱনৰ ব্ৰতত পৰিণত হোৱা চীনামূলীয় সমাজৰ কৰুণ জীৱনৰ ছবি প্ৰতিফলিত হৈছে। সেয়া আজিৰ পৰা তিনিটা দশক আগৰ কথা। কিন্তু আজিও জানো তেনে পীড়িত মানুহেৰে বিশ্বৰ বিভিন্ন প্ৰান্ত তথা ভাৰতবৰ্ষ বা অসম ভৰি থকা নাই? আজিও জানো তেনে পৰিস্থিতিৰ পৰা আঁতৰত বিশ্বৰ ৰাজনীতি? সাধাৰণ মানুহ জানো যুদ্ধৰ শংকাৰ পৰা দূৰত? আমাৰ অসমনো কিমান মুক্ত ঘৃণা, সন্দেহ, অবিশ্বাস আৰু বিভাজনৰ ৰাজনীতিৰ পৰা?

মই কোনোদিনে নাজানিলোঁহেতেন সেই কথাবোৰ। মাকুমৰ কথাবোৰ। কিন্তু মাকাম পঢ়াৰ পাছত মনলৈ আহিছে হাজাৰটা প্ৰশ্ন। অসমখনক আমিনো কিমান জানো? কিমান জানো আমাৰ অতীত? কিমান জানিবলৈ দিয়া হৈছে আমাক? কিন্তু মাকামে জনাইছে আমাক সেইবোৰ কথা, যিবোৰ হয়তো কোনেও আমাক কোনোকালে নক'লেহেতেন।

অসমত অন্ততঃ মাকুমৰ পুনৰাবৃত্তি নহওক, পুনৰাবৃত্তি নহওক কোকৰাঝাৰ বা ৰাভা-হাছাং কাণ্ডবো। নতুন প্ৰজন্মই অতীত অধ্যয়ন কৰক, পৰ্যালোচনা কৰক আৰু ভুলৰ পৰা শিক্ষা লৈ নতুন ইতিহাস গঢ়াৰ দিশেৰে ধাৱমান হওক। মাকাম পঢ়াৰ পাছত তেনে এক আশাই মনৰ মাজত যেন তিৰ্‌বিৰাই উঠিল।

*(লেখক মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ছাত্ৰ।)*



# মোৰো এটা সপোন আছে

হিমাদ্রী ডেকা

মানুহৰ জীৱনত সপোনৰ এক বিশেষ স্থান আছে। প্রতিজন মানুহেই নিজৰ জীৱনক লৈ কিবা নহয় কিবা সপোন দেখে। কিন্তু কেৱল সপোন দেখিলেই সেয়া বাস্তৱত পৰিণত নহয়। তাৰ বাবে প্রয়োজন কঠোৰ পৰিশ্রম, ধৈর্য, আত্মবিশ্বাস আৰু অধ্যৱসায়। জীৱনৰ বিভিন্ন বাধা-বিঘিনিৰ মাজতো যিজনে নিজৰ লক্ষ্যৰ পৰা আঁতৰি নাযায়, তেওঁ এদিন সফলতাৰ পথত আগবাঢ়িব পাৰে।

ড° ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে' গ্রন্থখন এনে এক জীৱন-অভিজ্ঞতাৰ আধাৰত ৰচিত এখন আত্মজীৱনীমূলক গ্রন্থ। গ্রন্থখনত লেখকে নিজৰ জীৱন-সংগ্রাম, শিক্ষা, সপোন আৰু সফলতাৰ অভিজ্ঞতা সহজ-সৰল ভাষাৰে প্রকাশ কৰিছে। তেওঁৰ জীৱন-যাত্রাই দেখুৱাই দিয়ে যে প্রতিকূল পৰিস্থিতি থাকিলেও দৃঢ় ইচ্ছাশক্তি আৰু পৰিশ্রমৰ জৰিয়তে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰি।

'মোৰো এটা সপোন আছে' ড° ৰুবুল মাউতৰ এখন আত্মজীৱনীমূলক গ্রন্থ। গ্রন্থখনত লেখকে নিজৰ জীৱনৰ বিভিন্ন পর্যায় আৰু অভিজ্ঞতা পাঠকৰ আগত দাঙি ধৰিছে। শৈশৱ, শিক্ষা-জীৱন, জীৱনৰ বিভিন্ন সমস্যা আৰু লক্ষ্য পূৰণৰ বাবে কৰা প্রচেষ্টা আদি বিষয় গ্রন্থখনৰ মাজেৰে প্রকাশ পাইছে।

লেখকৰ জীৱন-যাত্রা বিভিন্ন অভিজ্ঞতাৰে সমৃদ্ধ। তেওঁ সন্মুখীন হোৱা প্রতিকূলতা আৰু সেইবোৰ অতিক্রম কৰি আগবাঢ়ি যোৱাৰ প্রচেষ্টাই গ্রন্থখনক এক বিশেষ মাত্রা প্রদান কৰিছে। নিজৰ জীৱনৰ ঘটনোবোৰৰ মাজেৰে লেখকে

পাঠকক এক আশাবাদী চিন্তাধাৰাৰে পৰিচয় কৰাইছে।

গ্ৰন্থখনৰ মূল বিষয় হৈছে সপোন আৰু সেই সপোন বাস্তৱায়িত কৰাৰ বাবে কৰা সংগ্ৰাম। মানুহে জীৱনত বহুতো লক্ষ্য স্থিৰ কৰে যদিও সেই লক্ষ্যত উপনীত হ'বলৈ বহু বাধা অতিক্ৰম কৰিবলগীয়া হয়। লেখকৰ নিজৰ জীৱনৰ অভিজ্ঞতাৰ মাজেৰে এই সত্যটো প্ৰকাশ পাইছে।

গ্ৰন্থখনৰ শিৰোনাম 'মোৰো এটা সপোন আছে' যথেষ্ট তাৎপৰ্যপূৰ্ণ। 'মোৰো' শব্দটোৱে যেন লেখকৰ লগতে প্ৰতিজন সাধাৰণ মানুহৰ সপোনক প্ৰতিনিধিত্ব কৰিছে। পৰিস্থিতি যিমেই কঠিন নহওক কিয়, মানুহে নিজৰ বাবে এটা সুন্দৰ ভবিষ্যতৰ সপোন দেখিৰ পাৰে।

সপোনক বাস্তৱ ৰূপ দিবলৈ ইচ্ছাশক্তি, ধৈর্য আৰু নিয়মীয়া পৰিশ্ৰমৰ প্ৰয়োজন। গ্ৰন্থখনত এই কথাটোৱেই বিভিন্ন জীৱন-অভিজ্ঞতাৰ মাজেৰে প্ৰকাশ পাইছে।

মানুহৰ জীৱন সদায় একে ধৰণে নচলে। সুখৰ লগতে দুখ, সফলতাৰ লগতে বিফলতা আৰু সুবিধাৰ লগতে অসুবিধাও আহে। লেখকৰ জীৱনতো বিভিন্ন প্ৰতিকূলতা আহিছিল। কিন্তু সেইবোৰে তেওঁক নিজৰ লক্ষ্যৰপৰা আঁতৰাই নিব পৰা নাছিল।

গ্ৰন্থখনৰ এটা উল্লেখযোগ্য দিশ হৈছে লেখকে নিজৰ কঠিন অভিজ্ঞতাবোৰ লুকুৱাই ৰখা নাই। বৰং সেই অভিজ্ঞতাৰ পৰা লাভ কৰা শিক্ষা আৰু জীৱন-দৃষ্টিভংগীক গুৰুত্ব দিছে। সমস্যাৰ সন্মুখীন হ'লে হতাশ নহৈ তাৰ সৈতে মোকাবিলা কৰি আগবাঢ়ি যোৱাৰ মানসিকতা গ্ৰন্থখনত স্পষ্ট হৈ উঠিছে।

প্ৰতিকূল পৰিস্থিতিয়ে মানুহক বহু কথা শিকায়। কেতিয়াবা ব্যৰ্থতা বা অসুবিধাই মানুহক নিজৰ শক্তি আৰু সামৰ্থ্য চিনিবলৈ সহায় কৰে। লেখকৰ জীৱন-অভিজ্ঞতাতো এই কথাৰ প্ৰতিফলন দেখা যায়।

গ্ৰন্থখনত শিক্ষাৰ গুৰুত্বও বিশেষভাৱে উপলব্ধি কৰিব পাৰি। শিক্ষা কেৱল পৰীক্ষাত ভাল নম্বৰ লাভ কৰাৰ উপায় নহয়; ই মানুহৰ চিন্তা-চেতনা, মূল্যবোধ আৰু জীৱন-দৃষ্টিভংগী গঢ়ি তোলে।

ড° ৰুবুল মাউতে ভৱিষ্যতৰ অনিশ্চয়তাৰ কথা জানিও নিৰাশ নহৈ যি হয় হ'ব বুলি সপোন দেখিছিল, তেওঁৰ আত্মবিশ্বাস আছিল যে তেওঁ এদিন নহয় এদিন নিজৰ সপোন পূৰণ কৰিব। সফলতাৰ পথত আত্মবিশ্বাসৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। নিজৰ ওপৰত বিশ্বাস নাথাকিলে কঠিন পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাটো কঠিন হৈ পৰে। লেখকৰ জীৱনৰ অভিজ্ঞতাই আত্মবিশ্বাস আৰু অধ্যৱসায়ৰ গুৰুত্ব স্পষ্ট কৰি তোলে।

অধ্যৱসায় মানে একেটা কাজ সফল নোহোৱালৈকে চেষ্টা কৰি থকা। প্ৰথমবাৰতে সফলতা নাহিলেও চেষ্টা বন্ধ নকৰাটো ইয়াৰ মূল কথা। বিফলতাক জীৱনৰ শেষ বুলি নাভাবি তাৰপৰা শিক্ষা লৈ পুনৰ আগবাঢ়িব লাগে। গ্ৰন্থখনৰ এই দিশটো বিশেষভাৱে শিক্ষণীয়। কাৰণ জীৱনত কোনো লক্ষ্য সহজে লাভ কৰিব নোৱাৰি। তাৰ বাবে সময়, পৰিশ্ৰম আৰু ধৈর্যৰ প্ৰয়োজন হয়। তেওঁ নিজৰ সপোনৰ বাবে বহু পৰিশ্ৰম আৰু ধৈর্য কৰি ৰাখিছিল নিজক।

গ্ৰন্থখনৰ ভাষা সহজ-সৰল আৰু প্ৰাঞ্জল। লেখকে অত্যাধিক জটিল শব্দ ব্যৱহাৰ নকৰি সাধাৰণ পাঠকে সহজে বুজিব পৰা ভাষাৰে নিজৰ অভিজ্ঞতাবোৰ প্ৰকাশ কৰিছে।

ৰুবুল মাউতৰ প্ৰকাশভংগীত ব্যক্তিগত অভিজ্ঞতাৰ আন্তৰিকতা অনুভৱ কৰিব পাৰি। নিজৰ জীৱনৰ ঘটনা বৰ্ণনা কৰোঁতে তেওঁ কেৱল ঘটনা উল্লেখ কৰা নাই; সেই ঘটনাৰ সৈতে জড়িত অনুভূতি আৰু শিক্ষাকো প্ৰকাশ কৰিছে। ফলত

গ্ৰন্থখন কেবল এখন আত্মজীৱনী হৈ নাথাকি পাঠকৰ বাবে এক প্ৰেৰণাদায়ক গ্ৰন্থলৈ পৰিণত হৈছে।

গ্ৰন্থখনৰ তাৎপর্য কেৱল লেখকৰ ব্যক্তিগত জীৱনৰ মাজতে সীমাবদ্ধ নহয়। ইয়াৰ মাজেৰে সমাজৰ বহু সাধাৰণ মানুহৰ সপোন আৰু সংগ্ৰামৰ ছবিও প্ৰতিফলিত হোৱা দেখা যায়। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰন্থখন যথেষ্ট শিক্ষামূলক। ইয়াৰ পৰা সময়ৰ মূল্য, শিক্ষাৰ গুৰুত্ব, কঠোৰ পৰিশ্ৰম, আত্মবিশ্বাস আৰু ধৈর্যৰ বিষয়ে শিক্ষা লাভ কৰিব পাৰি।

বর্তমান প্ৰতিযোগিতামূলক সময়ত নিজৰ লক্ষ্যত উপনীত হ'বলৈ মানসিক দৃঢ়তা অতি প্ৰয়োজনীয়। গ্ৰন্থখনৰ অভিজ্ঞতাই যুৱ প্ৰজন্মক নিজৰ লক্ষ্যৰ প্ৰতি অধিক সচেতন আৰু দায়বদ্ধ হ'বলৈ উৎসাহিত কৰিব পাৰে।

গ্ৰন্থখনৰ বিশেষত্ব হৈছে ইয়াৰ বাস্তৱ জীৱনভিত্তিক বিষয়বস্তু। লেখকে নিজৰ জীৱনৰ অভিজ্ঞতাক কেন্দ্ৰ কৰি সপোন আৰু সফলতাৰ কথা প্ৰকাশ কৰিছে। সেয়েহে ইয়াৰ বক্তব্য কৃত্ৰিম বা কেৱল উপদেশমূলক যেন নালাগে। গ্ৰন্থখনৰ আন এটা উল্লেখযোগ্য দিশ হৈছে ইয়াৰ আশাবাদী চিন্তাধাৰা। কঠিন পৰিস্থিতিৰ মাজতো আশা আৰু আত্মবিশ্বাস অটুট ৰখাৰ বার্তা ইয়াৰ মাজেৰে প্ৰকাশ পাইছে।

এখন গ্ৰন্থৰ সফলতা ইয়াৰ বিষয়বস্তুৰ লগতে উপস্থাপন পদ্ধতিৰ ওপৰতো নির্ভৰ কৰে। এই দিশৰ পৰা চালে 'মোৰো এটা সপোন আছে' গ্ৰন্থখন যথেষ্ট আকর্ষণীয়। লেখকে নিজৰ জীৱনৰ অভিজ্ঞতাক সহজ আৰু স্বাভাৱিকভাৱে উপস্থাপন কৰিছে। গ্ৰন্থখনৰ শক্তিশালী দিশ হৈছে ইয়াৰ বাস্তৱ অভিজ্ঞতাভিত্তিক বর্ণনা আৰু প্ৰেৰণাদায়ক বক্তব্য। পাঠকে ৰুবুলৰ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ মাজেৰে সংগ্ৰামৰ মূল্য উপলব্ধি কৰিব পাৰে।

অৱশ্যে কিছুমান ব্যক্তিগত অভিজ্ঞতাৰ বিৱৰণ কিছু দীঘলীয়া যেন অনুভৱ হ'ব পাৰে। তথাপি সেই বিৱৰণবোৰে মাউতৰ জীবন-যাত্ৰা আৰু চিন্তাধাৰা বুজাত সহায় কৰে। সেয়েহে এই দিশটো গ্ৰন্থখনৰ বিষয়বস্তুৰ সৈতে স্বাভাৱিকভাৱেই জড়িত।

সামগ্ৰিকভাৱে 'মোৰো এটা সপোন আছে' এখন প্ৰেৰণাদায়ক আত্মজীৱনীমূলক গ্ৰন্থ। গ্ৰন্থখনত সপোন, শিক্ষা, জীৱন-সংগ্ৰাম, আত্মবিশ্বাস আৰু অধ্যৱসায়ৰ বিভিন্ন দিশ সুন্দৰভাৱে প্ৰকাশ পাইছে। গ্ৰন্থখন পঢ়িলে এটা কথা স্পষ্ট হয় যে সফলতাৰ বাবে কেৱল প্ৰতিভা বা সুযোগেই যথেষ্ট নহয়। নিজৰ লক্ষ্যৰ প্ৰতি দৃঢ়তা, কঠোৰ পৰিশ্ৰম আৰু ধৈর্যও সমানেই প্ৰয়োজনীয়। এই কাৰণেই গ্ৰন্থখনৰ বক্তব্য ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ সৈতে সহজে সম্পর্ক স্থাপন কৰিব পাৰে।

"মোৰো এটা সপোন আছে" কেৱল এখন আত্মজীৱনীমূলক গ্ৰন্থ নহয়; ই সপোন দেখা আৰু সেই সপোন বাস্তৱায়িত কৰাৰ বাবে আগবাঢ়ি যোৱাৰ এক প্ৰেৰণাদায়ক কাহিনী। ডঁ ৰুবুল মাউতৰ জীৱন-সংগ্ৰাম আৰু অভিজ্ঞতাৰ মাজেৰে পাঠকে পৰিশ্ৰম, আত্মবিশ্বাস, ধৈর্য আৰু অধ্যৱসায়ৰ গুৰুত্ব উপলব্ধি কৰিব পাৰে। জীৱনত বাধা অহাটো স্বাভাবিক, কিন্তু সেই বাধাৰ বাবে নিজৰ লক্ষ্য এৰি দিয়াটো উচিত নহয়। নিজৰ সামর্থ্যৰ ওপৰত বিশ্বাস ৰাখি ধৈর্য সহকাৰে আগবাঢ়ি গ'লে সপোনক বাস্তৱ ৰূপ দিয়াৰ পথ মুকলি হয়ঃ এইটোৱেই গ্ৰন্থখনৰ অন্যতম মূল বার্তা।

সৰল ভাষা, বাস্তৱ জীৱনৰ অভিজ্ঞতা আৰু আশাবাদী চিন্তাধাৰাৰ বাবে 'মোৰো এটা সপোন আছে' এখন উল্লেখযোগ্য আৰু প্ৰেৰণাদায়ক গ্ৰন্থ হিচাপে বিবেচনা কৰিব পাৰি।

*(লেখক মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ছাত্ৰী।)*

## অ তি থি . লে খা




চিত্র ঃ আলঝেইমাৰৰ স্ব-প্রতিকৃতি, শিল্পী ঃ William Utermohlen

# মোৰ নাম নীৰেন বৰা

**আকাংক্ষা তামুলী**

'তাৰিখ: ২/০১/২০২৪

আজি পুৱা দৈ চিৰাৰ জলপান খালোঁ। তাৰ আগতে আনদিনাৰ দৰেই মই বাতৰি কাকতখন পঢ়িলোঁ। বাতৰি কাকতখনৰ নাম আমাৰ অসম। সন্ধিয়া বহুদিনৰ মূৰত এওৰ হাতৰ গাখীৰ চাহ একাপ খালোঁ। ৰাতি মচুৰ দাইলেৰে ভাত খালোঁ। লগত ফুলকবিৰ ভাজি আছিল। গাটো বৰ দুর্বল লাগি আছে। এইকেইদিন টোপনি বৰ গভীৰ হোৱা নাই। কৰ'বাত সামান্য শব্দ হ'লেও সাৰ পাই যাওঁ। মোৰ নাম নীৰেন বৰা। এওঁৰ নাম সূর্যকান্তি বৰা। ডাঙৰ



“বিস্কুটৰ ঘৰ উচ্ছেদ কৰি এতিয়া দৰৰে বসতি ল’লে দেখোন।” তেওঁৰ কথালৈ বৰ বিশেষ এটা গুৰুত্ব নিদি সূর্যকান্তিয়ে খুব গহীন হৈ কৈছিল, “এইখন ঘৰতনো আৰু কোনে বিস্কুট খাব। আপুনিয়ে খাব নে মই বুটীজনীয়ে খাম?

ল’ৰা সোণটি, সৰু ল’ৰাৰ নাম ধন। ছোৱালীজনীৰ নাম মাজান। মাইনা ডাঙৰ বোৱাৰী আৰু নাতিটোৰ নাম গীত, নাতিনীজনীৰ নাম গীতু।....’ “হেৰি, আপোনাৰ শুবলৈ হোৱাই নাই নে? অনবৰত কোঠাটোত সোমাই সোমাই কি কৰি থাকেনো বাৰু আপুনি?”

ঘৈণীয়েকৰ মাতত নীৰেন বৰাই খপজপকৈ ডায়েৰীখন লুকুৱালে। টেবুলখনৰ পৰা উঠি কোঠাটোৰ লাইটটো অফ্ কৰি তেওঁ শোৱাকোঠালৈ গ’ল। যাওঁতে মুখেৰে বিৰ্বিৰাই আছিল, “মোৰ নাম নীৰেন। মই গণিত বিষয়ৰ শিক্ষক আছিলোঁ। মোৰ.....” শোৱাকোঠাত সোমোৱাৰ লগে লগে তেওঁ মনে মনে থাকিল। তেওঁৰ ঘৈণীয়েকে বিচনাত বহি দৰৱৰ টেমাটো মেলি লৈছে। টেমাটোত আজি এবছৰ মানৰ আগতে গুড ডে’ বিস্কুট নাইবা মেৰিগল্ড বিস্কুট থোৱা হৈছিল। কেতিয়াবা বগী বেকাৰীৰ বেকাৰী বিস্কুট দুখনমানেও স্থান পাইছিল। একেটা টেমাতে সূর্যকান্তিয়ে আজিৰ পৰা বিশ বছৰমানৰ আগত তেওঁলোকৰ ল’ৰা-ছোৱালীকেইটাৰ প্ৰিয় বিস্কুট বিশেষকৈ কুকিজ, ক্ৰীম বিস্কুট এইবোৰ ৰাখিছিল। কেইবছৰমান আগলৈকে সোণটিহঁত আহিলে টেমাটো ভর্তি কৰিবলৈ গীত আৰু গীতুৰ কাৰণে নীৰেন বৰাই নিজেই সিহঁতৰ আব্দাৰৰ বিস্কুট কিনি আনিছিল। তেওঁ বিস্কুটকেইটাৰ নাম মনলৈ আনিলে। এহ্ বৰ টান মুখত নুফুটা নাম আছিল। বহু পৰৰ মূৰত নীৰেন বৰাৰ মনলৈ বিস্কুট পেকেটৰ নাম মনলৈ আহিল। ডার্ক ফেণ্টাচী। নামটো মুখত নুফুটাৰ বাবেই সেই বিস্কুট বিচাৰি তেওঁ কমেও দহখন দোকান চলাথ কৰিছিল। গীত-গীতুক নেদেখা আজি ডেৰবছৰেই হ’বৰ হ’ল। বৰ ব্যস্ত তেওঁলোকৰ বৰ পুত্ৰ। অসহায় অৱস্থা এটালৈ গুচি যাব খোজা মনটোক নীৰেন বৰাই আকৌ টেমাটোলৈ ঘূৰাই আনিলে। এতিয়া টেমাটোত থকাৰ অধিকাৰ অসংখ্য দৰৰে পালে। নীৰেন বৰাই সূর্যকান্তিক এই কথাটো লৈ জোকাইছিল। “বিস্কুটৰ ঘৰ উচ্ছেদ কৰি এতিয়া দৰৰে বসতি ল’লে দেখোন।” তেওঁৰ কথালৈ বৰ বিশেষ এটা গুৰুত্ব নিদি সূর্যকান্তিয়ে খুব গহীন হৈ কৈছিল, “এইখন ঘৰতনো আৰু কোনে বিস্কুট খাব। আপুনিয়ে খাব নে মই বুটীজনীয়ে খাম? বিস্কুটৰ মিঠা সোৱাদে আৰু আমাক আনন্দ দিবলৈ দিন আছেনে? এতিয়া দৰৰ তিতা হ’লেও সেই তিতাই আমাৰ কাৰণে অমৃত।”

এৰা্ তিতা এতিয়া অমৃত। সেই তিতা নহ’লে তেওঁলোকৰ জীৱনৰেই ভৰসা নথকা হ’ব। সত্যও দেখোন তিতা। বাস্তৱো তিতা। অর্থাৎ ‘ভাল’বোৰো তিতা। ‘বেয়া’বোৰো তিতা। তিতাতে লুকাই আছে আচল মিঠা। নীৰেন বৰাই মনতে কবিতা এটাই ৰচি পেলালে। তেওঁ আকৌ ভাবিলে কেতিয়াবা জীৱনো বৰ তিতা হৈ পৰে। তিতা খাবও লাগে। নীৰেন বৰাৰ মাকলৈ মনত

পৰিছিল। তাহানি মাকে তিতা কেৰেলাৰ ভাজি অলপ বা ভেকুঁৰি তিতাৰ ভাজি ভাতৰ কাঁহীত দিলেই তেওঁ নাখাওঁ বুলি চিঞৰ-বাখৰ কৰিছিল। তেতিয়াও মাকে সূর্যকান্তিৰ দৰে একে কথাই কৈছিল, "তিতা হ'লেও এইবোৰ অমৃতৰ দৰে।" তেওঁৰ মাকৰ নাম আছিল ধনমাই। দেউতাকৰ নাম? দেউতাকৰ নামটো ভাবি নীৰেন বৰাই ভাবত উজুতি খালে। তেওঁৰ কাণত ভাঁহি আহিল "বোপাই, গৰুকেইটা আহিছে। গোহালিত বান্ধি থ'গৈচোন...." সেইয়া দেউতাকৰ মাত। দেউতাকে তেওঁক বৰ মৰম কৰিছিল। মৃত্যুৰ আগমুহূর্ততো বোপাই, বোপাই বুলি চিঞৰিছিল। কি আছিল তেওঁৰ নামটো। নীৰেন বৰাই চচমাজোৰ খুলি থৈ বিচনাৰ কাষৰে আলমাৰীটোৰ ওপৰত থ'লে। তেওঁৰ চকুৰ আগত দেউতাকৰ ছবি এখন ভাঁহি আহিল। মিঠা বৰণীয়া মুখ এখন, এটা আটিল দেহা, ক'লা ৰঙৰ চকু দুটা, নাক এটা। আৰু তেওঁৰ মাক! তেওঁৰ মাকৰ নামটো.....!!!

মাক-দেউতাক ঢুকোৱা বহু বছৰ হৈ গ'ল। তথাপি তেওঁলোকলৈ মনত পৰিলে এতিয়াও সৰু শিশু এটাৰ দৰে চকুলো উপচি আহে সত্তৰ বছৰীয়া নীৰেন বৰাৰ। মাক-দেউতাৰ কথা ভাবি থাকোঁতে তেওঁৰ চকু আকৌ ঘৈণীয়েক সূর্যকান্তিলৈ গ'ল। দুৱাৰমুখতে ৰৈ নীৰেন বৰাই ঘৈণীয়েকে এফালৰ পৰা হাই প্ৰেচাৰ, চুগাৰ, থাইৰড, ইউৰিক এচিডৰ অভাৱত হোৱা ভৰিৰ বিষ ইত্যাদি ইত্যাদি অসুখৰ বাবে এটা এটাকৈ কেইবাটাও পিল আৰু শেষত যিংকোভিট নামৰ মাল্টিভিটামিন চিৰাপ খোৱাৰ পৰ্ব চাই ৰ'ল। এইবোৰ বেমাৰৰ বাবেই বয়সতকৈ আগতেই বুঢ়ী হ'ল মানুহজনী। হঠাতে তেওঁৰ হাঁহি উঠিল। তেওঁনো ক'ত চফল ডেকাজন হৈ আছে। চাকৰিৰ পৰা অৱসৰ লোৱা আজি পোন্ধৰ বছৰতকৈ বেছি হ'ল। গাৰ চাল শোঁটোৱা-শোঁটৰ পৰিলে, চুলিবোৰত বগাৰ ৰং ধৰিলে, দাঁতো ভালেকেইটা নোহোৱা হ'ল। অৱশ্যে তামোলখন খাব পৰাকৈ তেওঁৰ দাঁতকেইটা মজবুত হৈ আছে। শৰীৰটো একেবাৰেই ভাগৰুৱা হৈ আহিছে। চছমাজোৰ পিন্ধিও আজিকালি তেওঁ জুপিজুপিহে বাতৰি কাকত পঢ়ে। নীৰেন বৰাই হুমুনিয়াহ এটা কাঢ়ি। বিচনাত বহি একান্তমনে টেবলেটৰ পেকেট এটা জুপি জুপি চাই থকা ঘৈণীয়েকৰ মুখলৈ চালে। শোঁটোৱা শোঁটৰ গাল, শীর্ণ দেহ, বগা চুলিৰে সূর্যকান্তি সচাঁই বুঢ়ী হ'ল। তেওঁৰ মুখৰ আগত আজিৰ পৰা প্ৰায় ত্ৰিশ-চল্লিশ বছৰৰ আগৰ সূর্যকান্তিৰ মুখখন ভাঁহি আহিল। সকলোৱে এবাৰলৈ হ'লেও ৰ' লাগি চাই যোৱা মুখ। কামে-বনে পাৰ্গত, সকলোকে আদৰ-সন্মান কৰা সূর্যকান্তিক বিয়া কৰাবলৈ কমখন কৰা নাছিল তেওঁ। তেওঁলোকৰ দিনত প্ৰেম কৰি বিয়া হোৱা প্ৰায় যুদ্ধত জয় হোৱাৰ সমানেই আছিল। তাতে সূর্যকান্তি আছিল কলিতা বংশৰ ছোৱালী আৰু তেওঁ কোঁচ বংশৰ। গতিকে স্বাভাৱিকতে তথাকথিত সমাজখনত আৰু ঘৰদুখনতো ওজৰ আপত্তিৰ ঢল উঠিছিল। বিশেষকৈ সূর্যকান্তিৰ ঘৰত। ভাগ্যে নীৰেন বৰাৰ শিক্ষকতাৰ চাকৰিটোৱে সূর্যকান্তিৰ দেউতাকৰ মনটো কুমলাইছিল আৰু বিয়াত সন্মতি দিছিল। এতিয়া এইবোৰ ভাবিলে সপোন যেন লাগে। মনেৰে ঢুকি পোৱা কিন্তু হাতেৰে চুব নোৱাৰা সপোন! তেওঁলোকৰ বিয়াখন বাৰু কেতিয়া হৈছিল? ১৯৬৬ চনত? নহয় ১৯৫৮ চনৰ ব'হাগ মাহত আছিল নেকি বাৰু? নীৰেন বৰাই আশে-পাশে চালে। শোৱাকোঠা, মাজত এখন ডাঙৰ বিচনা, তাত বৃদ্ধ মানুহ এজনী, কোঠাৰ বেৰৰ ৰঙবোৰ সেউজীয়া। মাজানৰ প্ৰিয় ৰং সেউজীয়া আছিল। মাজান? কোন মাজান! নীৰেন বৰাই মুখতে বিৰবিৰালে, "মোৰ নাম নীৰেন বৰা...."

"সেইখিনিতে থৰ লাগিলে যে? গা বেয়া কৰিছে

নে কি আপোনাৰ?”

চিনাকি মাতটো শুনি নীৰেন বৰা চক্ খাই উঠিল। হচকিত হৈ তেওঁ মাতটোৰ গৰাকীৰ ফালে ৰ’ লাগি চালে। সূর্যকান্তি! হয়, সেইয়া সূর্যকান্তি। উজ্বল মুখ, এডাল দীঘল বেণী, কপালত ক’লা সৰু ফোট এটা, ওঁঠত প্রাণজুৰোৱা মিচিকিয়া হাঁহি। সেইজনী সূর্যকান্তি। তেওঁৰ জীৱনসংগিনী। তেওঁৰ প্রেম। জীৱনৰ প্রথম আৰু শেষ প্রেম। তেওঁৰ পত্নী! অ’ তেওঁৰ পত্নীৰ বয়স হ’ল। সূর্যকান্তিৰ বেণীডাল সৰু খোপা এটালৈ বিকাশ হ’ল। বৃদ্ধ হ’ল তেওঁৰ পত্নী। তেওঁৰ নিজৰ পত্নী! বয়সৰ লগে লগে সকলো আতঁৰি গ’লেও তেওঁৰ কাষত সদায় থিয় দি থকা একমাত্র মানুহ। নীৰেন বৰাই সূর্যকান্তিৰ মুখলৈ একেথৰে চাই ৰ’ল।

“হেৰি, মূৰ ঘূৰাইছে নেকি বাৰু আপোনাৰ? নে গেছে ধৰিছে? সন্ধিয়া গাখীৰৰ চাহকাপ খাবলৈ মানা কৰোঁতে মুখ ফুলাইছিল। মোকে চকু চেলাই ধৰিছিল। মই বেয়া কথাকে কওঁ সদায়। এতিয়া পিছে? গেছৰ পিল এটা খাই দিয়কচোন” সূর্যকান্তিয়ে তিনিবাৰমান মাত দিয়াৰ পাছতহে নীৰেন বৰাই গম পালে।


“হেৰি, কি হৈছে বাৰু আপোনাৰ? বেছিকৈ বেয়া কৰিছে নেকি গাটো? সোণটিক ফোন এটা কৰি দিওঁ নহ’লে?”

“তোমাৰ পুতেৰাই আমাৰ ফোন উঠোৱাৰ অনুগ্রহকণ নকৰে। সিহঁত ডাঙৰ হ’ল বুজিছা। বৰ ডাঙৰ! আমিও সিহঁতক চুব নোৱাৰো!”

“তেনেকৈ নো কিয় কৈছে? সন্তানক খুঁটি খাব পৰাকৈ ডাঙৰ-দীঘল কৰাটো প্রত্যেক পিতৃ-মাতৃৰ দায়িত্ব। সিহঁতৰ এতিয়া নিজা পৰিয়াল হ’ল, ব্যস্ত জীৱন এটা হ’ল।”

সূর্যকান্তিৰ কথাত ঈষৎ হাঁহি এটা মাৰি নীৰেন বৰাই ক’লে,

“এৰা সিহঁতৰ নতুন জীৱন এটা হ’ল!”



“একেবোৰ কথা কৈ কৈ অসন্তোষ কৰি নাথাকিবচোন আপুনি। ইমানকৈ ঘামিছে যে প্রেচাৰ উঠিছে নেকি বাৰু আপোনাৰ? ”

“নাই গৰমতে ঘামিছো। এনেই চিন্তা কৰি থাকা হে তুমি।”

এৰা, এইটো বয়সত গা বেয়া-ভালৰ বাহিৰে আন কথাৰ গুৰুত্ব হেৰাই যায়। দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি নীৰেন বৰা কোঠালৈ সোমাই গ’ল। চিধাই শুবলৈ যোৱাত ঘৈণীয়েকে আকৌ মাত লগাই দৰৱৰ টেমাতো আগবঢ়াই দিলে। দৰৱৰ পর্ব সম্পন্ন কৰাৰ এতিয়া তেওঁৰ পাল। পর্বটো শেষ কৰি তেওঁ বিচনাত দীঘল দি পৰিল। তেওঁ মনতে আওৰালে ‘ সোণটি কলেজ এখনৰ প্রফেচৰ, ডাঙৰ বোৱাৰীও একেখন কলেজতে চাকৰি কৰে। গীতে এইবাৰ হায়াৰ ছেকেণ্ডেৰী পাছ কৰিছে আৰু গীতু ক্লাচ চেভেনত পঢ়ি আছে। জোনাক! জোনাকে মানে মাজান,,,, অ’ মাজান এন,জিঅ এটাত চাকৰি কৰে। জোঁৱাইৰ গাড়ীৰ ডীলাৰ এটা আছে। ধন! ধন...আমাৰ সৰু ল’ৰা ধন.....’

“হেৰা, শুলা নেকি?”

“ও..”

“শুনিছা নে? হেৰা...”

“এস্ এইমাত্র টোপনি আহিছিল। কি হ’লনো?”

“ধনে কি পঢ়ি আছে?”

"ধনে! ফটোগ্রাফী কর্চ আকৌ। তাক সকলোৱে মানা কৰোঁতে আপুনিয়ে দেখোন তাক পঢ়িবলৈ পঠাইছিল।"

"এৰা! মইয়েই দেখোন পঠাইছিলো!"

"বহুত দেৰি হ'ল। শুই থাকক। নাৰায়ণ।"

শোৱাৰ সময়ত নাৰায়ণ বুলি কোৱাটো সূর্যকান্তিৰ বহুদিনীয়া অভ্যাস। তেওঁ নীৰেন বৰাৰ ফালে পিঠি দি শুলে। অলপতে তেওঁৰ নাক সৰুকৈ বাজি উঠিল। নীৰেন বৰাই ধনৰ ফটোগ্রাফী কর্চ কৰিবলৈ ইচ্ছা প্রকাশ কৰাৰ দিনটিৰ কথা মনত পেলালে। তেওঁলোকৰ তিনিওটা ল'ৰা-ছোৱালী পঢ়া-শুনাত সৰুৰে পৰা ভাল আছিল। বিশেষকৈ ধন আছিল সকলোতকৈ ভাল। হায়াৰ ছেকেণ্ডেৰী পাছ কৰি সি চিভিল ইঞ্জিনীয়াৰিং পঢ়িবলৈ শিলচৰ গৈছিল। তাক লৈ তেওঁলোকে বৰ আশা কৰি আছিল। কিন্তু আধাতে সি শিলচৰৰ পৰা ঘূৰি আহিল আৰু ঘৰৰ সকলোকে গোট খুৱাই ফটোগ্রাফী কর্চ কৰাৰ ইচ্ছাৰ কথা কৈছিল। ঘৰখনত সেইদিনা বিৰাট ডাঙৰ হুলস্থুল এখন হৈছিল। সূর্যকান্তিয়ে চকুলো বোৱাইছিল, সোণটিয়ে প্রায় হাত দাঙি আহিছিল। মাজানেও ঢেৰ কিবাকিবি কৈছিল। একমাত্র নীৰেন বৰাই নুমলীয়া পোৰ মুখখনলৈ চাই তাৰ সিধান্তত সন্মতি দিছিল। তেওঁ নিজেই গৈ তাক ফটোগ্রাফী কর্চ কৰিবলৈ.....নীৰেন বৰাই ঘপকৈ উঠি বহিল। ধনে ক'ত পঢ়ি আছে? তেওঁ নিজেই ধনক থৈ আহিছিল। প্রথমবাৰৰ বাবে তেওঁ প্লেনত উঠিছিল। ধন...ধনে কি পঢ়ি আছে? নীৰেন বৰা জ্বৰে ঘমাদি ঘামিবলৈ ধৰিলে। অস্থিৰ হৈ তেওঁ বিচনাখনৰ পৰা উঠি গ'ল।

মজিয়াত ভৰিকেইটা পেলাওঁতে বৰ দুর্বল অনুভৱ হ'ল। বিচনাৰ কাষৰ সৰু আলমাৰীটোৰ ওপৰৰ পৰা চচমাজোৰ লৈ থৰক বৰককৈ তেওঁ পঢ়াকোঠালৈ আগবাঢ়ি গ'ল।

ডেকা বয়সত কবি হোৱাৰ সপোন এটাই বেয়াকৈ শিঁপাই আছিল। সেই সপোন অৱশ্যে সপোন হৈয়ে ৰ'ল। কিন্তু এতিয়াও পূর্ণিমাৰ নিশা নীৰেন বৰাই খিৰিকীৰ ফাকেৰে জোনাকক মনভৰি চায়।

কোঠাটোৰ লাইট অন কৰি দুৱাৰমুখতে নীৰেন বৰা থৰ হৈ ৰ'ল। তেওঁ টেবুলৰ ওপৰৰ ঘড়ীটোলৈ চালে। তিনি বাজিছে। বাহিৰৰ পৰা কুকুৰ দুটামানৰ চিঞৰ ভাঁহি আহিছে। পূর্ণিমা আছিল নেকি সেইদিনা! নীৰেন বৰাই খিৰিকীখনৰ পর্দাৰ ফাকেৰে মৃদু পোহৰ এটা দেখিলে। জোনাকৰ পোহৰ। ডেকা বয়সত নীৰেন বৰাই জোনাক নিশাবোৰ বৰ ভাল পাইছিল। জোনাকৰ বাবে কেইবাটাও কবিতা লিখি পেলাইছিল তেওঁ। ডেকা বয়সত কবি হোৱাৰ সপোন এটাই বেয়াকৈ শিঁপাই আছিল। সেই সপোন অৱশ্যে সপোন হৈয়ে ৰ'ল। কিন্তু এতিয়াও পূর্ণিমাৰ নিশা নীৰেন বৰাই খিৰিকীৰ ফাকেৰে জোনাকক মনভৰি চায়। মাজানৰ পোছাকী নাম জোনাক তেওঁয়েইটো দিছিল। জোনাক! তেওঁৰ আলাসৰ লাডুজনী। ল'ৰা দুটাতকৈ ছোৱালীজনীৰ প্রতি নীৰেন বৰাৰ

মৰমতো অলপ বেছি আছিল। লাগ বুলিলেই যিকোনো বস্তু আনি দিছিল আৰু সূর্যকান্তিয়ে তাইক গালি পাৰিলে ওলোটাই ঘৈনীয়েককে গালি পাৰিছিল। সূর্যকান্তিয়ে তেতিয়া ভোৰভোৱাই, "মৰম কৰি কৰি মূৰৰ ওপৰত উঠাই লৈছে। আগলৈ কাৰো কথাই নুশুনা হ'ব। ছোৱালী নষ্ট কৰিছে আপুনি" নীৰেন বৰাই হাঁহি হাঁহি কৈছিল, "এজনীয়ে ছোৱালী আমাৰ। তাইক মৰমেৰে নষ্ট নকৰিনো আৰু কাক কৰিম?" কথাবোৰ মনত পৰি নীৰেন বৰাৰ ওঠত হাঁহি এটা বিৰিঙি পৰিল। তেওঁৰ কণমানি মাজানজনী এতিয়া এঘৰৰ বোৱাৰী হ'ল। জোঁৱাইৰ ঘৰখন? জোঁৱাইৰ নামটো? মাজানৰ পোছাকী নামটো? তেওঁৰ কাণত ৰিঙকৈ মাত এটা ভাঁহি আহিল জোন...? জোনাক! জোনাক কোন? নীৰেন বৰাই দুইখন হাতেৰে মূৰটো হেঁচি ধৰিলে।

মূৰৰ পৰা হাত দুখন আতঁৰাই আনি অচিনাকী মানুহৰ দৰে নীৰেন বৰাই পঢ়া টেবুলখনলৈ চালে। সদায় দেখা কোঠাটো হঠাতে এটা শিশুৰ প্ৰথম খোজৰ দৰে আছিল। তেওঁৰ টেবুলখনৰ কাষত ৰৈ আছে তেওঁৰ মাক। তামুলৰ পিকেৰে ৰঙীন ওঁঠ, কপালত ৰঙাকৈ সেন্দুৰৰ ফোট, ডিঙিত সোণৰ চেইনডাল। অ' তেওঁৰ মাকে বগা সাজজোৰ পিন্ধা নাই! তাৰমানে তেওঁৰ দেউতাক এতিয়াও জীয়াই আছে। নীৰেন বৰাই এবাৰ ওচৰে-পাজৰে চালে নাই দেউতাক ইয়াত নাই। তেওঁৰ মনত পৰিল যে দেউতাক দেওবৰীয়া বজাৰলৈ গৈছে। তেওঁলৈ লজেন্স আনিম বুলি কৈ থৈ গৈছিল। তেওঁ পুনৰ মাকলৈ চালে। তেওঁৰ মাকে অন্য মাকে শিশুটোৱে প্ৰথম খোজ পেলোৱাত হাঁহিমুখেৰে হাত মেলি দিয়াৰ দৰে হাত মেলি দিছে। আৰু তেওঁ থুনুক থানাকৈ ভৰি দুটিত শৰীৰৰ ভৰ এৰি মাকৰ কোলালৈ বেগাই যাব বিচাৰিছে। এই পৰিবলৈ ধৰিছে তেওঁ। আৰু আকৌ উঠি গৈছে। গৈ আছে, থমকি ৰৈছে। এপাকত মজিয়াত থুপুককৈ পৰিছে। "আহা সোণ, আহা" মাকৰ মাতত তেঁও আকৌ উঠি খোজ লৈছে।

নীৰেন বৰা থৰক-বৰককৈ টেবুলখনৰ কাষ পায় অলপ সময় থৰ হৈ ৰ'ল। টেবুলখনৰ ওপৰত কিতাপৰ জাপ এটা আছিল। তাতে তেওঁ ডায়েৰীখন পাই হাতত তুলি ল'লে। ডায়েৰীখন মেলি তেওঁ একো আতঁ বিচাৰি নোপোৱা মানুহৰ দৰে থৰ লাগি থাকিল। তেওঁ ডাঙৰ ডাঙৰকৈ পঢ়িলে, 'মোৰ নাম নীৰেন বৰা। মই গণিত বিষয়ৰ শিক্ষক আছিলোঁ। মই .....'

অচিনাকী হৈ পৰিল। তেওঁৰ কিতাপৰ আলমাৰীটো, টেবুলৰ ওপৰৰ ঘড়ীটো, খিৰিকীৰ পর্দাখন, টেবুলৰ ওপৰত থকা এইমাহৰ আলোচনীকেইখন সকলোবোৰ নীৰেন বৰাৰ নতুন যেন লাগিল। তেওঁ টেবুলখনৰ ওচৰলৈ আগবাঢ়ি গ'ল। তেওঁৰ খোজ তেতিয়া এজন পৰিপক্ক মানুহৰ খোজ নাছিল। তেওঁৰ খোজবোৰ

নীৰেন বৰা থৰক-বৰককৈ টেবুলখনৰ কাষ পায় অলপ সময় থৰ হৈ ৰ'ল। টেবুলখনৰ ওপৰত কিতাপৰ জাপ এটা আছিল। তাতে তেওঁ ডায়েৰীখন পাই হাতত তুলি ল'লে। ডায়েৰীখন মেলি তেওঁ একো আতঁ বিচাৰি নোপোৱা মানুহৰ দৰে থৰ লাগি থাকিল। তেওঁ ডাঙৰ ডাঙৰকৈ পঢ়িলে, 'মোৰ নাম নীৰেন বৰা। মই গণিত বিষয়ৰ

শিক্ষক আছিলোঁ। মই .....' নীৱেন বৰা অলপ সময় ৰ'ল। সোণটিৰ নামটো দেখি তেওঁৰ কাণত সোণটিৰ মাতটো ভাঁহি আহিল 'তুমি আমাক মাটিখিনি সোনকালে ভাগ কৰি দিয়া। ঘৰটো আমাক নালাগে ধনকে দিবা। মোক মাটিখিনি আৰু মাৰ গহনাখিনি দিলেই হ'ল।' সোণটি! তেওঁৰ বৰ পুত্ৰ। সোণটিয়ে কলেজত চাকৰি পাওঁতে এহাত দূৰলৈকে ফুলি উঠিছিল তেওঁৰ বুকুখন। তেওঁৰ পুত্ৰ সোণটি! সোণটি তেওঁৰ আগত হাত পাতি আগুৰাই আহিছে। তেওঁ চিঞৰি উঠিল, "সোণটি মাটিখিনি মই সূৰ্যমুখী এন জি অ'ক দান দিছো। তেওঁলোকে তাত বৃদ্ধাশ্ৰম এখন নিৰ্মাণ কৰিব। তাতে আমাৰ দৰে নিসংগ বৃদ্ধ-বৃদ্ধাবোৰ থাকিব, অকণমান হাঁহিব, অকণমান কান্দিব। তই মোক নামাৰিবি অ', গালি নাপাৰিবি দেই.... "

এইয়া মাজানৰ মাত "এনেই এনেই ফোন কৰি নাথাকিবাচোন। মই বহুত বিজী থাকোঁ।" তেওঁৰ জোনাক! তেওঁ মৰমেৰে নষ্ট কৰা মাজান। "মাজান, জোনাকজনী মোৰ! মোৰ লগত এবাৰলৈ হ'লেও ভালকৈ কথা পাতিবিচোন অ'।" নীৱেন বৰাৰ কথা শুনি মাজান হঠাতে নোহোৱা হৈ যায়। নীৱেন বৰাই ডায়েৰীৰ পৃষ্ঠাটো লুটিয়াই ধনৰ নামটো বিচাৰি পালে। ধনে ফটোগ্ৰাফীৰ কৰ্চ এটা কৰি আছে। সোণটিৰ মতে সি সকলোৰে নাম ডুবাইছে। 'দেউতা, তুমি সময়ত মেডিচিনবোৰ খাইছা নাই বাৰু? দিল্লীত এতিয়া বৰ ঠাণ্ডা পৰিছে। ঠাণ্ডা কমিলে তোমাক আৰু মাক ইয়ালৈ ফুৰাবলৈ আনিম' তেওঁৰ ধন! সেইয়া তেওঁৰ নুমলীয়া পো। ধনে দিল্লীত পঢ়ি আছে। তেওঁৰ ধনৰ দেউতাক! ধনৰ মাক? কোন আছিল ধনৰ মাক? ধন! ধন?

"এই ৰাতিখন কি কৰিছে আপুনি?"

"কোন? তুমি কোন?"

"মই....! কি কৈছে আপুনি? মই সূৰ্যকান্তি...."

"সূৰ্যকান্তি! কোন?"

নীৱেন বৰাই দুৱাৰমুখত ৰৈ তেওঁলৈ চাই থকা সূৰ্যকান্তিলৈ প্ৰস্তৰ মূৰ্তিৰ দৰে চাই ৰ'ল। হঠাতে তেওঁ মূৰত প্ৰচণ্ড বিষ অনুভৱ কৰিলে। মূৰটো হাত দুখনেৰে হেঁচা মাৰি ধৰিলে। তেওঁৰ আচৰণত সূৰ্যকান্তি হতবাক হ'ল। বিপাঙত পৰি তেওঁ গিৰীয়েকৰ ওচৰলৈ খোজ ল'লে। তেওঁৰ কাষ চাপিব খোজোতে নীৱেন বৰা হাতৰ ডায়েৰীখন টেবুলত পেলাই মজিয়াত বহি পৰিল। সূৰ্যকান্তিয়ে গিৰীয়েকৰ ডায়েৰীখন লৈ প্ৰথম পৃষ্ঠাটো লুটিয়ালে,

'তাৰিখ ২০ /১১ /২০২৩

মোৰ নাম নীৱেন বৰা। এলজাইমাৰ ৰোগে লাহে লাহে মোৰ শৰীৰ, মন কাবু কৰি আহিছে। এই কথা মই সকলোৰে অজ্ঞাতে ৰাখিছোঁ। কিয়নো মই লাহে লাহে অন্য এখন পৃথিৱীক নিজৰ পৃথিৱী বুলি ভাবিবলৈ লৈছোঁ। মই অতি সোনকালেই সকলো পাহৰি পেলাম। আনকি নিজকো.....'

*(লেখক তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰী তথা,*
*গল্পটো কে চি দাস কমাৰ্চ কলেজৰ মহাবিদ্যালয় সপ্তাহ- ২০২৬ত আয়োজিত*
*দ্বিতীয় বাৰ্ষিক আন্তঃ মহাবিদ্যালয়-বিশ্ববিদ্যালয় চুটিগল্প প্ৰতিযোগিতাত দ্বিতীয় স্থানপ্ৰাপ্ত চুটিগল্প।)*

# ব্যস্ততা

## আয়ুস দাস

শীতৰ শেষৰ ফালৰ এটা আবেলি। আকাশখন মুকলি যদিও বতাহত অলপ ঠাণ্ডা যেন লাগিছে। কামৰ পৰা খৰধৰ কৰি আহি, অলপ সাজি-কাছি গাড়ীখন লৈ চহৰৰ ব্যস্ত ৰাস্তাটোৰে আগবাঢ়ি গ'ল।

বিশ্ববিদ্যালয়ত পঢ়া শেষ কৰি সৌৰভে কামৰ বাবে চহৰলৈ মন মেলিছিল। তাতে চৰকাৰি চাকৰি, কেইবছৰমানৰ ভিতৰতে জীৱনটো যথেষ্ট সলনি হৈছিল। নিজৰ ঘৰ, চাকৰি, গাড়ী, বহুতো চিনাকি মানুহ আৰু ভৱিষ্যৎ লৈ বিভিন্ন ধৰণৰ পৰিকল্পনা— সকলো যেন ঠিকেই চলি আছিল।

কিন্তু সময়ে যিমান আগুৰাই নিব বিচাৰে জীৱনটো তাৰে সমসাময়িকভাৱে অতীতত বহুখিনি বস্তু পিছফালে এৰি আহিবলগীয়া হয়, আৰু এই কথাটোৰ অর্থ সৌৰভে বহু ভালদৰে বুজিছিল। প্রায় বাৰ বছৰেই হ'ল, সৌৰভে নিজৰ গাঁওখন এৰি কাম বুলি চহৰলৈ যোৱা। চহৰৰ পৰা প্রায় ন কিলোমিটাৰত গাঁওখন।



চিত্র ঃ Abstract Machine by Rafal Ramatowski

গাঁওখনৰ ওচৰ পোৱাৰ সৌৰভৰ চকুত কিছু চিনাকি দৃশ্যবোৰ আহি পৰিল। পুৰণি পুখুৰীটো এতিয়াও আছিল। বিদ্যালয়ত কাষত থকা বকুল গছজোপা, বিদ্যালয়ত ল'ৰা-ছোৱালীৰ হুলস্থূল, সকলোবোৰ দেখি সৌৰভৰ অতীতলৈ মনত পৰিছিল। গাড়ীখন ৰাস্তাৰ কাষত ৰখাই আগৰ কথাবোৰ ভাবিব ল'লে। এই পথটোৰে সি আদায় বিদ্যালয়লৈ অহা-যোৱা কৰিছিল। তেতিয়া তাৰ লগত আছিল নিলয়।

'নিলয়' তাৰ আটাইতকৈ ঘনিষ্ঠ বন্ধু। দুয়ো একেলগে পঢ়িছিল, খেল-ধেমালিও একেলগে, লগতে দেখিছিল ডাঙৰ হোৱাৰ সপোন।

নিলয় ঃ আমি দুয়ো ডাঙৰ হ'লে চহৰলৈ যাম। তই ডাঙৰ চাকৰি কৰিবি, মই নিজৰ ব্যৱসায় কৰিম। গাঁৱলৈ ঘূৰি নাহোঁ তাৰ পাছত।

দুয়োপেই তেতিয়া কথাটো কৈ হাঁহিছিল। কিন্তু জীৱনটো দুয়োৰে বাবে বেলেগ বেলেগ পথ বাছি লৈছিল। সৌৰভে চহৰলৈ গ'ল, নিলয় গাঁৱতে থাকিল। প্ৰথম কেইবছৰমান দুয়োৰে যোগাযোগ আছিল, তাৰ পাছত লাহে লাহে দুয়োৰে জীৱনত ব্যস্ততা বাঢ়িল। ফোন কমিল, দেখা সাক্ষাৎ কমি গ'ল। জীৱনৰ ব্যস্ততাত দুয়ো যেন হেৰাই পৰিল। গাঁওখনলৈ আহিয়ে নিলয়লৈ সৌৰভৰ গভীৰ চিন্তা। "নিলয় এতিয়া ক'ত আছোহে।"

তেতিয়াই ওচৰৰ চাহ দোকানত বহি থকা এজন বৃদ্ধক সৌৰভে সুধিলে—

সৌৰভ ঃ "ককা, নিলয়ক চিনি পায় নেকি? নিলয় দাস"।

ককা ঃ "তই সৌৰভ নহয় জানো?"

সৌৰভ ঃ "হয় ককা।"

ককাই ঃ "বহুত ডাঙৰ হৈ গ'লি। চিনি পাবলৈযো কঠিন এতিয়া। নিলয়ক বিচাৰিছ?"

সৌৰভ ঃ "হয়।"

ককা ঃ "সি এতিয়া আগৰ ঘৰটোত নাথাকে।"

সৌৰভ ঃ "ক'ত থাকে?"

কাকা ঃ "হাস্পতালখনত পাছফালে তাৰ ধেমটিতে আছে। ঘৰৰ অৱস্থা যথেষ্ট বেয়া হৈ পৰিল কাৰণে নিজৰ পঢ়া বেছি দূৰলৈ নিব নোৱাৰিলে।"

এই কথকেইটা শুনি সৌৰভ আচৰিত হৈ পৰিল। সৌৰভে একো নকলে। তাৰ মনত হঠাতে সেই লৰাজনৰ কথা আহিলে, যিয়ে এদিন কৈছিল— মই নিজত ব্যৱসায় কৰিম ইত্যাদি।

গাঁওখনৰ ওচৰ পোৱাৰ সৌৰভৰ চকুত কিছু চিনাকি দৃশ্যবোৰ আহি পৰিল। পুৰণি পুখুৰীটো এতিয়াও আছিল। বিদ্যালয়ত কাষত থকা বকুল গছজোপা, বিদ্যালয়ত ল'ৰা-ছোৱালীৰ হুলস্থূল, সকলোবোৰ দেখি সৌৰভৰ অতীতলৈ মনত পৰিছিল। গাড়ীখন ৰাস্তাৰ কাষত ৰখাই আগৰ কথাবোৰ ভাবিব ল'লে। এই পথটোৰে সি আদায় বিদ্যালয়লৈ অহা-যোৱা কৰিছিল। তেতিয়া তাৰ লগত আছিল নিলয়।



মানুহে ব্যস্ততাৰ মাজতো
নিজৰ লোকসকলক
পাহৰি যাব নালাগে।
নহ'লে অৱশেষত মানুহ
অকলশৰীয়া হৈ পৰে।

হাস্পতালখনৰ কাষত পাই অলপ সময় বিচৰাৰ পাছত সৌৰভে নিলয়ৰ ঘৰটো দেখিলে। ভিতৰত গৈ সৌৰভে আচৰিত হ'ল। নিলয়ৰ দূৰৱস্থা দেখি নিমিষতে তাৰ চকুলো ভৰি পৰিল।

সৌৰভ ঃ "নিলয়!"

নিলয় ঃ "সৌৰভ? বন্ধু আহ আহ বহহি।"

সৌৰভে বহি নিলয়ক সুধিলে তাৰ এনে দুর্গতি কেনেকৈ হ'ল?

নিলয় ঃ "পঢ়াশুনা বেছি কৰিব নোৱাৰিলোঁ। ঘৰত দায়িত্ব মোৰ ওপৰত আহি পৰিল। আকৌ পিছ বছৰ পাছত স্বাস্থ্য বেয়া হ'ব ধৰিলে আৰু এতিয়া এয়া।"

সৌৰভ ঃ "কিয় মোক এবাৰে ফোন নকৰিলি?"

নিলয় ঃ "তই ব্যস্ত আছিলি।"

সৌৰভ ঃ "কিন্তুঙ্গ"

নিলম ঃ "তয়োতো ফোন কৰিব পাৰিলিহেঁতেন।"

নিলয়ৰ এই কথাষাৰে সৌৰভৰ হৃদয় যেন গধুৰ কৰি তুলিলে। সি উত্তৰ দিলে —

সৌৰভ ঃ "পাৰিলোঁহেঁতেন।"

নিলম ঃ "কিন্তু কেতিযাবা মানহে বুজি যায় যে সন্মুখৰ মানুহজনৰ নিজৰ কৰে আগৰ দৰে ঠাই নোহোৱা হয়।"

দুযোৰে অলপ সময় কথা পাতি শেষত সৌৰভে কলে —

সৌৰভ ঃ "লগ কৰি ভাল লাগিল নিলয়। হ'বদে, এতিয়া মই গৈ থাকোঁ।"

নিলম ঃ "মোৰো মনটো শান্ত হ'ল।"

গাঁৱৰ পৰা ওলাই আহোঁতে সৌৰভে ভাবিলে কি সময় বস্তুটি বহুত ঘটিল। খন্তেকতে বহুত কিবা হ'ব পাৰে আৰু "ব্যস্ততা" এই ব্যস্ততাৰ বাবে সি নিজৰ আপোন যেন লগা বন্ধু এটাক হেৰুৱাবলগা হ'ল।

এই কথাবোৰ ভাবি ভাবি সৌৰভৰ মন গধুৰ হৈ পৰিল। সি চিন্তা কৰি ক'লে —

সৌৰভ ঃ "মানুহে ব্যস্ততাৰ মাজতো নিজৰ লোকসকলক পাহৰি যাব নালাগে। নহ'লে অৱশেষত মানুহ অকলশৰীয়া হৈ পৰে।"

*(লেখক মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ছাত্র।)*

# পূর্ব প্রস্তুতি...

শান্তনু কাকতি

তৰাজাকৰ নির্যাসত
তিয়াই লওঁ আঙুলিকেইটা,
আৰু লিখি যাওঁ
বিচ্ছেদৰ পূর্বৰ নিশাৰ কবিতা।

অনুৰাগ আৰু মোহক
কিয় ঢাহি মুহি লৈ যায় সময়ে।

আমি হৈ থাকি কিজানিবা
আগচি ধৰিব পাৰোৱেই....

ৰান্ধনি বেলিৰ পোহৰত
হেঁপাহৰ নাওখন বন্ধাৰ প্রয়াস কৰো আহ!
শেষবাৰৰ বাবে।
*(কবি মহাবিদ্যালয়ৰ স্নাতক মহলাৰ ছাত্র।)*

অনুৰাগ আৰু মোহক
কিয় ঢাহি মুহি লৈ যায়
সময়ে।



Blue Butterfly Watercolor art by Olga Shvartsur

# শেষ ছেমিষ্টাৰ, আৰু এটা আড্ডা

চিন্ময় মহন্ত

এই কৰিড'ৰবোৰত মোৰ কৈশোৰ পাৰ হোৱা নাই।
কলেজৰ প্রথম দিনৰ সেই উত্তেজনা,
বা স্নাতক মহলাৰ পুৰণি গল্প মোৰ সৈতে নাই
মই আহিছিলো অলপ পলমকৈ--
পোনে-পোনে স্নাতকোত্তৰ মহলাত,
বুকুত লৈ উচ্চাকাংক্ষা, চাপ আৰু অলপ অজান শংকা।
শিক্ষা- শ্রেণীকোঠাত বা পৰীক্ষা গৃহৰ চাৰিবেৰত সীমিত নাছিল,
কিছু পাঠ পঢ়িছিলো কেণ্টিনৰ আড্ডাত
য'ত আমাৰ চাহ কাপ আছিল মটিভেশ্যনতকৈও গভীৰ,
কেৰিয়াৰৰ ভয়বোৰ আমি ধেমালিৰ চলেৰে কৈছিলো,
অনিশ্চয়তাক ঢাকি ৰাখিছিলো আমাৰ হাঁহিৰে।
সেই আড্ডাত এছাইনমেণ্টবোৰ যেন পাতল লাগিছিল।
ভৰিষ্যতে আমাক প্রশ্ন কৰিবলৈ পাহৰি গৈছিল।
এইয়া শেষ ছেমিষ্টাৰ
চিলেবাছ প্রায় শেষ,
চিৰ পৰিচিত কাপবোৰ একেই থাকিব,
কিন্তু আমি তাত নাথাকোঁ।
কেৱল এটা ডিগ্রী নহয়,
কিছুমান অকথিত নিস্তব্ধতা কঢ়িয়াই নিম,
আৰু একেলগে কটোৱা সেই শেষ মুহূর্তৰ স্মৃতি,
যেন এক অভিনয়- এয়া জানো বিদায়?
*(কবি মহাবিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ছাত্র।)*



অ তি থি . লে খা

# অসমিয়া রোমান্টিককাব্যে রবীন্দ্রানুরণন

ড° নীলমোহন রায়

রবীন্দ্রনাথের অসামান্য, অতুলনীয় প্রতিভার বিষয়ে বলতে গিয়ে একদা কাইজারলিং বলেছিলেন-- তিনি এমন একজন পুরুষ যাঁর সমকক্ষ বহু বহু শতাব্দী ধরে পৃথিবীর কোথাও পরিদৃষ্ট হয়নি- 'There has been no one like him anywhere on our globe for many and many centuries.' এই ধরণের বিরল প্রতিভার অধিকারী কবি তাঁর আকাশলঙ্ঘী সৃষ্টিরাজির উৎকর্ষতা দিয়ে স্বাভাবিকভাবেই ভারতবর্ষের সবশ্রেণীর কবি-সাহিত্যিক এবং তাঁদের প্রাদেশিক সাহিত্যকে উদ্বুদ্ধ এবং সমৃদ্ধ করে গেছেন। উপনিষদিক ভাবনাকে আধার করে রবীন্দ্রনাথ তাঁর বিশাল সাহিত্যভাণ্ডার গড়ে তুলেছিলেন। মহাভারতীয় সাংস্কৃতিক পরম্পরা, ভারতবোধ এবং বিশ্ববোধ তাঁর লেখাতে সবচেয়ে উজ্জ্বল রূপে প্রকাশিত এবং পল্লবিত হয়েছে। উৎকর্ষ-গুণে তাঁর কবিতা এমন এক উন্নততর স্তরে পৌঁছেছে যে স্তরে পৃথিবীর অতি কমসংখ্যক কবিই উপনীত হতে পেরেছেন। নোবেল পুরস্কার প্রাপ্তির সুবাদে তিনি বিশ্বকবিরূপে বন্দিত হওয়ার পর থেকে সমগ্র

উপনিষদিক ভাবনাকে আধার করে রবীন্দ্রনাথ তাঁর বিশাল সাহিত্যভাণ্ডার গড়ে তুলেছিলেন। মহাভারতীয় সাংস্কৃতিক পরম্পরা, ভারতবোধ এবং বিশ্ববোধ তাঁর লেখাতে সবচেয়ে উজ্জ্বল রূপে প্রকাশিত এবং পল্লবিত হয়েছে।

ভারতবর্ষের কবি-সাহিত্যিকগোষ্ঠী তাঁর প্রতি অধিক কৌতূহলী হয়ে ওঠেন। ভারতবর্ষের প্রায় সব প্রাদেশিক তথা আঞ্চলিক ভাষাতেই রবীন্দ্রসৃষ্টি-চর্চা ব্যাপকভাবে শুরু হতে থাকে। অসমে এই চর্চার পরিমাণ অন্যান্য প্রদেশের তুলনায় কিছুটা বেশি ছিল। এ সম্পর্কে অসমের রবীন্দ্র-গবেষিকা ডঃ পল্লবী ডেকা বুজরবরুয়া বলেছেন--- "বঙ্গদেশ হ'ল আধুনিক অসমীয়া সাহিত্যর প্রসূতিগৃহ। অসমীয়া আধুনিক সাহিত্যর জন্ম আরু পরিবর্ধনর সময়খিনিত রবীন্দ্রনাথ ঠাকুর বঙ্গদেশতেই নহয়, সমগ্র ভারতবর্ষেরেই এজন প্রভাবশালী কবি হৈ উঠিছিল বিশ্বদরবারত। অসম বঙ্গদেশর তেনেই চুবুরীয়া রাজ্যই নহয়, রাজনৈতিক, সামাজিক, অর্থনৈতিক, ভৌগোলিক আনকি সাংস্কৃতিকভাবেও অতি ঘনিষ্ঠ আত্মীয় হোয়ার কারণে অসমীয়া সাহিত্যত, বিশেষকৈ কাব্যক্ষেত্রত রবীন্দ্রচর্চা অন্যান্য প্রদেশতকৈ বেছি ব্যাপক আরু গভীর রূপত ঘটিল।"

রবীন্দ্র-অনুরাগের এই যুক্তিনিষ্ঠ এবং আবেগমধুর প্রতিফলনের উজ্জ্বল স্বাক্ষর অসমিয়া সাহিত্য-ইতিহাসের রোমান্টিক পর্বের (১৮৮৯-১৯৪০) কাব্যধারায় কীভাবে মিলে-মিশে আছে, তারই আলোকপাত বর্তমান নিবন্ধের প্রতিপাদ্য। বলাবাহুল্য, রোমান্টিক পর্বের পরবর্তী যুদ্ধোত্তর পর্বের অসমিয়া কাব্যের দেহ-মনেও রবীন্দ্রনাথের দ্যুতিময় উপস্থিতি লক্ষণীয় হয়ে উঠেছে, যদিও এ প্রবন্ধে সে প্রসংগে আলোকপাত করার অবকাশ নেই।

বলতে গেলে রবীন্দ্রনাথ অসমিয়া রোমান্টিক কাব্য-সাহিত্যের দেহমনের অনেকখানি জুড়ে আছেন। সুনির্বাচিত মাধুর্যপূর্ণ শব্দরাশি, গভীর অর্থবহ প্রতীক, দ্যোতনাময় চিত্রকল্প, নানাবিধ ছন্দ এবং মুক্ত স্বচ্ছ গীতিধর্মিতার ক্ষেত্রে অসমিয়া রোম্যান্টিক কাব্য রবীন্দ্রনাথের প্রেরণায় উদ্দীপ্ত। এসবের ঊর্ধ্বে অসমিয়া কাব্য-সাহিত্যে রবীন্দ্রনাথের তাৎপর্য এই যে, তিনিই অসমিয়া রোমান্টিক কবিদের সামনে একটি উন্নত কাব্যাদর্শ তুলে ধরেছেন- যার অনিবার্য পরিণতি হলো এক সমৃদ্ধতর অসমিয়া কাব্যসাহিত্য সৃষ্টির ত্বরান্বিত প্রয়াস। অবশ্য এক্ষেত্রে রবীন্দ্রনাথ ছাড়াও ইংরেজ রোমান্টিক কবিকুল এবং বিহারীলাল, মাইকেল, হেমচন্দ্র, নবীনচন্দ্র প্রমুখ বঙ্গের কবিকুলের কাব্যাদর্শের প্রেরণাও অনস্বীকার্য।

স্মরণীয় যে, রবীন্দ্রনাথ সমন্বিতে বঙ্গীয় কবিদের এই কাব্যাদর্শ গ্রহণের পেছনে এক ঐতিহাসিক কারণ বিদ্যমান। অসমের তুলনায় বঙ্গদেশ অনেক আগেই ইংরেজদের অধীন হয়েছিল এবং তার ফলে ইউরোপীয় ভাষা-সাহিত্য সংস্কৃতির সঙ্গে বাঙালিদের পরিচয় নিবিড় হয়ে উঠেছিল। সেই নিবিড়তা তাঁদের উদ্বুদ্ধ করেছিল এক সমৃদ্ধ সাহিত্যসৃষ্টির এষণায়। সেইসময় কলকাতাকে কেন্দ্র করে বঙ্গদেশের সমাজ-সাহিত্য-সংস্কৃতি-রাজনীতিতে নবজাগরণ এসেছিল, সাহিত্য ক্ষেত্রে এসেছিল পূর্ণতা। সেইসময় লক্ষ্মীনাথ বেজবরুয়া সহ একদল যুবক উচ্চশিক্ষার্থে কলকাতায় প্রবাসী ছিলেন। এ প্রসঙ্গে 'The nineteenth Century Renaissance in India and Lakshminath Bezbaruwa of Assam' নিবন্ধে ডঃ সুনীতি কুমার চট্টোপাধ্যায় লিখেছেন : 'More than any place in Assam, Calcutta became the real centre of a progressive literary and Cultural movement for the Assamese people, and the real modernisation of the mind of Assam began with Lakshminath Bezbaruwa and his group. This

group included most of the promissing Assamese students who had come to Calcutta for education.' সেই সময় ইংরেজি কাব্য সাহিত্যের প্রভাব বাংলা সাহিত্যে পড়েছিল, এবং ভাষা-সাহিত্যপ্রেমী এইসব ছাত্র যুগপৎ ইংরেজি এবং বাংলা সাহিত্য পঠন-পাঠনের মাধ্যমে উদ্দীপ্ত হয়ে অসমিয়া সাহিত্যেও অনুরূপভাবে রোমান্টিক সাহিত্যের স্রোত বইয়ে দিতে সংকল্পবদ্ধ হয়েছিলেন। এ সম্পর্কে সমালোচক হরিদন্ত শর্ম্মার লেখা একটি কথা অতিশয় গুরুত্বপূর্ণ। তিনি লিখেছেনঃ "ইংরাজী প্রভাব ইংরাজী ভাষার মাধ্যমে প্রত্যক্ষভাবে যিমানখিনি আহরণ করা হ'ল তাতোকৈয়ো বেছি করা হ'ল বাংলা সাহিত্যর যোগেদি। বাংলা সাহিত্যর তুলনাত ইংরাজী সাহিত্যর অধ্যয়ন আরু অনুশীলন কষ্টসাধ্য হোবা হেতুকে আমার আধুনিক সাহিত্যর বাটকটীয়া সকল বাংলা সাহিত্যর ওপরত বেছি নির্ভরশীল হ'ব লগা হ'ল। আনকি জোনাকী যুগত ইংরাজী সাহিত্যর লগত ঘনিষ্ঠ সম্পর্ক গড়ি উঠার পাছতো বাংলা সাহিত্যর সর্ব্বব্যাপ্ত প্রভাব আমার সাহিত্যত অক্ষুণ্ণ থাকিল। শেক্সপীয়রের আরু শেলীর লগত মধুসূদন, বিহারীলাল আরু রবীন্দ্রনাথ আমার অতিকে আপোন হৈ পরিল।" তাই বলতে গেলে বঙ্গীয় নবজাগরণের প্রভাবই অসমিয়া সাহিত্যে রোমান্টিক প্রভাব ত্বরান্বিত করে তোলে। ডঁ তিলোত্তমা মিশ্র বলেন- 'With Lakshminath Bezbaroa one encounters a new generation of Assamese writers which was directly exposed to the literary and political influences of post Âõþ857 Bengal. The new generation was the product of Western education and it found itself in a peculiar position with regards to the intellectual world of Calcutta' সূচনার দেখা যায়, অসমীয়া রোমান্টিক কাব্যধারার সঙ্গে যোগ সাধন করে যে নবজাগরণের এক অভিন্ন ... ছিল। বাঙালি রোমান্টিক সমাজ ইংরাজী শিক্ষার মাধ্যমে ইউরোপের ... এবং পাশ্চাত্যের সঙ্গে প্রথম নিবিড় ভাবে পরিচিত হয়ে ওঠার ক্ষেত্রে রবীন্দ্রনাথের অগ্রণী ভূমিকা ছিল অবিসংবাদিত। তিনিই ...

প্রথম আলো রাজা রামমোহনের পথানুবর্তী হয়ে পশ্চিমের দ্বার খোলার আহ্বান জানিয়েছিলেন ঃ

পশ্চিমে আজি খুলিয়াছে দ্বার
সেথা হতে সবে আনে উপহার,
দিবে আর নিবে, মিলাবে মিলিবে,
যাবে না ফিরে-
এই ভারতের মহামানবের সাগরতীরে।।
- ভারততীর্থ

সে যাই হোক, ভারতীয় প্রাচীন সাহিত্য-ঐতিহ্যের সার্থক উত্তরাধিকারী, প্রাচ্য-পাশ্চাত্য সাহিত্য-সভ্যতার

যোগ্য উত্তরাধিকারী, বিশ্বমানবতার বিরাট প্রতিভূ বিশ্বকবির সাহিত্য-দর্শনের অমোঘ প্রভাব সমসাময়িক এবং পরবর্তীকালের কবি-শিল্পী-সমাজের উপর পড়াটাই স্বাভাবিক। একথার হার্দিক স্বীকারোক্তি করে যজ্ঞেশ্বর শর্মা লিখেছেন : "বর্তমান ভারতের ভিতরত ঘাইকৈ ভারতীয় প্রাদেশিক ভাষাবিলাকর ওপরত শ্রেষ্ঠ কবিয়ে প্রভাব বিস্তার করা অতি স্বাভাবিক। রবীন্দ্রনাথর কবিতাত পূর্ব-পশ্চিমর সংযোগর ফলত যি এটি নতুন সুর বাজি উঠিছে, সি এটি অপূর্ব বস্তু আরু অনুকরণর যোগ্য।"

অসমীয়া রোমান্টিক যুগের সূত্রপাত হয়

১৮৮৯ সালে কলকাতায় প্রকাশিত 'জোনাকী' মাসিক পত্রিকার মাধ্যমে।

এই পত্রিকার পুরোধা ছিলেন চন্দ্রকুমার আগরওয়ালা, লক্ষ্মীনাথ বেজবরুয়া ও হেমচন্দ্র গোস্বামী। এরাই অসমীয়া রোমান্টিক সাহিত্যে গীতিকবিতার পরম্পরা সৃষ্টি করেন। এঁদের ক্ষেত্রে রবীন্দ্রিক প্রভাব প্রত্যক্ষ এবং পরোক্ষভাবে ক্রিয়াশীল। এ-প্রসঙ্গে কবি সমালোচক বরকাকতী লিখেছেন : 'All these writers, directly or indirectly, came under the pervasive influence of Rabindranath and his poetry which is the richest in the provincial literatures of India. The most remarkable influence is the lyrical note which was lacking for the time being, and Rabindranath's poetry stimulated this particular aspect in Assamese as well as in other regional literatures of India'.

বেজবরুয়ার কবিতা সংকলন 'কদম কলি' ও 'পদুম কলি'র অন্তর্গত 'ভ্রম', 'মালতী' প্রভৃতি কবিতায় রবীন্দ্রিক প্রভাব লক্ষণীয়। সৌন্দর্যের অপূর্ব প্রতিমা 'মালতী'তে রবীন্দ্রনাথের 'বিষ ও সুধা'র পাশ্চাত্যভাব এবং 'ভ্রম' কবিতায় 'ছবি ও গান'-এর জাগ্রত স্বপ্নের প্রভাব অনস্বীকার্য। যেমন

রবীন্দ্রনাথ : গহন বনের কোথা হতে শুনি
বাঁশির স্বর-আভাস
বনের হৃদয় বাজাইছে যেন
মরমের অভিলাষ। জাগ্রত স্বপ্ন/ছবি ও গান

বেজবরুয়া : কোনে ক'লে সেয়া বাঁহী বাজে বুলি
বনদেবী গীত গায়।



বনর সৌন্দর্য্যই রূপ ধরি আহি
ডেও দি দুবরি খায়। (ভ্রম, কদমকলি)

এছাড়াও বেজবরুয়ার 'সখী কোনে নো বজায়' গানটিতে রবীন্দ্রনাথের 'কড়ি ও কোমল'-এর অন্তর্গত 'বাঁশি' কবিতার প্রভাব আছে, এ সম্পর্কে প্রসিদ্ধ লেখক ভবেন বরুয়া লিখেছেন : Rabindranath's influence has already been pointed out in the analysis of the two poems– 'Bhram' and 'Malati'. Besides these, 'Sakhi kone no bajai was written in direct imitation of Rabindranath's 'olo ke bajay' and 'Koneno bajaiche bahi' is free translation of Rabindranath's 'Marilo amay bashite dekeche ke'

তেমনি রবীন্দ্রনাথের 'বিদায় অভিশাপ'-এর অনুপ্রেরণাতেই যে বেজবরুয়ার 'দেবযানী' কাব্যনাট্যটি রচিত হয়েছে, সে-বিষয়ে সন্দেহ নেই। বিশেষ করে 'দেবযানী'র ভাব-ভাষাও কখনও কখনও রবীন্দ্রানুসারী-

রবীন্দ্রনাথ : যেদিন তুমি আসিলে হেথায়
কিশোর ব্রাহ্মণ তরুণ-অরুণ-প্রায়।
বেজবরুয়া : যিদিনা আহিলা তুমি আশ্রমে
আমার, স্বচ্ছ মন শুভ্রকান্তি তাপস নন্দন।

অসমিয়া সাহিত্যাকাশের অন্যতম উজ্জ্বল নক্ষত্র পদ্মনাথ গোহাঞি বরুয়া কবি হিসাবেও খ্যাত। তাঁর খণ্ডকবিতার দুটি সংকলন 'জুরণি' এবং 'ফুলর চানেকি'র একাধিক কবিতায় রবীন্দ্রিক ভাব-ভাষা তথা আঙ্গিক মিশে আছে। রবীন্দ্রনাথের 'প্রাচীন সাহিত্য'র অন্তর্গত 'কাব্যের উপেক্ষিতা' প্রবন্ধে উর্মিলার ঋষি কবির দ্বারা উপেক্ষিতা হওয়ার ভাবটিই পদ্মনাথের 'ঊর্মিলা' কবিতায় আরোপিত হয়েছে- 'সূচতুর স্বর্গিকবি, স্বর্গর কারণে / উর্মিলা পাহিটি থলে অর্ধেক গোপনে'। অন্যদিকে 'বলাকা'র গতিবেগের মতোই পদ্মনাথের একাধিক কবিতায় লক্ষ্য করা যায় গতিশীলতা। 'বিশ্ববীণ' তেমনি একটি গতিবেগের কবিতা, যার ভাবধারার সঙ্গে বলাকার ৩৬ নং কবিতাটির সাদৃশ্য বিদ্যমান। রবীন্দ্রনাথের মতোই পদ্মনাথও এখানে সৃষ্টির বীণার সুর শুনেছেন, যে-সুর গতির প্রতীক। এই বিশ্ববীণার সুর শুনেই রবীন্দ্রনাথের আত্মা অস্থির হয়ে উঠেছিল :

'বাজিল ব্যাকুল বাণী নিখিলের প্রাণে,
হেথা নয়, হেথা নয় আর কোন খানে।'

পদ্মনাথও এই নিখিল বিশ্বের আহ্বান-ধ্বনির কথা লিখেছেন :

'মাতে যেন আগলৈ। কি জানো কলই
আত্মা উরিব খোজে।' - (বিশ্ববীণ, ফুলর চানেকি)

পদ্মনাথের সনেটের আদর্শ এবং অন্যান্য অনেক কবিতারই আঙ্গিক তথা ছন্দরীতি যে রবীন্দ্রানুসারী সে কথা বলা বাহুল্য। রবীন্দ্রনাথের উদ্দেশ্যে নিবেদিত কাব্য 'ফুলর চানেকি'র উৎসর্গও রচিত হয়েছে রবীন্দ্রিক-সনেটের আঙ্গিকে। এতে যেমন আছে রবীন্দ্র প্রশস্তি ও প্রণাম, তেমনি আছে রবীন্দ্রানুসরণের অকপট স্বীকারোক্তি :

"সাদরর 'রবিবাবু'- ভারত বিদিত-
প্রতিভা প্রভার গুণে পৃথিবী-পূজিত;
..... অকণি 'কণিকা' আরু ক্ষণিকা ঠগত,
রচা অসমত, তোমার চানেকি চাই
'জুরণি' আঁজলি ধরি দিছোঁ পাতি হিয়া,
লোৱাহি আসন রবি। -জীবন-সন্ধিয়া। - (উৎসর্গ, ফুলর চানেকি)

অতীন্দ্রিয়বাদী কবি হিসাবে পরিচিত অসমিয়া সাহিত্য ইতিহাসের প্রথমশ্রেণীর সাহিত্যিক অম্বিকাগিরি রায়চৌধুরীর কোন কোন কবিতা ও গানে রবীন্দ্রভাব-আঙ্গিকের সন্ধান মেলে। কবির 'বন্দো কি ছন্দেরে' কাব্য সংকলনের অন্তর্গত 'আরু কি দেখাবি ভয় কারাগার' গানে রবীন্দ্রনাথের উপস্থিতি লক্ষণীয়ঃ

রবীন্দ্রনাথঃ ওদের বাঁধন যতই শক্ত হবে
ততই বাঁধন টুটবে,
মোদের ততই বাঁধন টুটবে।
ওদের যতই আঁখি রক্ত হবে মোদের আঁখি



ফুটবে,

ততই মোদের আঁখি ফুটবে।

অম্বিকাগিরী : আরু কি দেখাবি ভয় কারাগার

আরু কি দেখাবি ভয়?

তোর রঙা চক্ষু রঙা যিমানে করিবি,

সিমানেই মোর জয় কারাগার

সিমানেই মোর জয়।' (বন্দো কি ছন্দেবে,)

এছাড়া ও কবির 'বলা ভাই, আগুৱাই' কবিতায় গীতবিতানের একাধিক গানের, 'Songs of the Cell'-এর ১২ নং গানে 'গীতাঞ্জলি'র 'প্রতিসৃষ্টি'র এবং 'বিশ্বদোলন'-এ রবীন্দ্রনাথের 'ঝুলন'-এর স্পষ্ট ও প্রচ্ছন্ন প্রভাব লক্ষ্য করা যায়।

ঝুলন : মরণদোলায় ধরি রশিগাছি

বসিব দুজনে বড়ো কাছাকাছি

আসিয়া অট্টহাসিয়া

মারিবে ঠেলা-

আমাতে প্রাণেতে খেলিব দুজনে

ঝুলন খেলা

নিশীথবেলা।।

বিশ্বদোলন : বহি বহি দোলনাত জগাই পুলক

মোর স'তে মুখামুখিকৈ,-

মিলনাশ্রু উথলিব বৈ,-

দুয়ো দু'কো একথরে চাই

চক্রবেগে দোলনা দোলাম,

মহানীলে আলোড়ন করি।

অসমিয়া গীতিকবিতার শ্রেষ্ঠ রূপকার যতীন্দ্রনাথ দুয়রার কবিতায় আশা-নিরাশা, প্রেম-প্রত্যাখ্যান, স্বপ্ন ও স্বপ্নভঙ্গের মধুর ছবি ছন্দায়িত হয়েছে। নদী, নৌকা ও মাঝি- এই প্রতীকত্রয়ের সাহায্যে রবীন্দ্রনাথের যে নিরুদ্দেশ যাত্রা, তারই প্রতিকল্প দেখা যায় যতীন্দ্রনাথের নদী, নাও ও নাওরীয়া প্রতীকের সাহায্যে ক্রমে 'সোণালী দেশ'র দিকে ধাবিত কবির অবিরাম যাত্রার কাহিনীতে। তাঁর 'বনফুল' এবং 'আপন সুর' কাব্য সংকলনের 'চিরলগরীয়া, তোমালৈ, নাওরীয়া, নাওরীয়া যায় ভটিয়াই, জীবন জেউতি, শেষ মিনতি, শেহর বীণ' প্রভৃতি কবিতায় রবীন্দ্রিক ভাবনার প্রচ্ছন্ন-আভাস লক্ষ্য করা যায়। তেমনি তাঁর 'করা উজ্জ্বল আজি মাতৃমন্দির' গানটিতে গীতবিতানের একটি বিখ্যাত গানের ভাব-ভাষা যুক্ত হয়েছে। 'বনফুল'-এর অন্তর্গত আর একটি কবিতা 'বিদায় বেলার পরশ'-এ রবীন্দ্রনাথের 'পূরবী'র 'শেষ বসন্ত'-র কবিতার প্রভাব স্পষ্ট। 'শেষ বসন্ত' অন্তিম স্তবকে কবিগুরু লিখেছেন:

সব ছেড়ে যাব, প্রিয়ে সমুখের পথ দিয়ে

ফিরে দেখা হবেনাতো আর।

ফেলে দিয়ে ভোরে-গাঁথা ম্লান মল্লিকার মালাখানি

সেই হবে স্পর্শতব, সেই হবে বিদায়ের বাণী।

যতীন্দ্রনাথ লিখেছেন :

'সকলোটি সামরি সুতরি

অন্ধকারত দীপখনি বাই

যাম মই আগেদি তোমার

তুমি মোক নিচিনা দুনাই। ('বিদায় বেলার পরশ', বনফুল)

অসমিয়া সাহিত্যে যতীন্দ্রনাথের অনন্য অবদান 'কথা কবিতা'। 'কথা কবিতা'র ভূমিকায় প্রখ্যাত সমালোচক ড° বাণীকান্ত কাকতী দুয়রার 'কথা কবিতা'কে মৌলিক সৃষ্টিরূপে দেখানোর প্রয়াস করেছেন যদিও পরবর্তী সমালোচকরা 'কথা কবিতা' টুর্গেনিভ, আলফঁচ দোঁদে, অলিভ শ্রাইনার প্রভৃতি একাধিক বিদেশী লেখকের প্রভাব আবিষ্কার করেছেন। কিন্তু যে কথাটি আজও অনুচ্চারিত, তা হলো 'কথা কবিতায়' রবীন্দ্রিক প্রভাব। তাছাড়া তিনি আরও বলেছেন, 'এনে ধরণের গদ্যত লিখা কবিতার পুথি ভিতরত আন

নলিনীবালার ‘শেষঅর্ঘ্য’ নামের কবিতাটিতেও রবীন্দ্রনাথের অধ্যাত্ম ভাবনার মধুর প্রতিধ্বনি শোনা যায়। ‘মরণরে তুহুমম শ্যামসমান’ বলে কৃষ্ণরূপী মৃত্যুদেবতার সাথে মিলনাকাংক্ষা করেছিলেন রবীন্দ্রনাথ।

কোনো ভারতীয় ভাষাত নাই; ইংরাজীতো বিরল।” কিন্তু রবীন্দ্রনাথের ‘পুষ্পাঞ্জলি’ এবং ‘লিপিকা’র রচনাও প্রকৃতপক্ষে কথাকবিতাই। রবীন্দ্রনাথ নিজেই ‘পুনশ্চ’ কাব্যের ভূমিকায় লিখেছেন যে- ‘লিপিকা’য় তিনি প্রথম বাংলা গদ্য কবিতা রচনার প্রয়াস করেন। ‘লিপিকা’র অন্তর্গত ‘পায়ে চলার পথ‘ প্রথম ছাপা হয় ১৩২৬ সালের আশ্বিনে ‘প্রবাসী’ পত্রিকায়। যতীন্দ্রনাথের ‘বাটরুৱা’ নামের কথাকবিতাটিতে রবীন্দ্রনাথের ‘পায়ে চলার পথ’- এর প্রভাব অনস্বীকার্য :

পায়ে চলার পথ (তৃতীয় বাক্য):

‘তারপরে ওপারের ভাঙা ঘাট থেকে বেঁকে চলে গেছে গ্রামের মধ্যে; তারপরে তিসির ক্ষেতের ধার দিয়ে, আমবাগানের ছায়া দিয়ে, পদ্মদিঘির পাঙ্ক দিয়ে, রথতলার পাশ দিয়ে, কোন গায়ে গিয়ে পৌঁছেছে জানি নে।‘

বাটরুৱা (তৃতীয় বাক্য):

‘দলটোক বাওঁ হাতোদি এরি থৈ গাঁওর ভিতরেদি গৈ, নামঘরর দাতিয়েদি ওলাই আকৌ পথারর মাঝেদি গৈ এই বাট যে কত দূরত শেষ হৈছে গৈ, কোনে জানে?’রর

অসমিয়া রোমান্টিক কাব্যাকাশের শ্রেষ্ঠ মহিলা কবি নলিনীবালা দেবীর কাব্যপ্রেরণার উৎস ছিল রবীন্দ্রনাথের কবিতা, বিশেষভাবে ‘গীতাঞ্জলি’। কবির ‘সন্ধিয়ার সুর’, ‘মিলনর সুর’, ‘অলকানন্দা’ প্রভৃতি কাব্য সংকলনের অনেক কবিতায় রবীন্দ্রনাথের ভাব-ভাষা ও দর্শন মিশে আছে।

